PGDY S2 05

নির্বাচিত ভাৰতীয় দর্শনৰ তত্ত্বসমূহৰ ধাৰণা

দ্বিতীয় ষাণ্মাসিক

যোগৰ স্নাতকোত্তৰ ডিপ্লম’মা



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মুক্তা বিশ্বাস, অধ্যাপিকা, সংস্কত বিভাগ গুৱাহাটী বিশ্ববিদ্যালয়

ড° অনিল শর্মা, অধ্যাপক, চৰকাৰী আয়ুর্বেদিক মহাবিদ্যালয় আৰু চিকিৎসালয়, গুৱাহাটী

যোগাচার্য শুভাশিষ, অধ্যাপক, পূর্বাঞ্চল যৌগিক মহাবিদ্যালয়, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ **ড° ইন্দ্রানী ডেকা,** সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা যোগাইছে
১, ৪	**ড° ভাৰতী গোস্বামী,** সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়
২	**ড° সুধেন্দু মোহন ভদ্র,** প্রাক্তন মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ, কটন কলেজ
৩	**ড° দীপক কুমাৰ শর্মা,** সঞ্চালক, মহাবিদ্যালয় উন্নয়ন পৰিষদ, গুৱাহাটী বিশ্ববিদ্যালয়
৫	**ড° ৰশ্মিৰেখা গোস্বামী,** সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ **ড° মুক্তা বিশ্বাস,** অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (১,৪,৫)

ড° মঞ্জুলা দেৱী, অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (২)

ড° সুদেষ্ণা ভট্টাচার্য্য, অধ্যাপিকা, সংস্কত বিভাগ গুৱাহাটী বিশ্ববিদ্যালয় (৩)

গাঁথনিক সম্পাদনা ঃ **ড° ইন্দ্রানী ডেকা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

মার্চ, ২০১৯

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

বিশ্ববিদ্যালয়ে আগবঢ়োৱা যোগৰ স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰমৰ দ্বিতীয় ষান্মাসিকৰ এইখন প্ৰথম পাঠ্যবিষয়। এই পাঠ্যবিষয়টিৰ নাম হৈছে— নিৰ্বাচিত ভাৰতীয় দৰ্শনৰ তত্ত্বসমূহৰ ধাৰণা। এই পাঠ্যবিষয়টিত সৰ্বমুঠ পাঁচটা অধ্যায় আছে। সেইসমূহ হ'ল—

(১) ভাৰতীয় দৰ্শনৰ পৰিচয়
(২) উপনিষদ
(৩) শ্ৰীমদ্ভাগৱদ্‌গীতা
(৪) সাংখ্যদৰ্শনৰ পৰিচয়
(৫) প্ৰাচীন ভাৰতীয় সাহিত্যত যোগৰ অস্তিত্ব।

প্ৰথম অধ্যায়টো অধ্যয়ন কৰি আপুনি দৰ্শন শব্দৰ অৰ্থ, দৰ্শনৰ শ্ৰেণীবিভাগ, ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশ, ভাৰতীয় দৰ্শনৰ বৈশিষ্ট্য আদি বিষয় জানিব পাৰিব। দ্বিতীয় অধ্যায়টিৰ পৰা উপনিষদসমূহৰ বিষয়ে সাধাৰণ পৰিচয় লাভ কৰিব। তৃতীয় অধ্যায়ত গীতাৰ বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰা হৈছে। চতুৰ্থ অধ্যায়ত সাংখ্যদৰ্শনৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত অধ্যয়ন কৰিব পাৰিব। পাঠ্যবিষয়টিৰ পঞ্চম অৰ্থাৎ শেষৰ অধ্যায়টিত প্ৰাচীন ভাৰতীয় সাহিত্যত যোগৰ অস্তিত্বৰ বিষয়ে আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান আৰ্হি প্ৰশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ভাৰতীয় দর্শনৰ পৰিচয়** **৫ - ১৬**

দর্শন শব্দৰ অর্থ; ভাৰতীয় দর্শনৰ উৎপত্তি আৰু ক্রমবিকাশ; ভাৰতীয় দর্শনৰ শ্রেণীবিভাগ; ভাৰতীয় দর্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ; ভাৰতীয় দার্শনিক সম্প্রদায়সমূহৰ চমু পৰিচয়

অধ্যায় ২ ঃ **সাংখ্য দর্শনৰ পৰিচয়** **১৭ - ২৯**

সাংখ্য শব্দৰ অর্থ; সাংখ্য দর্শনৰ চমু আভাস ঃ সৎকার্য্যবাদ, প্রকৃতি আৰু পুৰুষ, সৃষ্টি তত্ত্ব, জ্ঞান তত্ত্ব, মোক্ষ বা মুক্তি তত্ত্ব, ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা

অধ্যায় ৩ ঃ **শ্রীমদ্ভাগৱদ্‌গীতা** **৩০ - ৪৩**

নামৰ তাৎপর্য্য; শাস্ত্রখনিৰ আলোচ্য বিষয়; ৰচয়িতা আৰু ৰচনাকাল ঃ ৰচনাৰ পটভূমি; ভাষ্যকাৰসকল; গীতাৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ সাৰাংশ।

অধ্যায় ৪ ঃ **সাংখ্যদর্শনৰ পৰিচয়** **৪৪ - ৫৫**

সাংখ্য শব্দৰ অর্থ;সাংখ্য দর্শনৰ চমু আভাস ঃ সৎ কার্যবাদ, প্রকৃতি আৰু পুৰুষ, সৃষ্টি তত্ত্ব, জ্ঞান তত্ত্ব, মোক্ষ বা মুক্তি তত্ত্ব, ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা।

অধ্যায় ৫ ঃ **প্রাচীন ভাৰতীয় সাহিত্যত যোগৰ অস্তিত্ব** **৫৬ - ৭৫**

প্রাচীন ভাতীয় সাহিত্যত যোগ পৰম্পৰা ঃ বেদত যোগৰ অস্তিত্ব, ঋগবেদত যোগৰ অস্তিত্ব, অথর্ববেদত যোগৰ অস্তিত্ব; ব্রাহ্মণ সাহিত্যত যোগৰ অস্তিত্ব, উপনিষদত যোগৰ অস্তিত্ব, মহাভাৰত আৰু ৰামায়ণত যোগৰ অস্তিত্ব, গীতাত যোগৰ অস্তিত্ব, পুৰাণত যোগৰ অস্তিত্ব; আয়ুর্বেদত যোগৰ অস্তিত্ব তথা প্রভাৱ; বৌদ্ধ আৰু জৈন সাহিত্য তথা তন্ত্রত যোগৰ অস্তিত্ব।

প্রসঙ্গ পুথিঃ (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে) **৭৬**

অধ্যায় ১ ঃ ভাৰতীয় দৰ্শনৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ দৰ্শন শব্দৰ অৰ্থ
১.৪ ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশ
১.৫ ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ
১.৬ ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ
১.৭ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ চমু পৰিচয়
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্ৰগতিৰ খতিয়ান
১.১১ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দৰ্শন শব্দৰ অৰ্থ জানিব পাৰিব
- ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে অৱগত হ'ব
- ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ সম্পৰ্কে জানিব পাৰিব
- ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব
- ভাৰতীয় দৰ্শনৰ নটা সম্প্ৰদায়ৰ চমু পৰিচয় লাভ কৰিব।

১.২ পৰিচয়

আপুনি নিশ্চয় জানে যে ভাৰতীয় দৰ্শন হ'ল সমগ্ৰ ভাৰতবৰ্ষত আৱহমান কালৰে পৰা চলি অহা এক সামগ্ৰিক চিন্তা ধাৰা। ভাৰতীয় দৰ্শন হিন্দু বা জৈন বা বৌদ্ধ আদি কোনো সাম্প্ৰদায়িক দৰ্শন নহয়। আপুনি জানেনে ই হৈছে হিন্দু, বৌদ্ধ, জৈন, ইছলাম, খ্ৰীষ্টান আদি সকলো সম্প্ৰদায়ৰে সানমিহলি এটি সনাতন দৰ্শন। এই সনাতন চিন্তাধাৰাই হৈছে ভাৰতীয় দৰ্শনৰ মুখ্য বৈশিষ্ট্য। ভাৰতীয় দৰ্শন মূলতঃ নটা সম্প্ৰদায়ত বিভক্ত হৈছে। ইয়াৰে প্ৰত্যেকটো সম্প্ৰদায়ে সূক্ষ্ম যুক্তি বিচাৰৰ দ্বাৰা নিজা নিজা মত প্ৰতিষ্ঠা কৰি ভাৰতীয় চিন্তাধাৰাৰ ক্ৰমবিবৰ্তনত এক বৃহৎ দাৰ্শনিক ভাৱধাৰাৰ সৃষ্টি কৰিছে, যাৰ মাজত ঐক্যৰ উপস্থিতি আমি অনুভৱ কৰিব পাৰোঁ। এই অনৈক্যৰ মাজৰ ঐক্যক ভাৰতৰ আত্মা বুলি ক'ব পাৰি। দাৰ্শনিক মাধৱাচাৰ্য্যৰ 'সৰ্বদৰ্শন-সংগ্ৰহ'ত ভাৰতীয়

দাৰ্শনিক সম্প্ৰদায়ৰ আটাইকেইটা ভিন্ন দাৰ্শনিক সম্প্ৰদায়ৰ পাৰস্পৰিক আলোচনাৰ পৰাও বুজিব পাৰি যে 'ভাৰতীয় দৰ্শন এটা সামগ্ৰিক চিন্তাধাৰা'।

এই অধ্যায়ত দৰ্শন শব্দৰ অৰ্থ, ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ ক্ৰমবিকাশ, ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়ৰ নাম, ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্য আদিৰ কিছু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে।

১.৩ দৰ্শন শব্দৰ অৰ্থ

এতিয়া আপুনি দৰ্শন শব্দৰ অৰ্থ জানিব পাৰিব।দৰ্শন শব্দটো সংস্কৃত 'দৃশ্' ধাতুৰ সৈতে অনট্ বা ল্যুট্ প্ৰত্যয় যোগে নিষ্পন্ন হৈছে। 'দৃশ্' ধাতুৰ অৰ্থ 'দেখা' বা 'প্ৰত্যক্ষ' কৰা। অৰ্থাৎ যথাৰ্থ সত্যক দেখা বা উপলব্ধি কৰা। সত্যক কেৱল জানিলেই নহয়, ব্যৱহাৰিক জীৱনত তাক প্ৰয়োগ কৰাটোও এটা উদ্দেশ্য। মানুহৰ প্ৰকৃতি কি? জীৱনৰ শেষ ক'ত? যিখন পৃথিৱীত মানুহ বাস কৰে সেই পৃথিৱীৰ স্বৰূপ কি? মৃত্যুৰ লগে লগে জীৱনৰ পৰিসমাপ্তি ঘটে নেকি? আমাক কোনে লালন-পালন কৰে? জগতৰ উৎপত্তি কেনেকৈ হ'ল? এনেকুৱা অসংখ্য প্ৰশ্ন তথা সমস্যাৰ লগতে সমাধানৰ বিষয়ে ভাৰতীয় দৰ্শনত আলোচনা কৰা হৈছে। সেয়েহে ভাৰতীয় দৰ্শনক 'সত্যদৰ্শন' বুলিও কোৱা হয়।

ভাৰতীয় দাৰ্শনিকৰ দৃষ্টিভঙ্গীত দৰ্শন আৰু ধৰ্ম একেটা সূত্ৰতে আৱদ্ধ। তেওঁলোকৰ মতে ধৰ্ম কেৱল মাত্ৰ নৈতিক নিয়ম নহয়, সত্যৰ বাস্তৱ অভিজ্ঞতাই হৈছে ধৰ্ম আৰু সত্যৰ তাত্ত্বিক অনুসন্ধানেই হৈছে দৰ্শন। আনহাতে আধ্যাত্মিক সত্যৰ উপলব্ধিকেই দৰ্শন বুলিও কোৱা হয়, কাৰণ আধ্যাত্মিক উপলব্ধিৰ দ্বাৰাহে আত্মজ্ঞানৰ উপলব্ধি হয়। এই আত্মজ্ঞানৰ জৰিয়তে মোক্ষ লাভ কৰিব পাৰি। সেয়েহে ভাৰতীয় দৰ্শনক 'মোক্ষশাস্ত্ৰ' বুলিও কোৱা হয়।

১.৪ ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশ

দৰ্শন শব্দৰ অৰ্থ জনাৰ পিছত আপুনি এতিয়া জানিব যে ভাৰতীয় দাৰ্শনিকসকলৰ দৰ্শন-চিন্তাৰ মূল উৎস হ'ল বেদ। বৈদিক সাহিত্যৰাজি অধ্যাত্ম-চিন্তাৰ লীলাভূমি। এই অধ্যাত্ম চিন্তাধাৰা ব্যাখ্যা কৰিবৰ বাবেই দাৰ্শনিকসকলে দৰ্শন শাস্ত্ৰসমূহ প্ৰণয়ন কৰিছিল। ভাৰতীয় দৰ্শনৰ আদিম গ্ৰন্থ হ'ল উপনিষদসমূহ। অৱশ্যে উপনিষদসমূহ দাৰ্শনিক গ্ৰন্থ হিচাপে প্ৰথম হ'লেও দৰাচলতে দাৰ্শনিক চিন্তাধাৰাই যেতিয়া পূৰ্ণতা আৰু পৰিণতি লাভ কৰে তেতিয়াই সেই চিন্তাধাৰাই গ্ৰন্থৰ আকাৰ ধাৰণ কৰে। ঋগ্বেদৰ পুৰুষসূক্ত, দেৱীসূক্ত, হিৰণ্যগৰ্ভসূক্ত, নাসদীয়সূক্ত আদিত দাৰ্শনিক চিন্তাৰ পৰিচয় পোৱা যায়। ঋগ্বেদৰ সময়ৰ পৰা উপনিষদসমূহ ৰচনা কৰা সময় পৰ্য্যন্ত— এই সুদীৰ্ঘ সময়ছোৱাত ভাৰতীয় মনীষীসকলৰ জিজ্ঞাসু মন দাৰ্শনিক চিন্তা-চৰ্চাত যে উদ্বুদ্ধ হৈ আছিল, তাক সহজেই অনুমান কৰিব পাৰি।

ঋগ্বেদৰ দাৰ্শনিক চিন্তাধাৰাৰ বীজ উপনিষদীয় যুগত অঙ্কুৰিত হৈছিল। বৃহদাৰণ্যক উপনিষদ্, ছান্দোগ্য উপনিষদ্, প্ৰশ্ন উপনিষদ্, কঠ উপনিষদ্ আদিত বৰ্ণিত বিভিন্ন আলোচনা,

বিভিন্ন তৰ্ক সভা আদিয়ে এই কথাকে প্ৰমাণ কৰে। সেই সময়ছোৱাত পণ্ডিতসকলৰ মাজত বিভিন্ন বিষয়বস্তুৰ ওপৰত দীৰ্ঘসময় জুৰি আলাপ-আলোচনা হৈছিল। আনহাতে, উপনিষদসমূহত সত্যদ্ৰষ্টা ঋষিমুনিসকলে প্ৰত্যক্ষ কৰা সত্য অথবা পৰমতত্ত্বৰ বিভিন্ন দিশৰ কথাও আছে। তেওঁলোকে অন্তঃপ্ৰজ্ঞাৰ দ্বাৰা সত্যৰ সাক্ষাৎ জ্ঞান লাভ কৰে। বেদ আৰু উপনিষদত থকা তাত্ত্বিক দিশসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন দাৰ্শনিক পণ্ডিতে স্বতন্ত্ৰ যুক্তি তথা ন্যায়ৰ দ্বাৰা নিজা নিজা মতবাদ প্ৰতিষ্ঠা কৰিছে। প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক ভাৰতীয় দৰ্শনৰ প্ৰত্যেকটো সম্প্ৰদায়েই বেদ-উপনিষদসমূহৰ লগত জড়িত। এই সম্প্ৰদায়সমূহে বেদ-উপনিষদত থকা পৰম সত্যসমূহৰ ওপৰত ভিত্তি কৰি নিজস্ব যুক্তি-তৰ্কৰ মাধ্যমেৰে নিজা নিজা মতবাদসমূহ প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। উপনিষদত বৰ্ণিত পৰম সত্যৰ বিভিন্ন দিশসমূহৰ লগত সামঞ্জস্য ৰাখি সামগ্ৰিক সত্য উদ্‌ঘাটনৰ বাবে ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহে এটি শৃঙ্খলাবদ্ধ বৌদ্ধিক পৰ্য্যালোচনাৰ মাজেৰে আগবাঢ়িছে। এনেধৰণৰ বৌদ্ধিক পৰ্য্যালোচনাৰ দ্বাৰা জীৱন আৰু জগত সম্পৰ্কে এটা সামগ্ৰিক সত্য উদ্‌ঘাটন কৰি বাস্তৱ জীৱনৰ আধ্যাত্মিক ভেটি সুদৃঢ় কৰাটোৱেই ভাৰতীয় দৰ্শনৰ মুখ্য উদ্দেশ্য। এই সামগ্ৰিক সত্য উদ্‌ঘাটনৰ বাবে ভাৰতীয় দাৰ্শনিকসকলৰ যি নিৰলস প্ৰচেষ্টা, তাৰ অন্তনিৰ্হিত উদ্দেশ্য হ'ল 'মোক্ষ' লাভ। কাৰণ ভাৰতীয় দৰ্শনৰ মুখ্য উদ্দেশ্য হ'ল 'মোক্ষ'। সেয়েহে ভাৰতীয় দৰ্শনক 'মোক্ষশাস্ত্ৰ' বুলিও কোৱা হয় বুলি আমি আগতেই গম পাই আহিছোঁ।

এটা কথা অনস্বীকাৰ্য্য যে ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়সমূহৰ মাজত প্ৰৱল বিৰোধিতা থকা সত্ত্বেও পাৰস্পৰিক আলোচনা-সমালোচনাৰ মাজেৰেই নিজা নিজা মতবাদ প্ৰতিষ্ঠা কৰিছিল। তেওঁলোকে উপলব্ধি কৰিব পাৰিছিল যে বিপৰীত পক্ষৰ মতবাদ সম্পৰ্কে সম্পূৰ্ণ জ্ঞান নাথাকিলে তাক অস্বীকাৰ বা খণ্ডন কৰাটো অসম্ভৱ। আনৰ মতৰ প্ৰতি শ্ৰদ্ধা আৰু সহনশীলতাৰ মনোভাৱৰ পৰাই ভাৰতীয় দৰ্শনৰ উদাৰ দৃষ্টিভঙ্গীৰ আভাস পোৱা যায়। সত্য অন্বেষণৰ ক্ষেত্ৰত এই পদ্ধতিটো অপৰিহাৰ্য্য। এনেকুৱা পাৰস্পৰিক আলোচনা-সমালোচনাৰ মাজেৰে ভাৰতীয় দৰ্শনৰ ক্ৰমবিকাশৰ প্ৰণালী আগবাঢ়িছিল।

১.৫ ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ

আপুনি ইতিমধ্যে জানি আহিছে যে বেদ আৰু উপনিষদসমূহেই হ'ল ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ ভেটি স্বৰূপ। প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক, ভাৰতীয় দৰ্শনৰ প্ৰত্যেকটো সম্প্ৰদায় বেদ আৰু বৈদিক সাহিত্যৰ অন্তৰ্গত। বেদৰ প্ৰামাণ্য স্বীকাৰ কৰা-নকৰাৰ ওপৰত ভিত্তি কৰি ভাৰতীয় দৰ্শনক প্ৰধানকৈ দুটা শাখাত বিভক্ত কৰা হৈছে— আস্তিক আৰু নাস্তিক। সাধাৰণ অৰ্থত ঈশ্বৰৰ অস্তিত্বত বিশ্বাসীসকলক আস্তিক বোলা হয় আৰু ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নকৰাসকলক নাস্তিক বোলা হয়। কিন্তু দাৰ্শনিক শ্ৰেণীবিভাজনৰ ক্ষেত্ৰত ইয়াৰ অৰ্থ বেলেগ। বেদৰ প্ৰামাণ্যক বিশ্বাস কৰা দৰ্শনৰ শাখাসমূহক আস্তিক দৰ্শন আৰু বেদৰ প্ৰামাণ্যক বিশ্বাস নকৰা দৰ্শনৰ শাখাসমূহক নাস্তিক দৰ্শন বুলি কোৱা হয়।

ভাৰতীয় দৰ্শন ভিন্ ভিন্ মতাদৰ্শত বিশ্বাসী মুলতঃ নটা সম্প্রদায়ৰ সমষ্টি। সেই সম্প্রদায়কেইটা হৈছে— সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা, বেদান্ত, চার্বাক, বৌদ্ধ আৰু জৈন। ইয়াৰ ভিতৰত প্রথম ছটা সম্প্রদায় আস্তিক দৰ্শনৰ অন্তর্ভুক্ত। এই ছটা দৰ্শনক একেলগে 'ষড়্দৰ্শন' বুলি কোৱা হয়। চার্বাক, বৌদ্ধ আৰু জৈন দৰ্শনক নাস্তিক দৰ্শন বুলি কোৱা হয়। মীমাংসা আৰু সাংখ্য দৰ্শনত ঈশ্বৰৰ উল্লেখ নাই যদিও তেওঁলোকে বেদৰ প্রামাণ্য স্বীকাৰ কৰা বাবে আস্তিক সম্প্রদায়ভুক্ত হৈছে। আনহাতে, জৈনসকলে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিলেও বেদৰ প্রামাণ্য অস্বীকাৰ কৰা বাবে এই সম্প্রদায়ক নাস্তিক বুলি কোৱা হয়।



জানি থোৱা ভাল

বেদৰ প্রামাণ্যক অথবা বেদৰ কর্তৃত্বক বিশ্বাস কৰা বাবেই ষড়দৰ্শনক আস্তিক নামেৰে জনা যায় যদিও সকলো সম্প্রদায়ৰে বিশ্বাসৰ গভীৰতাৰ মাপকাঠী সমান নহয়। মীমাংসা আৰু বেদান্ত দৰ্শনৰ ভেটি হ'ল বেদ। এই দুয়োটা দার্শনিক সম্প্রদায়ৰে মূল লক্ষ্য হৈছে বেদক বিস্তাৰিতভাৱে ব্যাখ্যা কৰা। দুয়োটা সম্প্রদায়ে বেদৰ সকলো কথাকে সত্য বুলি স্বীকাৰ কৰিছে আৰু যুক্তি সহকাৰে বেদৰ তথ্যবোৰ প্রকাশ কৰিছে। আনহাতে সাংখ্য, যোগ, ন্যায় আৰু বৈশেষিক দৰ্শন —এই চাৰিটা হৈছে বেদ স্বতন্ত্র দৰ্শন। এই চাৰিটা দার্শনিক সম্প্রদায়ৰ প্রণেতাসকলে নিজে কিছুমান সূত্র বা তথ্য প্রণয়ন কৰি সেইবোৰক বৈদিক তথ্যৰ জৰিয়তে যুক্তি সহকাৰে ব্যাখ্যা কৰিছে।

নাস্তিক দার্শনিক সম্প্রদায়সমূহৰ ভিতৰত চার্বাক আৰু বৌদ্ধ দৰ্শনে বেদৰ তীব্র বিৰোধিতা কৰিছে. গতিকে এই দুটা সম্প্রদায়ক চৰমপন্থী নাস্তিক সম্প্রদায় বুলি কোৱা হয়। জৈন দৰ্শন হৈছে নৰমপন্থী নাস্তিক দার্শনিক সম্প্রদায়। এই সম্প্রদায়ে ইমান তীব্রভাৱে বেদৰ তথ্যসমূহৰ বিৰোধিতা কৰা নাই। বেদৰ প্রামাণ্যক অস্বীকাৰ কৰিলেও এই দৰ্শনে এক অতীন্দ্রিয় পুৰুষৰ অস্তিত্বক স্বীকাৰ কৰিছে।

১.৬ ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ

এতিয়া আপুনি ভাৰতীয় দৰ্শনৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব। ভাৰতীয় দার্শনিক সম্প্রদায়সমূহৰ নিজা নিজা দার্শনিক শিক্ষা আছে। যদিও ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্রদায়সমূহৰ মাজত মতৰ পার্থক্য দেখা যায়, তথাপি আমি এটা কথাত একমত হ'ব লাগিব যে প্রতিটো সম্প্রদায় আৱহমান কালৰে পৰা চলি অহা ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰে পৰিপুষ্ট। একে কৃষ্টি-সংস্কৃতি, সভ্যতা, নীতি-নৈতিকতাৰ মাধ্যমত বিকশিত হোৱা ভাৰতীয় দার্শনিক শাখাসমূহৰ মাজত কিছুমান সাধাৰণ বৈশিষ্ট্য লক্ষ্য কৰা যায়, যিবোৰ বৈশিষ্ট্যই ভাৰতীয় দৰ্শনক পৃথিৱীৰ অন্যান্য দার্শনিক সম্প্রদায়সমূহৰ ওচৰত এক সুকীয়া আসন প্রদান কৰিছে। অৱশ্যে ভাৰতীয় দৰ্শনৰ এই মৌলিকতা চার্বাক দৰ্শনত প্রতিফলিত হোৱা নাই। চার্বাক দৰ্শন অন্যান্য দার্শনিক সম্প্রদায়ৰ পৰা ব্যতিক্রম। এই

দৰ্শনে তথাকথিত ভাৰতীয় চিন্তাধাৰাৰ বিপৰীতে গৈ নিজস্ব মত দাঙি ধৰিছে। চার্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় অন্যান্য দার্শনিক সম্প্রদায়সমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

ক) **ব্যৱহাৰিক দৃষ্টিভঙ্গী ঃ** ভাৰতীয় দৰ্শনে তাত্ত্বিক আৰু ব্যৱহাৰিক উভয় দিশৰ প্রতি সমানে গুৰুত্ব আৰোপ কৰা দেখা যায়। কেৱল মাত্র সত্যৰ অনুসন্ধান কৰাই নহয়, সত্যক প্রতিষ্ঠা কৰাটোও ভাৰতীয় দৰ্শনৰ এক মহান উদ্দেশ্য। কেৱল পুথিগত জ্ঞান আহৰণৰ ওপৰত ভাৰতীয় দৰ্শনে গুৰুত্ব আৰোপ কৰা নাই। দার্শনিক জ্ঞানৰ আলোকেৰে কিদৰে জীৱনৰ অন্ধকাৰসমূহ দূৰ কৰিব পৰা যায় তাৰ ওপৰতহে ভাৰতীয় দৰ্শনে গুৰুত্ব আৰোপ কৰিছে। ভাৰতীয় দার্শনিকসকলৰ মতে বাস্তৱ জীৱনটো নিয়ন্ত্রিত কৰি জীৱনটো সঠিক দিশত আগবঢ়াই নিবলৈ সত্য জ্ঞানৰ প্রয়োজন হয়।সত্যজ্ঞান অথবা তত্ত্বজ্ঞানৰ আলোকত জীৱনক কল্যাণময় আৰু সুন্দৰময় কৰাই হৈছে ভাৰতীয় দৰ্শনৰ উদ্দেশ্য।

খ) **আধ্যাত্মিক অশান্তিবোধ ঃ** ভাৰতীয় দৰ্শনে জীৱন আৰু জগত দুখময় আৰু অপূর্ণ বুলি ভাবে। গতিকে বাহ্যিক দৃষ্টিত ভাৰতীয় দৰ্শনক নৈৰাশ্যবাদী দৰ্শন যেন লাগে। দৰাচলতে ভাৰতীয় দৰ্শনে জীৱনটো দুখময় বুলি কোৱাৰ অর্থ হ'ল— 'জীৱনটো অসাৰ বা অবাস্তৱ নহয়। ই আধ্যাত্মিক দৃষ্টিতহে অসাৰ, জাগতিক দৃষ্টিত অসাৰ নহয়।' ভাৰতীয় দার্শনিকসকল জীৱনৰ দুখ-জ্বালা-যন্ত্রনাৰ প্রতি উদাসীন হৈ থাকিব পৰা নাছিল। দুখ নিবৃত্তিৰ পথৰ অনুসন্ধান কৰাৰ ফলতে ভাৰতত দৰ্শন চর্চা আৰম্ভ হৈছিল। মানুহৰ দুখ-কষ্ট, জ্বালা-যন্ত্রনাই ভাৰতীয় ঋষি-মুনিসকলৰ হৃদয় ব্যথিত কৰি তুলিছিল। এই দুখ-কষ্টৰ অৱসান বিচাৰি তেওঁলোক দার্শনিক আলোচনাত মিলিত হৈছিল। সকলোবোৰ দার্শনিক সম্প্রদায়েই এই বিষয়ত এক মত যে মানৱ জীৱন দুখেৰে ভৰা আৰু এই দুখ উপশমৰ পথ নির্দেশনাই হৈছে ভাৰতীয় দার্শনিকৰ মূল লক্ষ্য। বৌদ্ধ দৰ্শনৰ মূল কথাই হৈছে— 'সর্বং দুঃখম্'। ভাৰতীয় দার্শনিকসকলে উপলব্ধি কৰিব পাৰিছিল যে দুখ নিবৃত্তিৰ জৰিয়তে জীৱনক সুখৰ আলোকেৰে আলোকিত কৰি তুলিব পাৰি।

গ) **নৈতিক নিয়মত বিশ্বাস ঃ** জড়বাদী চার্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় সকলোবোৰ দার্শনিক সম্প্রদায়েই এক সনাতন নৈতিক নিয়মৰ অস্তিত্বক বিশ্বাস কৰে। সমগ্র বিশ্ব জগত এক নৈতিক নিয়মৰ দ্বাৰা পৰিচালিত। সমগ্র বিশ্ব জগতৰ উৎপত্তি, গতি, স্থিতি, বিনাশৰ অন্তৰালত এক অপৰিৱর্তনীয় নৈতিক শক্তি নিহিত হৈ আছে।এই নৈতিক নিয়মক ঋগ্‌বেদত ঋত বুলি কোৱা হৈছে। এই ঋতেই প্রাকৃতিক আৰু নৈতিক এই দুয়ো জগতৰ নিয়ন্ত্রণকর্তা। এই নৈতিক নিয়মক বেলেগ বেলেগ দর্শনত বেলেগ বেলেগ নামেৰে নামকৰণ কৰা হৈছে। যেনে— মীমাংসা দর্শনত 'অপূর্ব', ন্যায়-বৈশেষিক দর্শনত 'অদৃষ্ট' আদি। দৰাচলতে সকলো দার্শনিক শাখাৰে স্পষ্ট মত যে জগতখন এক সনাতন নৈতিক নিয়মৰ অধীন।

ঘ) **আত্মাৰ অস্তিত্বত বিশ্বাস ঃ** চার্বাক আৰু বৌদ্ধ দৰ্শনৰ বাহিৰে ভাৰতীয় দৰ্শনৰ আটাইবোৰ সম্প্রদায়ে এটা পৰম নিত্য শুদ্ধ সত্তাৰ অস্তিত্ব স্বীকাৰ কৰে, সেইটোৱেই হৈছে আত্মা বা পুৰুষ। আত্মা বা পুৰুষেই একমাত্র সত্য। ইয়াৰ বাহিৰে জগতখনত একোৱেই নিত্য নহয়।

ঙ) **কৰ্মবাদ আৰু জন্মান্তৰত বিশ্বাস ঃ** ভাৰতীয় দৰ্শনে কৰ্মবাদ আৰু জন্মান্তৰবাদত বিশ্বাস কৰে। কৰ্মবাদৰ সাৰমৰ্ম হ'ল— ব্যক্তিৰ জীৱনৰ সুখ দুখ ব্যক্তিৰেই কৃত কৰ্মৰ ফল। এগৰাকী ব্যক্তিৰ বৰ্তমান জীৱনৰ সুখ-দুখ অতীত জীৱনৰ কৰ্মফল। আনহাতে বৰ্তমান জীৱনৰ কৰ্মৰাজিয়ে ভৱিষ্যত জীৱনৰ গতি নিৰ্ধাৰণ কৰে। ভাৰতীয় দাৰ্শনিকসকলৰ মতে ব্যক্তিসকলৰ মাজত দেখিবলৈ পোৱা বৈষম্যতাৰ মূল কাৰণ হৈছে কৰ্মনীতি। কৰ্মবাদ অনুসৰি কৰ্মফলৰ আশা পৰিত্যাগ কৰি নিষ্কাম কৰ্মৰ জৰিয়তে ব্যক্তিয়ে তেওঁৰ অদৃষ্টক জয় কৰিব পাৰে। জন্মান্তৰবাদৰ অৰ্থ হৈছে মানুহে নিজ কৰ্মৰ ফল ভোগ কৰিবৰ বাবে বাৰে বাৰে জগতত জন্ম লাভ কৰা। দৰাচলতে অজ্ঞানতাৰ বশৱৰ্তী হৈ মানুহে কামনা বাসনাত লিপ্ত হৈ পৰে আৰু মায়াভৰা সংসাৰৰ ক্ষণস্থায়ী সুখ-সম্ভোগৰ পিছত ঢাপলি মেলে আৰু বন্ধনত আৱদ্ধ হয়। তত্ত্বজ্ঞান লাভ কৰিলেহে ব্যক্তিৰ জ্ঞানচক্ষু মুকলি হয়। তত্ত্বজ্ঞানৰ দ্বাৰা অবিদ্যাৰ বিনাশ হয়, কৰ্ম বন্ধন নাইকিয়া হয়। কৰ্মৰ বন্ধন নাইকীয়া হ'লে ব্যক্তিয়ে মুক্তি লাভ কৰে।

চ) **সত্যৰ নিৰন্তৰ ধ্যান ঃ** ভাৰতীয় দৰ্শনৰ মতে কোনো এটা বিষয়বস্তুৰ সত্য বা জ্ঞান লাভ কৰি সেই অনুসৰি কৰ্ম কৰিলেহে সম্যক্ জ্ঞান লাভ কৰিব পাৰি। কিন্তু নৈতিক শুচিতা বা আত্মসংযম আৰু ধ্যান নহ'লে সম্যক্ জ্ঞান লাভ কৰিব নোৱাৰি। আত্মসংযম আৰু ধ্যানে বিষয়ৰ প্ৰতি থকা মানুহৰ আসক্তি দূৰ কৰি সম্যক্ জ্ঞান লাভ কৰাত সহায় কৰে। সম্যক্ জ্ঞানৰ জৰিয়তে অজ্ঞানতাৰ বিনাশ হয় আৰু ব্যক্তিয়ে মোক্ষ বা মুক্তি লাভ কৰিবলৈ সক্ষম হয়।

ছ) **মোক্ষ জীৱনৰ পৰম পুৰুষাৰ্থ ঃ** চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় দৰ্শনৰ সকলো সম্প্ৰদায়ে মোক্ষক জীৱনৰ পৰম পুৰুষাৰ্থ বুলি স্বীকাৰ কৰিছে। অৱশ্যে মোক্ষৰ স্বৰূপ সম্পৰ্কে ভাৰতীয় দাৰ্শনিকসকল একমত নহয়। মানৱ জীৱন দুখেৰে পৰিপূৰ্ণ। দুখৰ অৱসান ঘটাই মোক্ষ লাভ কৰাটোৱেই আত্যন্তিক দুখ মুক্তি। অনেকে আকৌ মুক্তিক এক আনন্দময় অৱস্থা বুলি বৰ্ণনা কৰিছে। মোক্ষ লাভ কৰাৰ উপায় আৰু মোক্ষৰ নামকৰণ যদিওবা বেলেগ বেলেগ দাৰ্শনিক সম্প্ৰদায়ে ভিন্ ভিন্ ভাৱে দাঙি ধৰিছে তথাপি ই যে এক দুখবিহীন অৱস্থা সেই বিষয়ে সকলো দাৰ্শনিক শাখা একমত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ দৰ্শন শব্দটো সংস্কৃত কি ধাতুৰ পৰা উৎপত্তি হৈছে?

.....

.....

প্ৰশ্ন ২ ঃ ঋগ্বেদৰ কোনবোৰ সূক্তত দাৰ্শনিক চিন্তাধাৰাৰ পৰিচয় পোৱা যায়?

.....

প্ৰশ্ন ৩ ঃ ষড়্‌দৰ্শন বুলিলে কি বুজায় লিখক।

.....

.....

প্ৰশ্ন ৪ ঃ আস্তিক আৰু নাস্তিক শব্দৰ অৰ্থ লিখক।

.....

.....

১.৭ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ চমু পৰিচয়

এতিয়া আপুনি ভাৰতীয় দৰ্শনৰ সম্প্ৰদায়সমূহৰ বিষয়ে জানিব পাৰিব। প্ৰথমে **আস্তিক দৰ্শন**ৰ বিষয়ে জানিব।

ক) **সাংখ্য দৰ্শন ঃ** ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ ভিতৰত সাংখ্য দৰ্শনৰ নাম প্ৰাচীন গ্ৰন্থৰাজিত বেছিকৈ উপলব্ধ। উপনিষদ, মহাভাৰত, মনুসংহিতা, চৰকসংহিতা, গীতা, ব্ৰহ্মসূত্ৰ আদি গ্ৰন্থত সাংখ্য মতৰ বিষয়ে পোৱা যায়। শ্বেতাশ্বতৰ উপনিষদত পোৱা যায় যে, সাংখ্যদৰ্শনৰ প্ৰণেতা কপিল। সাংখ্যদৰ্শনৰ বহুকেইখন মৌলিক গ্ৰন্থ কালৰ বুকুত বিলীন হৈছে। 'সংখ্যা' শব্দটোৰ পৰা 'সাংখ্য' নামৰ উৎপত্তি হৈছে বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। মূল তত্ত্বৰ সংখ্যা নিৰূপণ কৰি তাৰ তাত্ত্বিক উপলব্ধিৰ দ্বাৰা মোক্ষ লাভ কৰাটোৱেই হৈছে সাংখ্য দৰ্শনৰ মূল উদ্দেশ্য। সাংখ্য দৰ্শনত ২৫টি তত্ত্বৰ কথা উল্লেখ আছে। এই দৰ্শনৰ মতে জগত সৃষ্টিৰ মূল হ'ল পুৰুষ আৰু প্ৰকৃতি। পুৰুষেই আত্মা। প্ৰকৃতি তিনিটা গুণৰ (সত্ত্বঃ, ৰজ ঃ আৰু তমঃ) সমষ্টি। তিনিটা গুণৰ হ্ৰাস-বৃদ্ধি হ'লেই প্ৰকৃতিৰ মাজত আলোড়নৰ সৃষ্টি হয় আৰু তাৰ ফলত জগত সৃষ্টি হয়। সাংখ্য দৰ্শনৰ এটি উল্লেখযোগ্য মতবাদ হ'ল— কাৰ্য্যকাৰণবাদ। অৰ্থাৎ প্ৰতিটো কাৰ্য্যই উৎপত্তিৰ আগতে অব্যক্ত অৱস্থাত কাৰণত নিহিত হৈ থাকে। যি কোনো কাৰ্য্যকাৰণৰ পৰা অভিন্ন। গতিকে ত্ৰিগুণাত্মিকা প্ৰকৃতিৰ পৰা যি সৃষ্টি হয়, সেই সকলোবোৰ ত্ৰিগুণযুক্ত।

খ) **যোগদৰ্শন ঃ** 'যোগ' শব্দৰ অৰ্থ 'চিত্তবৃত্তিৰ নিৰোধ'। বুদ্ধি, অহঙ্কাৰ আৰু মনক একেলগে চিত্ত বুলি কোৱা হয়। চিত্তৰ পৰিৱৰ্তনকে 'বৃত্তি' বোলে। চিত্তৰ বৃত্তিয়েই হৈছে বিষয়ৰ জ্ঞান। চিত্তৰ বৃত্তিৰ নিৰোধৰ ফলত অবিদ্যা বা অজ্ঞানতা দূৰ হয়, ফলত পুৰুষে প্ৰকৃতিৰ পৰা নিজৰ পাৰ্থক্য উপলব্ধি কৰিব পাৰে। এই পাৰ্থক্য জ্ঞানেই হৈছে মোক্ষ। যোগদৰ্শনত অষ্টাঙ্গযোগৰ কথা আছে। অষ্টাঙ্গযোগেই চিত্তবৃত্তিনিৰোধৰ কাৰণ। যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি হ'ল অষ্টাঙ্গযোগ।

সাংখ্য আৰু যোগদৰ্শন সমানতান্ত্ৰিক দৰ্শন। কিন্তু যোগদৰ্শন হ'ল ঈশ্বৰবাদী দৰ্শন, আনহাতে সাংখ্যদৰ্শন নিৰীশ্বৰবাদী। সেয়ে সাংখ্যক নিৰীশ্বৰ সাংখ্য আৰু যোগক সেশ্বৰ সাংখ্য বুলি কোৱা হয়।

গ) **ন্যায়দৰ্শন ঃ** ন্যায় দৰ্শনৰ প্ৰণেতা মহৰ্ষি গৌতম। ন্যায়দৰ্শনে **ষোল্লটা পদাৰ্থ** স্বীকাৰ কৰে।এই পৃথিৰীত যিমানবোৰ বস্তু আছে, সেই সকলোবোৰ এই ষোল্লটা পদাৰ্থৰ অন্তৰ্গত।



ষোল্লটা পদাৰ্থ হ'ল— প্ৰমাণ, প্ৰমেয়, সংশয়, প্ৰয়োজন, দৃষ্টান্ত, সিদ্ধান্ত, অৱয়ব, তৰ্ক, নিৰ্ণয়, বাদ, জল্প, বিতণ্ডা, হেত্বাভাস, ছল, জাতি আৰু নিগ্ৰহ স্থান।

এই পদাৰ্থসমূহৰ যথাৰ্থ জ্ঞান লাভ কৰিলেই মোক্ষ লাভ হয়। 'যুক্তি-তৰ্কৰ দ্বাৰা মীমাংসাত উপনীত হ'ব পাৰি'— এই কথা ন্যায়শাস্ত্ৰত আলোচনা কৰা আছে। নব্য-নৈয়ায়িকসকলে জগতৰ স্ৰষ্টা হিচাপে ঈশ্বৰক বিশ্বাস কৰে। সাংখ্য দৰ্শনে স্বীকাৰ কৰা কাৰ্য্যকাৰণ তত্ত্বটো ন্যায়দৰ্শনে অলপ পৰিৱৰ্তিত ৰূপত বিশ্বাস কৰে। ন্যায়দৰ্শনৰ মতে কাৰ্য্যকাৰণ তত্ত্বটো কেৱল বস্তুৰ ক্ষেত্ৰতেই নহয়, ই সমগ্ৰ বিশ্ব প্ৰকৃতি আনকি আমাৰ দৈনন্দিন জীৱনক জুৰি আছে। 'যেনে কৰ্ম তেনে ফল'— কাৰ্য্যকাৰণৰ এই নৈতিক নিয়মটো এটা অলংঘনীয় জাগতিক নিয়ম, যাক ঋত বুলি কোৱা হয়। সঞ্চিত কৰ্মফলকে অদৃষ্ট বোলা হয়। জীৱই নিজৰ অদৃষ্ট পৰিচালনা কৰিব নোৱাৰে। সৰ্বজ্ঞ, সৰ্বশক্তিমান ঈশ্বৰে অদৃষ্ট অনুসৰি জীৱৰ ফলভোগৰ ব্যৱস্থা কৰে।

সাতবিধ পদাৰ্থহ'ল — দ্ৰব্য, গুণ, কৰ্ম, সামান্য, বিশেষ, সমবায় আৰু অভাৱ।

ঘ) **বৈশেষিক দৰ্শন ঃ** মহৰ্ষি কণাদ বৈশেষিক দৰ্শনৰ প্ৰৱৰ্তক। জীৱৰ স্বৰূপ কি ? জীৱ আৰু ঈশ্বৰৰ সম্পৰ্ক কেনেকুৱা ? জগতৰ উৎপত্তি কেনেদৰে হ'ল ? এনেধৰণৰ কঠিন প্ৰশ্নৰ বিচাৰ এই দৰ্শনত পোৱা যায়। বৈশেষিক দৰ্শনে **সাতবিধ পদাৰ্থ** স্বীকাৰ কৰে। এইবোৰৰ ভিতৰত 'বিশেষ' নামৰ পদাৰ্থবিধ উল্লেখযোগ্য। 'বিশেষ'ৰ পৰাই এই দৰ্শনৰ নাম বৈশেষিক দৰ্শন হৈছে। অস্তিত্বশীল সকলো জ্ঞেয় বস্তুৱেই পদাৰ্থ। বৈশেষিক দৰ্শনৰ পদাৰ্থ তত্ত্বৰ বিশ্লেষণৰ লগত আধুনিক বিজ্ঞানৰ পদাৰ্থৰ ব্যাখ্যাৰ সাদৃশ্য দেখা যায়। এই দৰ্শনৰ মতে জাগতিক সকলো বস্তু কিছুমান ক্ষুদ্ৰ অৱয়ৱৰ দ্বাৰা গঠিত। এই অৱয়ৱসমূহৰ ক্ষুদ্ৰতম অৱয়ৱ হ'ল পৰমাণু। এই পৰমাণুক আৰু ভাগ কৰিব নোৱাৰি, কাৰণ এই পৰমাণুসমূহ একো একোটি 'বিশেষ' অৰ্থাৎ প্ৰত্যেক পৰমাণুৰ মাজতে একো একোটি ধৰ্ম বা বৈশিষ্ট্য আছে। ক্ষিতি, অপ্, তেজ, মৰুৎ— এই চাৰি প্ৰকাৰৰ পৰমাণুপুঞ্জৰ পৰা সৃষ্টি হৈছে চৰাচৰ সমস্ত জগত। কিন্তু জগত সৃষ্টিৰ বাবেও প্ৰয়োজন হয় 'বিশেষ' নামৰ পদাৰ্থৰ প্ৰভাৱ। কিন্তু এটা কথা অনস্বীকাৰ্য্য যে বৈশেষিকসকলে যদিও পৰমাণুতত্ত্বৰ দ্বাৰা জগত আৰু সৃষ্টিৰ ব্যাখ্যা কৰিছে, ই ভাৰতীয় দৰ্শনৰ আধ্যাত্মিকতাৰ সীমা পাৰ হৈ যোৱা নাই। তেওঁলোকৰ মতে পৰমাণুবোৰ এক প্ৰকাৰ আধ্যাত্মিক সত্তা, এইবোৰ বস্তুবাদ নহয়। আত্মা, মন, ইন্দ্ৰিয় আদি পৰমাণুৰে তৈয়াৰী শৰীৰৰ মাজত থাকিয়েই নিজা নিজা কৰ্মফল ভোগ কৰি ক্ৰমে ই আধ্যাত্মিক বিকাশৰ পথত অগ্ৰসৰ হয়।

ঙ) **মীমাংসা দৰ্শন ঃ** বেদৰ কৰ্মকাণ্ডভাগেই হ'ল মীমাংসা দৰ্শনৰ ভিত্তি। 'মীমাংসা' শব্দৰ অৰ্থ বিচাৰ। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে ধৰ্মৰ অৰ্থ ব্যাখ্যা কৰা। বেদৰ কৰ্মকাণ্ডত যিবোৰ কৰ্মৰ বিধান দিয়া আছে, সেই বিষয়সমূহৰ সমালোচনাত্মক বিশ্লেষণ কৰি বিধানসমূহৰ যথাৰ্থতা প্ৰতিপন্ন কৰাই এই দৰ্শনৰ উদ্দেশ্য। বেদৰ পূৰ্বভাগ অৰ্থাৎ কৰ্মকাণ্ডৰ বিষয়ে আলোচনা কৰা বাবে এই দৰ্শনক 'পূৰ্ব-মীমাংসা' বুলিও অভিহিত কৰা হয়। মীমাংসা দৰ্শনে সকলো দেৱ-দেৱীৰ অস্তিত্ব স্বীকাৰ কৰিছে যদিও তেওঁলোকে মত পোষণ কৰে যে জীৱ-জগত সৃষ্টিৰ বাবে কোনো অসীম অনন্ত বোধশক্তিসম্পন্ন ঈশ্বৰৰ প্ৰয়োজন নাই। কৰ্মৰ অন্তৰ্নিহিত শক্তি অদৃষ্টই জগত আৰু জীৱক পৰিচালনা কৰি আহিছে।

বেদোক্ত বিধান অনুসৰি কৰ্মই একমাত্ৰ ধৰ্ম। এই বিধানসমূহ যথাযথভাৱে পালন কৰিলে ধৰ্ম লাভ হয় আৰু সেই ধৰ্মৰ দ্বাৰাই পাৰমার্থিক উদ্দেশ্যত উপনীত হ'ব পাৰি। গতিকে একে আষাৰতে ক'ব পাৰি মীমাংসা-দৰ্শন ঈশ্বৰবিহীন নৈতিক বাস্তৱবাদ।

চ) **বেদান্ত দৰ্শন ঃ** বেদান্ত দৰ্শনে বেদৰ জ্ঞান-কাণ্ডৰ ওপৰত গুৰুত্ব দি তাক বিশ্লেষণ কৰি তাৰ যথার্থতা প্ৰমাণ কৰিছে। উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰ হ'ল বেদান্ত দৰ্শনৰ মূলগ্ৰন্থ। 'বেদান্ত' মানে হ'ল বেদৰ অন্ত ভাগ অর্থাৎ উপনিষদ। উপনিষদৰ সাৰভাগ সংগ্ৰহ কৰি বাদৰায়ণে 'ব্ৰহ্মসূত্ৰ' ৰচনা কৰে। ব্ৰহ্মসূত্ৰৰ মূল প্ৰতিপাদ্য বিষয় হ'ল 'ব্ৰহ্ম'। ব্ৰহ্ম নির্গুণ, নিৰাকাৰ, অনাদি অনন্ত। ব্ৰহ্ম আৰু জগত যথাক্ৰমে কাৰণ আৰু কার্য্য হিচাপে অভিন্ন। 'ব্ৰহ্মসূত্ৰ'ৰ ওপৰত পৰৱর্তী পর্য্যায়ত বহুতো ভাষ্য ৰচনা হয়। ব্ৰহ্ম আৰু জগতৰ স্বৰূপ সম্বন্ধে তেওঁলোকে নিজা নিজা যুক্তি আগবঢ়োৱাৰ ফলত বেদান্ত দৰ্শনৰ পাঁচটা সম্প্ৰদায়ৰ সৃষ্টি হয়। সেইকেইটা হ'ল— শঙ্কৰাচার্য্যৰ অদ্বৈতবাদ, ৰামানুজাচার্য্যৰ বিশিষ্টাদ্বৈতবাদ, মধ্বাচার্য্যৰ দ্বৈতবাদ, নিম্বার্কাচার্য্যৰ দ্বৈতাদ্বৈতবাদ আৰু বল্লভাচার্য্যৰ শুদ্ধাদ্বৈতবাদ। ব্ৰহ্মৰ সৈতে জীৱ আৰু জগতৰ সম্বন্ধ নিৰূপণ তথা পৰমার্থৰ লক্ষণক লৈ আচলতে তেওঁলোকৰ মাজত মতানৈক্য হয়। শঙ্কৰাচার্য্যৰ মতে জীৱ আৰু ব্ৰহ্ম একে, জগতখন ব্ৰহ্মৰেই অৱভাস। ৰামানুজৰ মতে ব্ৰহ্ম বিশিষ্ট অর্থাৎ ভিন্নতাৰ মাজত এটা আংগিক ঐক্য আছে। জীৱ আৰু জগত ঈশ্বৰৰ পৰিণাম। মধ্বৰ মতে জীৱ আৰু ব্ৰহ্ম দুটা বেলেগ বস্তু। সিহঁতৰ স্বতন্ত্ৰ যথার্থ অস্তিত্ব আছে। নিম্বার্কৰ মতে জীৱ আৰু ব্ৰহ্মৰ স্বতন্ত্ৰ অস্তিত্ব আছে যদিও জীৱ ব্ৰহ্মৰ ওপৰত নির্ভৰশীল। ব্ৰহ্ম তাদাত্মিকতা আৰু ভিন্নতাৰ সমষ্টি। বল্লভৰ মতে ব্ৰহ্ম অদ্বিতীয়। ব্ৰহ্মই স্বইচ্ছাই নিজ শক্তি মায়াৰ দ্বাৰা নিজকে জগত ৰূপে প্ৰকাশ কৰিছে। জগতখন অযথার্থ নহয়। ব্ৰহ্ম আৰু জগত উভয়েই শুদ্ধ আৰু অভিন্ন।

নাস্তিক দৰ্শন ঃ

ক) **চার্বাক দৰ্শন ঃ** চার্বাক দৰ্শন জড়বাদী দৰ্শন। কিছুমান দার্শনিকৰ মতে বৃহস্পতি হ'ল চার্বাক দৰ্শনৰ প্ৰতিষ্ঠাতা। আন কিছুমানৰ মতে চার্বাকসকলৰ জীৱনাদর্শ অথবা তেওঁলোকৰ কথাবোৰ শ্ৰুতিমধুৰ (চাৰু + বাক্ = চার্বাক) হোৱা বাবে এই মতৰ নাম চার্বাক দৰ্শন। চার্বাকৰ মতে বেদ অপৌৰুষেয় নহয়, ইয়াৰ কোনো সত্যতা নাই। ঈশ্বৰ, আত্মা, পৰলোক, কর্মফল, মুক্তি আদিৰ ধাৰণাবোৰ অসত্য। ক্ষিতি, অপ্, তেজ আৰু মৰুৎ এই চাৰি তত্ত্বৰ দ্বাৰা জাগতিক বস্তুবোৰ সৃষ্টি হৈছে। পৃথিৱীত পাপ-পুণ্য আদিৰ কোনো প্ৰকৃত স্থিতি নাই। দৈহিক সুখহে মানৱ জীৱনৰ একমাত্ৰ কাম্য বস্তু।

চার্বাক দৰ্শনৰ মতে প্ৰত্যক্ষই একমাত্ৰ প্ৰমাণ। অন্যান্য দৰ্শনে স্বীকাৰ কৰা অনুমান, উপমান, শব্দ আদি প্ৰমাণে কোনো জ্ঞান প্ৰদান কৰিব নোৱাৰে।

খ) **বৌদ্ধ দৰ্শন ঃ** গৌতম বুদ্ধ হ'ল বৌদ্ধ দৰ্শনৰ প্ৰৱর্তক। তিনিখন পিটকত এই দৰ্শনৰ সাৰমর্ম পোৱা যায়— বিনয় পিটক, সুত্ত পিটক আৰু অভিধর্ম পিটক। বুদ্ধদেৱৰ দৰ্শনৰ মূল কথা হ'ল— সংসাৰত সকলো ক্ষণস্থায়ী। মানুহে নিজৰ কর্মৰ ফলত মুক্তি লাভ

কৰিব পাৰে। বুদ্ধদেৱৰ মহা পৰিনিৰ্বাণৰ পিছত শিষ্যসকলৰ মাজত দাৰ্শনিক প্ৰশ্ন কিছুমান লৈ মতভেদ সৃষ্টি হোৱাৰ ফলত বৌদ্ধ ধৰ্ম দুভাগত ভাগ হয়— মহাযান আৰু হীনযান। বুদ্ধদেৱে বাস্তৱ জীৱনৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছিল। জীৱন মানেই দুখভোগ, এই দুখৰ কাৰণ আছে, এই দুখ নিৰোধ কৰিব পাৰি আৰু দুখ নিৰোধ কৰাৰ উপায় আছে— এই চাৰিটা সত্যই হ'ল বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ মুখ্য বিষয়। এই চাৰিটাক 'চাৰিটা আৰ্য্য-সত্য' বুলি জনা যায়। এই চাৰিটা আৰ্য্য-সত্যৰ মাজতে নিহিত হৈ আছে— বৌদ্ধ দাৰ্শনিক সম্প্ৰদায়ৰ মূল কথা। বুদ্ধৰ পৰৱৰ্তী শিষ্যসকলে তেওঁৰ নৈতিক শিক্ষাৰ পৰাই চাৰিটা ভিন্ন সম্প্ৰদায়ৰ সৃষ্টি কৰে— (১) মাধ্যমিক বা শূন্যবাদ, (২) যোগাচাৰ বা বিজ্ঞানবাদ, (৩) সৌত্ৰান্তিক আৰু (৪) বৈভাষিক। আত্যন্তিক দুখ নিবৃত্তিৰ বাবে বুদ্ধদেৱে অষ্টাঙ্গিক মাৰ্গৰ কথা উল্লেখ কৰিছে— সম্যক্ দৃষ্টি, সম্যক্ সঙ্কল্প, সম্যক্ বাক্, সম্যক্ কৰ্মান্ত, সম্যক্ আজীৱ, সম্যক্ ব্যায়াম, সম্যক্ স্মৃতি আৰু সম্যক্ সমাধি।

গ) **জৈন দৰ্শন ঃ** জৈন দৰ্শনৰ প্ৰৱৰ্তক হিচাপে কোনো বিশেষ ব্যক্তিৰ নাম পোৱা নাযায়। জনবিশ্বাস মতে চৌবিশজন **তীৰ্থঙ্কৰৰ** যোগেদি অনাদি কালৰে পৰা জৈন মতবাদ প্ৰচলিত হৈ আহিছে। ইয়াৰে প্ৰথমগৰাকীৰ নাম ঋষভ আৰু একেবাৰে শেষৰ গৰাকীৰ নাম মহাবীৰ। 'জৈন' শব্দটো 'জিন' শব্দৰ পৰা আহিছে। 'জিন' শব্দৰ অৰ্থ জয় কৰা।

তীৰ্থঙ্কৰ ঃ জীৱ বা মুক্ত আত্মাবোৰক তীৰ্থঙ্কৰ বোলা হয়।

জৈন দৰ্শনে ঈশ্বৰৰ অস্তিত্ব আৰু বেদৰ প্ৰামাণ্য অস্বীকাৰ কৰিছে, কিন্তু আত্মাৰ অস্তিত্ব স্বীকাৰ কৰিছে। তেওঁলোক বাস্তৱবাদী আৰু বহুসত্তাবাদী। অহিংসা আৰু সত্যই এই দৰ্শনত অধিক গুৰুত্ব লাভ কৰিছে। কালক্ৰমত জৈন ধৰ্মৰ অনুগামীসকল দিগম্বৰ আৰু শ্বেতাম্বৰ নামে দুটা সম্প্ৰদায়ত বিভক্ত হয়।

জৈন দৰ্শনৰ মতে দ্ৰব্য দুই প্ৰকাৰৰ—অস্তিকায় আৰু অনস্তিকায়। অনস্তিকায় দ্ৰব্য এটা— কাল। অস্তিকায় দ্ৰব্য দুই প্ৰকাৰৰ— জীৱ আৰু অজীৱ। জীৱ তিনি প্ৰকাৰৰ— নিত্যসিদ্ধ, বদ্ধ আৰু মুক্ত। অজীৱ চাৰিপ্ৰকাৰৰ— ধৰ্ম, অধৰ্ম, আকাশ আৰু পুদ্‌গল। জৈন দৰ্শনে শৰীৰ আৰু মনৰ সংযমৰ বাবে তিনিটা পথ দিছে যাক 'ত্ৰিৰত্ন' বোলা হয়। সেয়া হ'ল— সম্যক দৰ্শন, সম্যক্ জ্ঞান আৰু সম্যক্ চাৰিত্ৰ। সম্যক্ চৰিত্ৰ গঠনৰ বাবে পঞ্চ মহাব্ৰতৰ উল্লেখ কৰিছে— অহিংসা, সত্য, অস্তেয়ম্, ব্ৰহ্মচৰ্য্য আৰু অপৰিগ্ৰহ। জৈন দৰ্শনৰ মতে জ্ঞান দুই প্ৰকাৰৰ— পৰোক্ষ আৰু অপৰোক্ষ। প্ৰমাণ তিনি প্ৰকাৰৰ— প্ৰত্যক্ষ, অনুমান আৰু শব্দ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ সাংখ্য দৰ্শনৰ উল্লেখ থকা দুখন প্ৰাচীন গ্ৰন্থৰ নাম লিখক।

.....

প্ৰশ্ন ৬ ঃ 'যোগ' শব্দৰ অৰ্থ লিখক।

.....

প্ৰশ্ন ৭ ঃ 'সাংখ্যদৰ্শন নিৰীশ্বৰবাদী দৰ্শন' —'সঁচা' নে 'মিছা' লিখক।

.....

প্ৰশ্ন ৮ ঃ 'বিশেষ' নামৰ পদাৰ্থটো কোনটো দাৰ্শনিক সম্প্ৰদায়ে স্বীকাৰ কৰে?

.....

প্ৰশ্ন ৯ ঃ বেদান্ত দৰ্শনৰ মূল গ্ৰন্থকেইখনৰ নাম লিখক।

.....

প্ৰশ্ন ১০ ঃ 'জৈন' শব্দটো কি শব্দৰ পৰা উৎপত্তি হৈছে?

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দৰ্শন শব্দৰ অৰ্থ জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে অৱগত হ'লোঁ।
- ভাৰতীয় দৰ্শনৰ সাধাৰণ শ্ৰেণীবিভাগ সম্পৰ্কে জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ আস্তিক আৰু নাস্তিক দুয়োটা সম্প্ৰদায়ৰে সকলো শাখাৰ চমু পৰিচয় জানিব পাৰিলোঁ।



১.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমল ভূষণ (১৯৯৪); *ভাৰতীয় দৰ্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); *ভাৰতীয় দৰ্শনত এভুমুকি;* গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ,ভট্টাচাৰ্য্য,নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখাৰ্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.

2) Dasgupta, Surendranath (1999); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD.

১.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ √ দৃশ্ ধাতুৰ পৰা দৰ্শন শব্দৰ উৎপত্তি হৈছে।

২নং প্রশ্নৰ উত্তৰ ঃ পুৰুষ সূক্ত, দেৱী সূক্ত, হিৰণ্যগৰ্ভ সূক্ত, নাসদীয় সূক্ত আদিত।

৩নং প্রশ্নৰ উত্তৰ ঃ সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত— এই ছটা আস্তিক দৰ্শনক ষড়্দৰ্শন বুলি কোৱা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ বেদৰ প্রামাণ্যক স্বীকাৰ কৰা দার্শনিক সম্প্রদায়ক অস্তিক আৰু বেদৰ প্রামাণ্যক স্বীকাৰ নকৰা সম্প্রদায়সমূহ হ'ল নাস্তিক।

৫নং প্রশ্নৰ উত্তৰ ঃ শ্বেতাশ্বতৰ উপনিষদ, চৰকসংহিতা আদি।

৬নং প্রশ্নৰ উত্তৰ ঃ 'যোগ' শব্দৰ অর্থ হ'ল— 'চিত্ত বৃত্তিৰ নিৰোধ।'

৭নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৮নং প্রশ্নৰ উত্তৰ ঃ বৈশেষিক দৰ্শনে।

৯নং প্রশ্নৰ উত্তৰ ঃ উপনিষদ, গীতা আৰু ব্রহ্মসূত্র।

১০নং প্রশ্নৰ উত্তৰ ঃ 'জৈন' শব্দটো 'জিন' শব্দৰ পৰা উৎপত্তি হৈছে।



১.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'দৰ্শন' শব্দটোৰ অর্থ লিখক।

প্রশ্ন ২ ঃ 'ষড়্দৰ্শন' মানে কি লিখক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ সাংখ্য দৰ্শনৰ চমু পৰিচয় লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্রমবিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ বহলাই লিখক।

*** ***** ***

অধ্যায় ২ঃ উপনিষদ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ উপনিষদৰ সংখ্যা আৰু নামবোৰ
২.৪ উপনিষদৰ প্ৰবক্তা সকল
২.৫ প্ৰধান উপনিষদবোৰৰ চমু পৰিচয়
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উপনিষদ সাহিত্যৰ আভাস পাব
- উপনিষদ শব্দৰ ব্যুৎপত্তি আৰু তাৎপর্য বুজি পাব
- উপনিষদৰ সংখ্যা আৰু নামবোৰ জানিব পাৰিব
- উপনিষদৰ প্ৰৱক্তাসকলৰ নাম জানিব পাৰিব
- প্ৰধান ওঠৰখন উপনিষদৰ চমু পৰিচয় পাব
- উপনিষদৰ বিষয়বস্তুৰ আভাস পাব।

২.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰিলে আপুনি বেদান্ত দর্শনৰ মূল বা গুৰি কথাৰে পৰিচিত হ'ব পাৰিব। আপুনি জানো যে বেদৰ অন্তিম ভাগটো বেদান্ত নামেৰে পৰিচিত। এই বেদান্তকে উপনিষদ বোলা হয়। এই অধ্যায়ত আমি উপনিষদবোৰৰ বিষয়বস্তুলৈ আপোনাৰ মনোযোগ আকর্ষণ কৰাৰ চেষ্টা কৰিছোঁ।

এই অধ্যায়ত আমি ঈশ, কেন, ঐতৰেয়, মাণ্ডুক্য প্ৰভৃতি ক্ষুদ্ৰ পৰিসৰৰ আৰু বৃহদাৰণ্যক আৰু ছান্দোগ্যৰ দৰে বৃহৎ উপনিষদেৰেও পৰিচিত কৰিবলৈ চেষ্টা কৰিছো।

উপনিষদৰ বিষয়বস্তুৰ ওপৰত বেদান্তদর্শন প্ৰতিষ্ঠিত। বেদান্তৰ তিনি প্ৰস্থানৰ ভিতৰত উপনিষদবোৰক শ্ৰুতি প্ৰস্থান বোলা হয়। শ্ৰীমদভগৱদগীতা আৰু ব্ৰহ্মপুত্ৰ অন্য দুই প্ৰস্থান, ক্ৰমে স্মৃতি আৰু প্ৰকৰণ প্ৰস্থান বুলি জনাজাত।

উপনিষদ সম্বন্ধীয় বর্তমান অধ্যায়ৰ অধ্যয়নে আপোনাক বেদান্ত দর্শনৰ গুৰি কথা বুজাত সহায় কৰিব। ইয়াৰ অধ্যয়নে আত্মতত্ব বা ব্রহ্মতত্ত্বৰ সৈতে আপোনাক পৰিচিত কৰিব।

শেষৰ এটা ভাগত উপনিষদবোৰে কেনেকৈ বিদেশত প্রচাৰিত হ'ল, তাকো জনাত এই অধ্যায়ৰ অধ্যয়নে আপোনাক সহায় কৰিব।

উপনিষদৰ সাধাৰণ পৰিচয়ে অধ্যেতাক আধ্যাত্মিক ভাবৰ প্রতি আকর্ষণ কৰিব। কাৰণ, উপনিষদবোৰে মানুহক অধ্যাত্মবিদ্যাৰ প্রতি অৱগত হ'বলৈ শিকায়।

২.৩ উপনিষদৰ সংখ্যা আৰু নামবোৰ

উপনিষদসমূহক মুখ্য আৰু গৌণ বুলি দুভাগত ভাগ কৰা দেখা যায়।

মুখ্য উপনিষদ কোনো পণ্ডিতৰ মতে দহখন, কাৰো মতে তেৰখন বা চৈধ্যখন। অষ্টম শতিকাত শঙ্কৰাচার্যই ভাষ্য ৰচনা কৰা উপনিষদবোৰকে মুখ্য বোলা হয়। মুক্তিকোপনিষদৰ এটা শ্লোকত সেই দহখন উপনিষদৰ নাম এনেদৰে দিছে ঃ

ঈশকেনকঠপ্রশ্নমুণ্ডকমাণ্ডূক্যতিত্তিৰিঃ।
ঐতৰেয়ং চ ছান্দোগ্যঞ্চবৃহদাৰণ্যকংতথা।।

চাৰিবেদ অনুসৰি এই চৈধ্যখন উপনিষদৰ ভাগবোৰ হ'ল—
ঋগ্বেদীয়—ঐতৰেয় আৰু কৌষীতাকীব্রাহ্মণোপনিষদ্।
সামবেদীয়—ছান্দোগ্য আৰু কেন।
শুক্লযজুর্বেদীয়—ঈশ আৰু বৃহদাৰণ্যক।
কৃষ্ণযজুর্বেদীয়—কঠ, শ্বেতাশ্বতৰোপনিষদ, তৈত্তিৰীয়, মৈত্রায়েণী আৰু মহানাৰায়ণ
অথর্ববেদীয়—প্রশ্ন, মুণ্ডক আৰু মাণ্ডুক্য।
মুক্তিকোপনিষদণ্ড এশ আঠখন উপনিষদৰ তালিকা এখন পোৱা গৈছে। তাত দহখন ঋগ্বেদীয়, ঊনৈশখন শুক্ল যজুর্বেদীয়, বত্রিশখন কৃষ্ণ যজুর্বেদীয়, ষোল্লখন সামবেদীয় আৰু একত্রিশখন অথর্ববেদীয় উপনিষদৰ নাম পোৱা গৈছে।

২.৪ উপনিষদৰ প্রবক্তাসকল

বৈদিক মন্ত্রবোৰ দর্শন কৰা ঋষিসকলৰ দৰে উপনিষদৰ দার্শনিক তত্ত্বৰ প্রবক্তা এচামেও উত্তৰ বৈদিক যুগত জন্মগ্রহণ কৰিছিল। তাৰ ভিতৰত নাৰদ, সনৎকুমাৰ, ইন্দ্র, বৰুণ, বিৰোচন আদি উল্লেখযোগ্য। তেওঁলোকৰ উপৰিও মহী দাস ঐতৰেয়, ৰৈক্ক, শাণ্ডিল্য, সত্যকাম জাবাল, গৌতম, জৈবালী, উপকেসেল, উদ্দালক, শ্বেতকেতু, ভাৰদ্বাজ, গার্গ্যায়ন, প্রতর্দন, বালাকি, অজাত শত্রু, যাজ্ঞবল্ক্য, গার্গী, মৈত্রেয়ী, আৰু জনকৰ নাম উল্লেখযোগ্য। এইসকলৰ ভিতৰত উদ্দালক আৰুণি আৰু যাজ্ঞবল্ক্য শ্রেষ্ঠ আছিল।

২.৫ প্রধান উপনিষদবোৰৰ চমু পৰিচয়

এতিয়া আপুনি প্রধান উপনিষদবোৰৰ বিষয়ে পঢ়িবলৈ পাব।

১) বৃহদাৰণ্যক উপনিষদ ঃ

এইখন উপনিষদ শতপথ ব্রাহ্মণৰ শেষছোৱাত অন্তর্ভুক্ত হৈছে। ইয়াত ছটা অধ্যায় আছে। তাৰে প্রথম দুটা অধ্যায়ক মধুকাণ্ড, তৃতীয় আৰু চতুর্থ অধ্যায়ক মুনিকাণ্ড আৰু পঞ্চম আৰু ষষ্ঠ অধ্যায়ক খিলকাণ্ড বোলা হয়।

প্রথম অধ্যায়ত অশ্বমেধ ৰহস্য, প্রাণোপাসনা, আত্মবিদ্যা, ব্রহ্মবিদ্যা আদি বিষয়ৰ আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত আছে আত্মবিদ্যাৰ আলোচনা, যত 'নেতি নেতি' বুলি ব্রহ্মবিদ্যাৰ তত্ত্বৰ নির্দেশ কৰা গৈছে।

তৃতীয় অধ্যায়ত জনকৰ ৰাজসভাত কুৰু-পাঞ্চাল দেশীয় বিদ্বান ব্রাহ্মণসকলৰ সৈতে যাজ্ঞবল্ক্যৰ ব্রহ্ম বিষয়ক বাদ বিবাদৰ বর্ণনা পোৱা যায়। তাত অশ্বল, জাৰৎকাৰৰ আর্তভাগ, ভুজ্যু লাহ্যায়নি, উষস্ত চাক্রায়ণ, কহোল কৌষীতকেয়, গার্গী বাচক্নৱী, শাকল্য প্রভৃতিৰ প্রশ্নৰ যথোচিত উত্তৰ দান কৰে ব্রহ্মজ্ঞানী যাজ্ঞবল্ক্যই।

চতুর্থ অধ্যায়ত আছে জনক-যাজ্ঞবল্ক্য সংবাদ। তাত যাজ্ঞবল্কই আত্মতত্ব সম্বন্ধে জনকক বুজায় কয়। জনকে সন্তুষ্ট হৈ বিদেহ ৰাজ্য দান কৰি, নিজকে যাজ্ঞবল্ক্যৰ দাস ৰূপে আত্মসমর্পণ কৰে।

পঞ্চম অধ্যায়ত নীতি, সৃষ্টি আৰু পৰলোক বিষয়ৰ আলোচনা কৰা হৈছে। শেষলৈ গায়ত্রীবিদ্যাৰ আলোচনাও কৰা হৈছে।

ষষ্ঠ অধ্যায়ত প্রাণোপসনা পঞ্চাগ্নিবিদ্যা, শ্রীমন্থকর্ম, পুত্রমন্থকর্ম, বংশাখ্যানৰ আলোচনা কৰা হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত পূর্বৰ আলোচ্য বিষয়ৰ চর্বিত-চর্বণ কৰা বাবে দুয়ো অধ্যায়ক খিল বা পৰিশিষ্ট বোলা হৈছে।

২) ছান্দোগ্য উপনিষদ ঃ

সামবেদীয় ছান্দোগ্য ব্রাহ্মণৰ অন্তিম আঠটা অধ্যায়ক ছান্দোগ্য উপনিষদ বোলা হয়। ইয়াৰ প্রথম অধ্যায়ত ওঙ্কাৰ উপাসনা আৰু সামবেদীয় গূঢ় বিষয়ৰ আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত উদ্গীথৰ ভৌতিক-যাগানুষ্ঠানৰ বর্ণনা আৰু সামগানৰ উপাসনাৰ বর্ণনা দিয়া হৈছে।

তৃতীয় অধ্যায়ত সূর্যোপসনাৰ বর্ণনা আছে। তাৰ মাজত ধ্বনিত হৈছে অদ্বৈতবাদৰ এক মুখ্যমত 'সর্বং খলিবদং ব্রহ্ম।' চতুর্থ অধ্যায়ত ৰৈক্কৰ পৰা লাভ কৰা দার্শনিক তত্ত্ব আৰু সত্যকাম জাবালৰ বিদ্যা লাভৰ বর্ণনা পোৱা যায়।

পঞ্চম অধ্যায়ত প্রৱাহণ জৈৱলিৰ দার্শনিক সিদ্ধান্ত তথা কেকয় অশ্বপতিৰ সৃষ্টি বিষয়ক তথ্যৰ কথা কোৱা হৈছে। ষষ্ঠ প্রপাঠকত উদ্দালক আৰুণি আৰু তেওঁৰ পুত্র শ্বেতকেতুৰ মাজত আলোচ্য বেদান্তৰ মহাবাক্য 'তত্ত্বমসি'ৰ আলোচনা পোৱা যায়।

সপ্তম অধ্যায়ত আছে সনৎকুমাৰ আৰু নাৰদৰ বহু বিশ্রুত সংবাদ। তাত আন এক

সত্যৰ সন্ধান পোৱাযায়, 'য়ো বৈ ভূমা তদমৃতমথ যদল্পং তন্ মর্ত্যম।' এই ভূমাৰ স্বৰূপ জানিবলগীয়া।

অষ্টম অধ্যায়ত ইন্দ্ৰ আৰু বিৰোচনে ব্ৰহ্মাৰ ওচৰত কৰা আত্ম বিদ্যালাভৰ বৰ্ণনা আছে। এই উপনিষদত ভালেমান আখ্যান আছে।

৩) ঈশোপনিষদ ঃ

ৱাজসনেয়ী সংহিতা বা শুক্লযজুৰ্বেদৰ অন্তিম অধ্যায়কে (চত্বাৰিংশ অধ্যায়) ঈশোপনিষদ বুলি জনা যায়। ইয়াত মাত্ৰ ওঠৰটা সুন্দৰ অৰ্থবহ মন্ত্ৰ আছে।

প্ৰথমতে কোৱা হৈছে যে সমস্ত জগৎ ঈশ্বৰৰ দ্বাৰা পৰিব্যাপ্ত। তাৰ পাছত কোৱা হৈছে যে মানুহে কৰ্মৰ মাজেৰে শত বছৰীয়া জীৱন কটাব লাগে। কৰ্মত অনাসক্ত হৈ থাকিলে মানুহৰ মুক্তি লাভ হয়। বিদ্যা আৰু অৱিদ্যাৰ ব্যৱহাৰিক জ্ঞান এয়ে যে অৱিদ্যা বা কৰ্মৰ দ্বাৰা মৃত্যুক জয় কৰি বিদ্যাৰ বলত অমৃতত্ব লাভ কৰা সম্ভৱ। মুঠতে প্ৰথমবাৰলৈ এই ক্ষুদ্ৰ অৱয়বৰ অৰ্থবহ উপনিষদখনত জ্ঞানকৰ্ম সমুচ্চয়ৰ অৱতাৰণা কৰা হৈছে, যিটো ভগৱান কৃষ্ণই গীতাত প্ৰাঞ্জল ভাষাৰে তুলি ধৰিছে।

৪) কোনোপনিষদ ঃ

এইখন সামবেদৰ তলৱকাৰ ব্ৰাহ্মণৰ নৱম অধ্যায়ত অন্তৰ্ভুক্ত উপনিষদ। প্ৰথম মন্ত্ৰটো 'কেন' শব্দেৰে আৰম্ভ হোৱা বাবে উপনিষদখনৰ নামো কোনোপনিষদ হৈছে, যেনেকৈ 'ঈশা' শব্দৰে আৰম্ভ হোৱা উপনিষদ্‌খনক 'ঈশোপনিষদ্' বুলি কোৱা হৈছে।

এই ক্ষুদ্ৰ উপনিষদখন চাৰি খণ্ডত বিভক্ত। প্ৰথম দুটা খণ্ডত আছে বাক চকু, কান, মন আৰু প্ৰাণৰ বিবাদ, এই ইন্দ্ৰিয়বোৰে ব্ৰহ্মোপলব্ধিত মহান নকৰে ব্ৰহ্মজ্ঞান অতীন্দ্ৰিয় আৰু উপলব্ধৰ বিষয়। এই দুই খণ্ড পদ্যময়। গদ্যত ৰচিত পাছৰ দুই খণ্ড গদ্যময়। তাৰ মাজত বৰ্ণিত উমাৰ বৃত্তান্ত মনোগ্ৰাহী। এবাৰ দেৱতাসকলে অসুৰক যুদ্ধত জয় কৰি অহংকাৰত মত্ত হ'ল। তেতিয়া অদূৰত দেখা দিলে এক যক্ষই। যক্ষক দেখি দেৱতাসকলে তেওঁৰ স্বৰূপ জানিবলৈ প্ৰথমে বায়ুক পঠিয়ালে। বায়ুক ওচৰত দেখি যক্ষই সুধিলে, 'কোন তুমি'? 'তুমি কি কাম কৰা?' 'মই মহাবলী, বায়ু। মই লাগ বুলিলে সকলো উৰুৱাই নিব পাৰোঁ। 'হয় নেকি? 'বাৰু তুমি এই কূটাডালকে উৰুৱাই নিয়াচোন।' এই বুলি যক্ষই তেওঁৰ আগত কূটা এডাল থলে। বায়ুৱে সকলো শক্তি প্ৰয়োগ কৰিও কূটাগছ লৰাব নোৱৰিলে। লাজ পাই উভতি গ'ল। এইবাৰ যক্ষৰ পৰিচয় জানিবলৈ আহিল অগ্নি দেৱতা। ওচৰ আহি পোৱাত যক্ষই অগ্নিক সুধিলে, 'হেৰা বাপু, তুমি কোন' অগ্নিয়ে ক'লে, 'মই অগ্নিদেৱ' 'তুমি কি কৰা?' 'মই চকুৰ নিমিষতে জগতখন পুৰি ছাই কৰিব পাৰো।' বাপৰে, তুমিতো কম নোহোৱা।' সমুখৰ কূটাগছ দেখুৱাই যক্ষই ক'লে, 'কূটাগছকে পোৱাচোন চাওঁ।' অগ্নিয়ে মৰ বল দিও কূটা গছ হানি-বিঘিনি ঘটাব নোৱাৰিলে। লাজ পাই ফিৰি গ'ল। বিষয়ৰ গুৰুত্ব বুজি স্বয়ং দেবেন্দ্ৰ ওলাল যক্ষৰ ওচৰলৈ। কিন্তু তেওঁ গৈ পোৱাৰ আগতে যক্ষ নোহোৱা হ'ল। তেওঁৰ ঠাইতে দেখা গ'ল উমা মহেশ্বৰীক। তেওঁক দেখি ইন্দ্ৰই সুধিলে, 'ভগৱতি। অলপ আগতে তোমাৰ ঠাইত সেইজন কোন আছিল?' উমাই ক'লে, 'সেইজন

বিশ্ব নিয়ন্তা,পৰমেশ্বৰ; যাক জ্ঞানীসকলে পৰমাত্মা বোলে। তেওঁৰ বলতে তোমালোকে অসুৰসকলক যুদ্ধত পৰাস্ত কৰিছা। তেওঁৰ অবিহনে, সকলো চৰাচৰ দুৰ্বল।' তাকে কৈ উমা অন্তর্ধান হ'ল। (এই গল্পটো শিৱ পুৰাণতো আছে)।

৫) ঐতৰেয় উপনিষদ ঃ

এইখন ঋগ্বেদৰ ক্ষুদ্র উপনিষদ। ই একে নামৰ আ�ৰণ্যকৰ অন্তর্গত। ঐতৰেয় আৰণ্যকৰ দ্বিতীয় আৰণ্যকৰ চতুর্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়েই হৈছে ঐতৰেয় উপনিষদ। এই উপনিষদ তিনিটা ভাগত বিভক্ত। প্রথম অধ্যায়ত আছে সৃষ্টিৰহস্য। সৃষ্টিৰ মূলতে আছে ঈক্ষা বা সংকল্প। তাৰ পৰা লোক সমূহৰ সৃষ্টি। দ্বিতীয় অধ্যায়ত জীৱ বা পুৰুষৰ তিনিটা জন্মৰ ৰহস্য বর্ণিত হৈছে। তৃতীয় অধ্যায়ত আত্মাৰ স্বৰূপ কথিত হৈছে। আত্মাৰ পৰা জগতৰ সৃষ্টি, জীৱৰ উৎপত্তি। আত্মা স্বৰূপতে প্রজ্ঞান। সেই প্রজ্ঞানেই লৌকিক চেতনাৰ বিবিধ বৃত্তিৰূপত প্রকাশিত হৈছে। অন্তঃজগতে বহিঃ জগতকো প্রজ্ঞাময় কৰে। ইয়াৰ মূলমন্ত্র 'প্রজ্ঞানং ব্রহ্ম'।

৬) কৌষীতকী ব্রাহ্মণোপনিষদ্ ঃ

উপনিষদখনৰ নামটোৱে ঈঙ্গিত দিয়ে যে ই ঋগ্বেদৰ অন্তর্গত কৌষীতকি বা সাংখ্যায়ন ব্রাহ্মণৰ ভিতৰুৱা উপনিষদ। উপনিষদখন চাৰিটা অধ্যায়ৰ সমষ্টি। প্রথম অধ্যায়ত কোৱা হৈছে দেৱযান আৰু পিতৃযান পন্থাৰ কথা। তাত ৰজা চিত্রই ৰূপকৰ ছলেৰে পর্যঙ্ক বিদ্যাৰ কথা বুজায় উদ্দালক আৰু তেওঁৰ পুত্র শ্বেতকেতুক। দ্বিতীয় অধ্যায়ত প্রাণবিদ্যাৰ বর্ণনা কৰা হৈছে। তৃতীয় অধ্যায়ত ইন্দ্রই প্রতর্দনক দিয়া ব্রহ্মজ্ঞানৰ কথা আছে। চতুর্থ অধ্যায়ত ব্রহ্মাৰ স্বৰূপৰ বিষয়ে পোৱা যায়। ৰজা অজাতশত্রু আৰু দৃপ্ত বালাকিৰ কথোপকথনৰ মাজেৰে এই শিক্ষা দান কৰা হৈছে।

৭) কঠোপনিষদ ঃ

এয়া কৃষ্ণযজুর্বেদৰ কাঠক শাখাৰ উপনিষদ। উপনিষদখন দুটা অধ্যায়ত বিভক্ত। প্রত্যেক অধ্যায়ে আকৌ তিনিটা বল্লীত ভাগ কৰা হৈছে। প্রথম অধ্যায়ৰ আদিতে গদ্যত এটি আখ্যান প্রস্তুত কৰা হৈছে। বাকী গ্রন্থখন পদ্যময়। যম আৰু নচিকেতাৰ কথোপকথনৰ মাজেৰে মৃত্যু আৰু আত্মাৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ যত্ন কৰা হৈছে।

আদিতে থকা আখ্যানত কোৱা হৈছে যে বাজশ্রৱা নামে লোক এজনে এটা যজ্ঞ পাতি সর্বস্ব দান কৰিলে। তেওঁ বুঢ়া হোৱা আৰু দুগ্ধ দান নকৰা কিছু গাই দান কৰা দেখি পুত্র নচিকেতাই অসন্তোষ প্রকাশ কৰিলে। 'মোক কালৈ দিৱা', 'মোক কালৈ দিৱা' বুলি নাচিকতাই দেউতাকক আমনি কৰিলে। তেতিয়া 'তোক যমলৈ দিম' বুলি ক'লে। তাকে শুনি ল'ৰাটোৱে যমৰ ঘৰলৈ বাট পোনালে। যম ঘৰত নথকাতে তেওঁ যমৰ ঘৰ পালে আৰু ভোকাতুৰ অৱস্থাত তিনি ৰাতি কটালে।

তিনি দিনৰ মূৰত যমে ঘৰলৈ আহি নচিকেতাক পাই তিনিটা বৰ যাচিলে। নচিকেতাই প্রথমটো বৰত মৃত্যুৰ পৰা অব্যাহতি আৰু দ্বিতীয় বৰত অগ্নি ৰহস্য জানিবলৈ বিচাৰিলে। যমে দুয়োটা বৰ মঞ্জুৰ কৰিলে। তৃতীয় বৰত নচিকেতাই প্রেতৰ বিষয়ে অর্থাৎ মৃত্যু ৰহস্য যমৰ পৰা

জানিবলৈ বিচাৰিলে। যমে বৰ সহজে সেই ৰহস্য ব্যক্ত কৰিবলৈ ইচ্ছুক নহ'ল। কিন্তু নাচিকেতাৰ নেৰানেপেৰা বান্ধত পৰি যমে সেই ৰহস্য কবলৈ বাধ্য হ'ল। লগতে যমে আত্মবিদ্যাৰ কথাও নচিকেতাক ক'বলগীয়া হ'ল।

৮) তৈত্তিৰীয় উপনিষদ ঃ

কৃষ্ণ যজুর্বেদৰ প্রসিদ্ধ তৈত্তিৰীয় শাখাৰ অন্তর্গত তৈত্তিৰীয় আৰণ্যকৰ সপ্তম অষ্টম আৰু নৱম প্রপাঠক কেইটাকে উপনিষদ্ বুলি কোৱা হয়। এই প্রপাঠক কেইটাক ক্রমে 'শিক্ষাৱল্লী', 'ব্রহ্মবল্লী' আৰু 'ভৃগুৱল্লী' বুলি কোৱা হৈছে।

এই উপনিষদৰ শিক্ষাবল্লীৰ পৰা তাহানিৰ গুৰুকুল শিক্ষাৰ কিছু আভাস পোৱা যায়। ইয়াত ছাত্রই গুৰুৰ ওচৰত শিক্ষা সমাপ্তিত লাভ কৰা উপদেশবোৰে তাহানিৰ সামাজিক আৰু বৌদ্ধিক দিশৰ আভাস দিয়ে। ছাত্রই শিক্ষা সমাপ্ত কৰি পৱিত্র স্নান কৰি (স্নাতক হৈ) সমাবর্তন পর্বত লাভ কৰে গুৰুৰ উপদেশ ঃ 'সত্যং ৱদ। ধর্মং চৰ। স্বাধ্যায়ন্ মা প্রমদঃ। ..... সত্যন্ মনপ্রমদিতব্যম্। দেৱপিতৃকার্য্যাভ্যং ন প্রমদিতব্যম্। মাতৃদেৱো ভৱ। পিতৃদেৱো ভব। আচার্য্যদেৱোভব। অতিথিদেৱো ভব। ইত্যাদি। ইয়াৰ পৰা বুজা যায় গার্হস্থ্য জীৱনত গৃহস্থই কেনেকৈ আদর্শনীয় জীৱনৰ পাতনি মেলিব লাগিছিল ইয়াৰ মাজেৰে পঞ্চমহাযজ্ঞৰ ভাৱনাও প্রকটিত হৈছে।

ব্রহ্মবল্লীত ঘোষণা কৰা হৈছে 'সত্যং জ্ঞানমনন্তং ব্রহ্ম।' তাত ব্রহ্মৰ লক্ষণ চমুৰাই কোৱা হৈছে। ভৃগুৱল্লীত বিবৃতি বিদ্যাক বাৰুণী বিদ্যাও বোলা হয়। অর্থাৎ বৰুণে ভৃগুক শুনোৱা ব্রহ্মোপদেশ' এই বিদ্যাৰ বিষয়বস্তু। তাক পঞ্চকোষী বিদ্যাৰ মাজেৰে কোৱা হৈছে।

৯) মহানাৰায়ণ উপনিষদ ঃ

তৈত্তিৰীয় আৰণ্যকৰ অন্তিম ভাগতে মহানাৰায়ণ উপনিষদ বোলা হয়। ইয়াৰ অন্য নাম মহানাৰায়ণীয় বা যাজ্ঞিক উপনিষদ্। এই উপনিষদৰ বিষয়বস্তু কিছু পৃথক্। বেদান্ত, সন্ন্যাস, দুর্গা, নাৰায়ণ, মহাদেৱ, দান্ত গৰুড় আদি শব্দৰ উল্লেখৰ পৰা বুজা যায় যে ই বিশেষ পুৰণি উপনিষদ্ নহয়। কিন্তু ৱিণ্টাৰনিৎসৰ দৰে পণ্ডিতে ইয়াৰ প্রাচীনত্ব স্বীকাৰ কৰিছে। ইয়াক নাৰায়ণকে পৰমাত্মতত্ত্ব বুলি বহুবাৰ কোৱা হৈছে। ইয়াত স্নান, আচমন, হোমাদিৰ উপযুক্ত মন্ত্র সন্নিৱিষ্ট হৈছে, যাৰ বাবে ইয়াক যাজ্ঞিক উপনিষদো বোলা হয়।

১০) মুণ্ডকোপনিষদ ঃ

ই অথর্ববেদৰ অন্তর্গত। ই মুণ্ডক নামে তিনিভাগত বিভক্ত। মুণ্ডকবোৰ দুটা ভাগত ভগোৱা হৈছে। কোনো এজন শুনকগোত্রীয় ঋষিয়ে আচার্য অঙ্গিৰসৰ ওচৰলৈ গৈ প্রশ্ন কৰে—'কস্মিন্ নু ভগৱো বিজ্ঞাতে সৱমিদং ৱিজ্ঞাতং ভৱতি ইতি।' তাৰ উত্তৰত অঙ্গিৰসে ক'লে যে পৰা আৰু অপৰা নামে দুই 'বিদ্যা' আছে, সাধাৰণ শ্রুতি-স্মৃতি সম্বন্ধীয় শাস্ত্রচয় অপৰাবিদ্যাৰ ভিতৰুৱা। 'পৰাবিদ্যা' বা 'ব্রহ্মবিদ্যা' তাকে বোলে যাৰ দ্বাৰা অক্ষৰ ব্রহ্মক সম্যকভাৱে জনা যায়।

এইদৰে পৰা আৰু অপৰাবিদ্যাৰ কথা কৈ আচার্যই ক'লে যে অপৰাবিদ্যা ৰূপ যাগ-যজ্ঞাদি কর্মবোৰ তুলুঙা নাৱৰ দৰে। (প্লৱাহ্যেতে যজ্ঞৰূপাঃ)। যিজনে ইয়াকে শ্রেয়ঃ বুলি কয়

আৰু তাৰ অনুষ্ঠান কৰে তেওঁ বাৰে বাৰে জৰা-মৰণৰ কবলত পৰে। গতিকে বিচৰালোকে হাতত লৈ গুৰুৰ আশ্রয় লব লাগে। গুৰুজনে তেওঁৰ মনৰ সংশয় আঁতৰ কৰি পৰাবিদ্যা বিষয়ক জ্ঞান দিয়ে। তাৰ ফলত শিষ্য বা মুমুক্ষুজনৰ জ্ঞান জন্মে যে 'পুৰুষ এৱেদং বিশ্বং কর্ম তপো ব্রহ্ম পৰামৃতম্'। এই জ্ঞান যাৰ হয়, তেওঁৰ পৰম ব্রহ্মৰ কথা জ্ঞাত হয়।

'স য়োহ ৱৈ তর্ত পৰমং ব্রহ্ম বেদ
ব্রহ্মৈৱ ভৱতি মাস্যাব্রহ্মবিৎ কুলে ভৱতি।'

এইদৰে মুণ্ডক উপনিষদত পৰাপৰা বিদ্যাৰ বর্ণনাৰে ব্রহ্ম জ্ঞান লাভৰ যি উপদেশ দিয়া হৈছে সেয়া ব্রহ্মজিজ্ঞাসুসকলৰ বাবে পৰম পাথেয়।

১১) প্রশ্নোপনিষদ ঃ

প্রশ্নোপনিষদ্ অথর্ববেদৰ অন্তর্গত। এই উপনিষদত ছটা অধ্যায় আছে। অধ্যায়বোৰক প্রশ্ন বোলা হৈছে। ছটা অধ্যায়ত ছজন শিষ্যই ঋষি পিপ্পলাদক ছটা ব্রহ্মবিষয়ক প্রশ্ন কৰিছে। প্রথম অধ্যায়ত কবন্ধী কাত্যায়নে প্রশ্ন কৰিছে, 'প্রজা সৃষ্টি ক'ৰ পৰা হয়?' দ্বিতীয়টো অধ্যায়ত ভার্গৱ বৈদর্ভিয়ে সুধিছে, 'কোন দেৱতাই প্রজা সমূহক ধাৰণ কৰে?' তৃতীয় অধ্যায়ত কৌসল্য আশ্বলায়নে প্রশ্ন কৰিছে 'প্রাণৰ উৎপত্তি, স্থিতি আৰু লয় হয় কেনেকৈ?' চতুর্থ অধ্যায়ত সৌর্যায়াণী গার্গ্যই সোধে, 'প্রাণৰ সুষুপ্তিত কোন সোৱে আৰু কোনে জাগি থাকে?' পঞ্চম অধ্যায়ত প্রশ্নকর্তা শৈব্য সত্যকামে প্রশ্ন কৰে,'ওঙ্কাৰৰ উপাসকসকলে কি কি লোকলৈ যায় আৰু ষষ্ঠ অধ্যায়ত সুকেশা ভাৰদ্বাজে প্রশ্ন কৰে, 'ষোড়শ কলাযুক্ত পুৰুষ কোন আৰু তেওঁ ক'ত থাকে?'

এই প্রশ্নবোৰৰ উত্তৰত পিপ্পলাদে জীৱ সৃষ্টি, প্রাণতত্ত্ব, সুষুপ্তি বিজ্ঞান; ওঙ্কাৰ-উপাসনা আৰু ষোড়শ কলা পুৰুষৰ কথা বহলাই ব্যাখ্যা কৰে।

১২) মাণ্ডুক্য উপনিষদ ঃ

এইখন অথর্ববেদৰ অন্তর্গত তৃতীয় উপনিষদ্। ইয়াত ওঙ্কাৰতত্ত্বৰ ব্যাখ্যা কৰা হৈছে। উপনিষদ বিলাকৰ ভিতৰত তেনেই চমু এই উপনিষদত মাত্র বাৰটা বাক্য আছে। তাৰ মাজেৰে প্রবক্তাজনে অদ্বৈততত্ত্ব প্রবর্তন কৰিছে। হাতী মাৰি ভুৰুকাত ভৰোৱাৰ এক উৎকৃষ্ট উদাহৰণ এই উপনিষদ।

ইয়াত কোৱা হৈছে যে ওঙ্কাৰেই ভূত, বর্তমান আৰু ভৱিষ্যৎ। ইয়েই জাগ্রৎ, স্বপ্ন আৰু সুষুপ্তিৰ উপৰিও তুৰীয় অৱস্থাৰ কথা কয়। আত্মা যিদৰে চতুষ্পাৎ, ওঙ্কাৰো সেইদৰে চতুর্মাত্র। ওঙ্কাৰৰ অ, উ, ম এই তিনি ভাগে আত্মাৰ জাগ্রত, স্বপ্ন আৰু সুষুপ্তি এই অৱস্থাৰ কথা সূচায়। দার্শনিক গৌড়পাদে তেওঁৰ কাৰিকাত্মক ভাষ্যত এই উপনিষদত নিহিত অদ্বৈতবাদৰ তত্ত্বৰ ব্যাপক চর্চা কৰিছে। শঙ্কৰাচার্যই মাণ্ডুক্য উপনিষদ্ আৰু গৌড়পাদৰ কাৰিকা উভয়ৰে ভাষ্য ৰচনা কৰে।

১৩) মৈত্রায়নী উপনিষদ ঃ

এই উপনিষদখন কৃষ্ণযজুর্বেদৰ অন্তর্গত। উপনিষদখন সাতটা অধ্যায়ত বিভক্ত। শেষৰ অধ্যায় দুটা খিল বা পৰিশিষ্ট বুলি জনাজাত। এই উপনিষদত ৰজা বৃহদ্রথ আৰু মুনি শাকায়নৰ মাজত হোৱা কথোপকথনেৰে ব্রহ্মজ্ঞানৰ কথা কোৱা হৈছে। উপনিষদখন গদ্যত ৰচিত।

উপনিষদ্‌খনৰ ষষ্ঠ অধ্যায়ত গায়ত্রী মন্ত্ৰৰ বাখ্যা পোৱা যায়।

১৪) শ্বেতাশ্বতৰোপনিষদ ঃ (শ্বোয়শ্বতৰোপনিষদ)

এইখনো কৃষ্ণ যজুর্বেদৰ ভিতৰুৱা উপনিষদ্‌। উপনিষদখন ছটা অধ্যায়ত বিভক্ত। এই উপনিষদৰ উপদেশ শ্বেতাশ্বতৰ নামৰ এজন ঋষিয়ে দিছিল বাবে এই উপনিষদৰ নাম শ্বেতাশ্বতৰ হৈছে।

ইয়াৰ প্ৰথমটো অধ্যায়ত জীৱ জ্ঞেয় আৰু অজ্ঞেয়ৰ বর্ণনা কৰা হৈছে। গাখীৰত চামনি মিহলি হৈ থকাৰ দৰে ব্ৰহ্মই জগৎখন বিয়পি আছে। দ্বিতীয় অধ্যায়ত ধ্যান যোগক এক সমতা ৰক্ষাৰ প্ৰণালী বুলি কোৱা হৈছে। তৃতীয় অধ্যায়ত শিৱ ৰুদ্ৰৰ বর্ণনা কৰোঁতে ঋগ্বেদীয় পুৰুষসূক্ত আৰু শুক্ল যজুর্বেদীয় ৰুদ্ৰাধ্যায়ৰ পৰা উদ্ধৃতি দিছে। চতুর্থ অধ্যায়ত ব্ৰহ্মক মহেশ্বৰ আৰু প্ৰকৃতিক মায়া বুলি কৈছে (মায়াং তু প্ৰকৃতিং বিদ্যান্‌ মায়িনং তু মহেশ্বৰম্‌)। পঞ্চম অধ্যায়ত কপিলৰ উল্লেখ আৰু ত্ৰৈগুণ্যৰ বর্ণনা পোৱা যায়। ষষ্ঠ অধ্যায়ত কর্মবাদৰ কথা কোৱা হৈছে। ইয়াত সাংখ্য, যোগেদি বিশেষ অর্থত ব্যৱহৃত হৈছে। অন্তিম শ্লোকটোত গুৰু-শিষ্যৰ প্ৰশংসা আৰু বিদ্যালাভৰ বাবে শিষ্যৰ গুৰুভক্তিৰ আৱশ্যক বুলি কৈছে ঃ

য় স্য দেৱে পৰা ভক্তির্যথা দেৱে তথা গুৰৌ।
তস্যৈতে কথিতা হ্যর্থা ঃ প্ৰকাশন্তে মহাত্মনঃ।।

কোনোখন বেদৰ লগত সম্পর্ক নথকা আৰু চাৰিখন পুৰণি উপনিষদ যোৱা শতিকাত আৱিষ্কৃত হৈছে। এই উপনিষদ্‌ কেইখন বাষ্কল, ছাগলেয়, আর্ষেয় আৰু শৌনক উপনিষদ্‌ নামে জনা যায়। উপনিষদ কেইখনৰ চমুটোকা তলত দিয়া হ'ল ঃ

১৫) বাষ্কল উপনিষদ ঃ

এইখন উপনিষদত আছে পঁচিশটা মন্ত্ৰ। মন্ত্ৰবোৰ ত্ৰিষ্টুপ ছন্দত ৰচিত। সম্ভৱতঃ ই ঋগ্বেদৰ বাষ্কল উপনিষদৰ পৰিশিষ্ট আছিল। কেইটামান মন্ত্ৰ শাকল সংহিতাত প্ৰাপ্ত মন্ত্ৰৰ সদৃশ। ইয়াত ইন্দ্ৰ আৰু মেধাতিথিৰ সংবাদৰ মাজেৰে দার্শনিক তত্ত্ব তুলি ধৰা হৈছে।

১৬) ছাগলেয় উপনিষদ ঃ

এই উপনিষদখন বৰ সংক্ষিপ্ত। ইয়াত মাত্ৰ ছটা অনুচ্ছেদ আছে। অন্ততঃ এবাৰ ছাগলেয়ৰ নামোল্লেখ আছে। কৃষ্ণ যজুর্বেদৰ মৈত্ৰায়নী সংহিতাৰ ছটা শাখাৰ অন্যতম এ ছাগলেয় প্ৰশাখা। ইয়াত সৰস্বতী নদীৰ পাৰত হোৱা ঋষিসকলৰ সত্ৰৰ উল্লেখ আছে। ঋষিসকলে কৰৰ ঐলুষক 'দাস্যাঃ পুত্ৰঃ' বুলি নিন্দা কৰে। পিছত তেওঁলোকে ঐলুষৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি তেওঁৰ ওচৰত উপনীত হ'বলৈ ইচ্ছা প্ৰকাশ কৰে। ঐলুষে তেওঁলোকক কুৰুক্ষেত্ৰত থকা ৰালিশ নামে জনদিয়েক বদ্ধানৰ ওচৰলৈ পঠিয়াই দিয়ে। তাত এবছৰ বিদ্যাব্ৰত গ্ৰহণ কৰাৰ পাছত তেওঁলোকক সম্যক্‌ ৰূপে জ্ঞানোপদেশ দিয়ে।

১৭) আর্ষেয় উপনিষদ ঃ

আড্যাৰ সংকলনত প্ৰকাশিত চাৰিখন প্ৰাচীন উপনিষদৰ ভিতৰত আর্ষেয় উপনিষদ অন্যতম। এইখনো দহটা অনুচ্ছেদত প্ৰাপ্ত ক্ষুদ্ৰ উপনিষদ্‌। ইয়াতো ঋষিসকলৰ মাজত অনুষ্ঠিত

ব্রহ্মোদ্যৰ বর্ণনা আছে। বিশ্বামিত্র, জমদগ্নি, ভৰদ্বাজ, গৌতম, বশিষ্ঠ প্রভৃতি ঋষিয়ে সেই ব্রহ্মোদ্যত ভাগ লৈছিল। ঋষিসকলৰ কথোপকথন বর্ণিত হোৱা বাবে উপনিষদ গ্রন্থ খন আর্ষেয় উপনিষদ বুলি জনা যায়।

১৮) শৌনকোপনিষদ ঃ

আড্যাৰ সংকলনত প্রাকাশিত চতুর্থ উপনিষদখন শৌনকোপনিষদ নামে জনাজাত। ইয়াৰ প্রৱক্তা শৌনক। অসুৰসকলৰ ওপৰত দেৱতাসকলৰ বিজয় লাভ আৰু ইন্দ্রৰ মহত্ত্ব ইয়াৰ উপজীব্য বিষয়। ইয়াত একাক্ষৰ প্রণৱৰ উপাসনা বিহিত হৈছে।

এইকথা উল্লেখযোগ্য যে সম্প্রতি দুশৰো অধিক 'উপনিষদ' নামে গ্রন্থ মুদ্রিত হৈ ওলাইছে। তাৰ প্রাচীন আৰু প্রামাণিক উপনিষদ্ ওঠৰখনৰ চমু পৰিচয় ওপৰত তুলি ধৰা হ'ল। তদুপৰি আৰু কেইখনমানৰ নাম ইয়াত উল্লেখ কৰা হ'ল ঃ

(১) অমৃতনাদ, (২) অমৃত বিন্দু, (৩) শাঠ্যায়নীয়, (৪) যোগতত্ত্ব, (৫) কৈৱল্য, (৬) হংস, (৭) গর্ভ, (৮) পাশুপত, (৯) যাজ্ঞবল্ক্য, (১০) কালিকা, (১১) গৰুড়, (১২) স্কন্দ, (১৩) সর্বসাৰোপনিষদ্, (১৪) পঞ্চব্রহ্ম, (১৫) ভাৱনা, (১৬) কালাগ্নি ৰুদ্র, (১৭) প্রাণাগ্নিহোত্র, (১৮) কলিসন্তৰণ, (১৯) শ্রীৰামপূর্বতাপনীয়, (২০) ৰামৰহস্য আদি।

শঙ্কৰাচার্য, ৰামানুজাচার্য, মধ্বাচার্য, বল্লভাচার্য প্রভৃতিয়ে মূল উপনিষদবোৰৰ ওপৰত ভাষ্য ৰচনা কৰে। ম্যাক্সমূলাৰ, ডায়চন, ৰাধাকৃষ্ণণ প্রভৃতিয়ে ইংৰাজী ভাষালৈ সিবোৰ অনুবাদ কৰে।



জানি থোৱা ভাল

১) উপনিষদ শব্দটোৰ ব্যুৎপত্তি অর্থ ঃ উপ-নি+ $\sqrt{}$সদ ধাতু+ ক্বিপ্ প্রত্যয়ৰ যোগত উপনিষদ শব্দার্থ সাধিত হৈছে। সদ্ ধাতুৰ সাধাৰণ অর্থ ওচৰত বহা। কিন্তু উপনিষদ শব্দটোৱে বুজায় ঃ যিয়ে হেতু সহ সংসাৰৰ অৱসাদন কৰে বা সংসাৰৰ মায়া-মোহ সমূহকো বিনাশ কৰে; চমুকৈ উপনিষদ্ হৈছে ব্রহ্মবিদ্যা, ৰহস্য বিদ্যা। ইয়াত সদ্ ধাতুৰ অর্থ অৱসাদন অর্থাৎ শিথিল কৰা বা বিনাশ কৰা।

২) সম্রাট ছাহজাহানৰ জ্যেষ্ঠ পুত্র আৰু সম্রাট ঔৰঙ্গজেৱৰ অগ্রজ দৰে সিকোৱে মূল সংস্কৃতৰ পৰা পঞ্চাশখন উপনিষদ্ বাচি উলিয়াই ১৬৫৬ খৃষ্টাব্দত ফার্ছী ভাষালৈ অনুবাদ কৰে।

৩) আঁকেতিল দুপেৰোঁ (Anquetil Duperron) নামে ফৰাছী পণ্ডিতে ভাৰতৰ পৰা দাৰা সিকোৰ ফার্ছী অনুবাদ (Oupenkhat) সংগ্রহ কৰি ১৮০১-২ চনত তাৰ লেটিন অনুবাদ প্রকাশ কৰে।

৪) পাছলৈ ইৰাণীয় পণ্ডিত জালালি নাইনি (Jalani Naini)য়ে দাৰা সিকোৰ ফার্ছীত কৰা 'উপনেখত'ৰ সংগ্রহ সুবিস্তৃত ভূমিকাৰ সৈতে সম্পাদনা কৰি প্রকাশ কৰে।

তাকে ১৯৬২ চনৰ ১৯ মার্চত আনুষ্ঠানিক ভাৱে দিল্লীত ভাৰতৰ ৰাষ্ট্রপতি, উপৰাষ্ট্রপতি আৰু প্রধান মন্ত্রীৰ হাতত অর্পণ কৰে।

৫) দুপেৰোৰ লেটিন অনুবাদৰ পঞ্চাশখন উপনিষদৰ সৈতে আৰু দহখন যোগ দি জার্মান পণ্ডিত পাউল ডয়সেনে জার্মানলৈ অনুবাদ কৰে আৰু Sechzig Upanisaden des Veda নামে ১৮৯৭ চনত প্রকাশ কৰে। পুনেৰ পণ্ডিত ৰেডেকাৰ আৰু পলমূলে ইয়াৰ ইংৰাজী অনুবাদ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ উপনিষদ শব্দৰ ব্যুৎপত্তি আৰু অর্থ কি কি?

.....

প্রশ্ন নং ২ঃ মুখ্য উপনিষদৰ সংখ্যা কিমান?

.....

প্রশ্ন নং ৩ঃ দহখন প্রাচীন উপনিষদৰ নাম লিখক।

.....

প্রশ্ন নং ৪ঃ দহখন অর্বাচীন উপনিষদৰ নাম লিখক।

.....

প্রশ্ন নং ৫ঃ ক্ষুদ্র পৰিসৰৰ উপনিষদ দুখনৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ঃ বেদ অনুসৰি চৈধ্যখন উপনিষদৰ নাম সজাই লিখক।

.....

প্রশ্ন নং ৭ঃ বৈদিক গুৰুকুল শিক্ষাৰ সমাবর্তন ভাষণৰ বিষয়ে কোনখন উপনিষদত বর্ণিত হৈছে।

.....

প্রশ্ন নং ৮ঃ কোনে উপনিষদবোৰ ফার্ছী ভাষালৈ অনুবাদ কৰিছিল?

.....

প্রশ্ন নং ৯ঃ কোনে উপনিষদবোৰ লেটিন ভাষালৈ অনুবাদ কৰিছিল?

.....

প্রশ্ন নং ১০ঃ যাঠিখন উপনিষদৰ জার্মান অনুবাদকজন কোন?

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৈদিক সাহিত্যৰ অন্তৰ্গত—বেদৰ শেষ ভাগ—বেদান্ত বুলি জনাজাত উপনিষদসমূহৰ বিষয়ে থূল-মূলকৈ বহু কথা জানিব পাৰিলে।
- প্ৰথমতে উপনিষদৰ চমু পৰিচয়, সিবোৰৰ সংখ্যা, নামবোৰ আৰু প্ৰবক্তাসকলৰ বিষয়ে গম পালে।
- তাৰ পাছত ওঠৰখন প্ৰাচীন উপনিষদৰ চমু পৰিচয় জানিলে।
- উপনিষদ শব্দৰ চমু অৰ্থ আৰু ইবোৰৰ ফাৰ্ছী, লেটিন আৰু জাৰ্মান অনুবাদৰ কথা জানিব পাৰিলে।



২.৭ অধিক জানিবলৈ

1) Radhakrishnan, S, (ed), (1953), *The Principal Upanisads*, London : George Allen and Unwin Ltd.
2) Vedebar, V. M. and Palsule G. B. (trans.) (1970), *Sixty Upanisads*, (trans. from-German edn. of Paul Deussen, 1897)
3) Max Mueller, F, (ed). (1879 & 1884), *The Upanisads*, 2 Vols. SBE Series. vol. 1415. Oxford.
4) শৰ্মা, তীৰ্থনাথ, (১৯৯১), *উপনিষদ্ অষ্টক*, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।
5) শৰ্মা তীৰ্থ নাথ, (১৯৯৮), *ছান্দোগ্য উপনিষদ্*, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
6) শৰ্মা থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, ৰূপনগৰ ঃ অসম বেদবিদ্যালয়।
7) শৰ্মা থানেশ্বৰ, (২০০৮), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, ২য় সংস্কৰণ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ উপ-নি+ সদ +ক্বিপ প্ৰত্যয়ৰ যোগত সাধিত হোৱা উপনিষদ্ শব্দটোৰ সাধাৰণ অৰ্থ ওচৰত বহা। কিন্তু উপনিষদ্ শব্দটোৱে দৰাচলতে ব্ৰহ্মবিদ্যাক বুজায়, যিহেতুকে এই

বিদ্যাই অবিদ্যাবশতঃ জন্মা সংসাৰৰ মায়া-মোহ আদি সমূহে বিনাশ কৰে। ইয়াত সদ্ ধাতুৰ অর্থ অৱসাদন অর্থাৎ শিথিল কৰা বা বিনাশ কৰা।

২ নং প্রশ্নৰ উত্তৰঃ মুখ্য উপনিষদ্ কোনো কোনো পণ্ডিতৰ মতে দহখন, কোনো জনৰ মতে তেৰখন বা চৈধ্যখন।

৩ নং প্রশ্নৰ উত্তৰঃ ঈশ, কেন, কঠ, প্রশ্ন, মুণ্ডক, মাণ্ডুক্য, তিত্তিৰি, ঐতৰেয়, ছান্দোগ্য আৰু বৃহদাৰণ্যক।

৪ নং প্রশ্নৰ উত্তৰঃ অমৃতনাদ, অমৃতবিন্দু, শাধ্যায়নীয়, যোগতত্ত্ব, হংস, গর্ভ, পাশুপত, যাজ্ঞৱল্ক্য, গৰুড় আৰু স্কন্দ উপনিষদ্।

৫ নং প্রশ্নৰ উত্তৰঃ মাণ্ডুক্য আৰু ঈশ উপনিষদ্। মাণ্ডুক্য উপনিষদত বাৰর্যা বাক্য আৰু ঈশ উপনিষদৰ ওঠৰটা মন্ত্র আছে।

৬ নং প্রশ্নৰ উত্তৰঃ ঋগ্বেদীয় উপনিষদ্— ১) ঐতৰেয় ২) কৌষীতকী

সামবেদীয় উপনিষদ— ৩) ছান্দোগ্য ৪) কেন

শুক্লযজুর্বেদীয় উপনিষদ— ৫) ঈশ আৰু ৬) বৃহদাৰণ্যক

কৃষ্ণ যজুর্বেদীয় উপনিষদ— ৭) কঠ ৮) তৈত্তিৰীয়
৯) মৈত্রায়ণী ১০) মহানাৰায়ণ
১১) শ্বেতাশ্বতৰ

অথর্ববেদীয় উপনিষদ— ১২) প্রশ্ন ১৩) মুণ্ডক
১৪) মাণ্ডুক্য

৭ নং প্রশ্নৰ উত্তৰঃ তৈত্তিৰীয় উপনিষদৰ শিক্ষা বল্লীত।

৮ নং প্রশ্নৰ উত্তৰঃ সম্রাট ছাজাহানৰ জ্যেষ্ঠ পুত্র দাৰা শিকোৱে পঞ্চাশখন উপনিষদ ফার্ছী ভাষালৈ অনুবাদ কৰিছিল।

৯ নং প্রশ্নৰ উত্তৰঃ আঁকেতিল দুপেৰোঁৱে (Anquetil Duperron)

১০ নং প্রশ্নৰ উত্তৰঃ পাউল ডয়সেন (Paul Deussen)

২.৯ আর্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ বৈদিক সাহিত্যত উপনিষদৰ স্থান ক'ত?

প্রশ্ন ২ঃ উপনিষদৰ আধাৰত গ্রন্থ ৰচনা কৰা দেশী/বিদেশী পণ্ডিত কেইজনমানৰ নাম লিখক।

প্রশ্ন ৩ঃ উপনিষদৰ মূল বিষয় কি?

(খ) চুটি প্রশ্ন ঃ

প্রশ্ন ১ঃ ঈশ, কেন, কঠ, ঐতৰেয় আৰু তৈত্তিৰীয় উপনিষদৰ চমু পৰিচয় লিখক।

প্রশ্ন ২ঃ উপনিষদত বর্ণিত হোৱা দুটা আখ্যান চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ কেনোপনিষদত প্রাপ্ত উমা মাহেশ্বৰীৰ আখ্যানটো চমুকৈ উল্লেখ কৰক।

প্রশ্ন ২ঃ কঠোপনিষদত পোৱা নচিকেতাৰ আখ্যানটোৰ তাৎপর্য লিখক।

*** ***** ***

অধ্যায় ৩ ঃ শ্রীমদ্ভগৱদ্‌গীতা - সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ নামৰ তাৎপর্য্য

৩.৪ শাস্ত্রখনিৰ আলোচ্য বিষয়

৩.৫ ৰচয়িতা আৰু ৰচনাকাল

৩.৫.১ ৰচনাৰ পটভূমি

৩.৬ ভাষ্যকাৰসকল

৩.৭ গীতাৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ সাৰাংশ

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান

৩.১১ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রীমদ্ভগৱদ্‌গীতা - নামটোৰ তাৎপর্য্য জানিব পাৰিব
- গীতাৰ আলোচ্য বিষয় অৱগত হ'ব
- গীতাৰ ৰচক, ৰচনাকাল আৰু ৰচনাৰ পটভূমি জানিব পাৰিব
- গীতাৰ ভাষ্যকাৰসকলৰ বিষয়েও জানিব পাৰিব
- শাস্ত্রৰখনৰ ওঠৰটা (১৮) অধ্যায়ৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব।

৩.২ পৰিচয়

শ্রীমদ্ভগৱদগীতা নামৰ অমূল্য গ্রন্থখন সমগ্র ভাৰতীয়ৰ বাবেই অত্যন্ত পূজনীয়। এই গ্রন্থখন কেৱল হিন্দুসকলৰেই নহয়, আন সকলো ধর্মৰ মানুহৰ বাবেও এইখনৰ মূল্য অপৰিসীম। সমগ্র ভাৰতীয় দর্শন তথা আদর্শৰ প্রতিচ্ছবি পোৱা যায় এই গ্রন্থখনত। ৰাহ্যিকভাৱে এইখন কেৱলমাত্র অর্জুন আৰু শ্রীকৃষ্ণৰ কথোপকথন হলেও প্রকৃততে ভাৰতীয় জীৱনদর্শনৰ ভেটি হ'ল এইখন গ্রন্থ। জগতৰ বিভিন্ন বিষয়লৈ সন্দেহৰ আবর্ত্তত ঘূৰি থকা অর্জুনৰ মনত আবির্ভূত হোৱা প্রশ্নৰ সমাধান আৰু উত্তৰ দাঙি ধৰিছে ভগৱান শ্রীকৃষ্ণই উক্ত গ্রন্থত। গ্রন্থখনৰ সৃষ্টিৰ পটভূমিকা যুদ্ধক্ষেত্র হলেও প্রকৃত শান্তিৰ সমীকৰণ দেখুৱাই দিয়া হৈছে এইখন শাস্ত্রত। কুৰুক্ষেত্র

যুদ্ধত চকুৰ আগত শত্রু পক্ষত দ্রোণাচার্য, ভীষ্ম আদি পূজনীয় ব্যক্তিসকলক দেখি নিৰাশাগ্রস্ত হৈ যুদ্ধ নকৰাৰ সিদ্ধান্ত লোৱা অর্জুনক যুদ্ধৰ প্রতি আকৃষ্ট কৰাটোৱে আছিল এই গ্রন্থৰ মুখ্য উদ্দেশ্য। কিন্তু এনে কৰিব গৈ ভগৱানে যি অমৃতবাণী উচ্চাৰণ কৰিলে সেইটো যুগ যুগ ধৰি মানুহৰ মনত উত্থাপিত হোৱা প্রশ্নৰ সমাধান হিচাপে চিৰস্থায়ী হৈ গ'ল। এই অধ্যায়টিত আপুনি শ্রীমদ্ভগৱদ্‌গীতাৰ সাধাৰণ পৰিচয় লাভ কৰিব।

৩.৩ নামৰ তাৎপর্য্য

আমি সাধাৰণতে শ্রীমদ্‌ভগৱদ্‌গীতাক 'গীতা' বুলিহে চমুকৈ কওঁ। দৰাচলতে শ্রীমদ্‌ভগৱদ্‌গীতা বা গীতাৰ সম্পূর্ণ নামটো হ'ল শ্রীমদ্‌ভগৱদ্‌গীতোপনিষদ। 'গৈ' (গান গোৱা) ধাতুত 'ক্ত' প্রত্যয় যোগ হৈ 'গীত' পদটো সাধিত হয়। 'গীত' পদত স্ত্রীলিঙ্গত ব্যৱহৃত 'টাপ্' (আপ্) প্রত্যয় যোগ হ'লে 'গীতা' পদটো সাধিত হয়। মন কৰিবলগীয়া যে 'গীতা' পদটো এটা বিশেষণ পদ। ইয়াৰ সৈতে জড়িত বিশেষ্য পদটো হ'ল 'উপনিষদ'। 'গীতা' নামৰ শাস্ত্রখনক এখন উপনিষদ হিচাবে গণ্য কৰা হয়। যিহেতু 'উপনিষদ' পদটো সংস্কৃত ব্যাকৰণৰ মতে স্ত্রীলিঙ্গত ব্যৱহৃত হয়, সেয়েহে ইয়াৰ বিশেষণ হিচাবে ব্যৱহৃত পদো স্ত্রীলিঙ্গত ব্যৱহাৰ কৰা হয়। সেই বাবেই 'গীত' পদটোত 'টাপ্' প্রত্যয় যোগ কৰি 'গীতা' পদটো সাধন কৰা হৈছে।

৩.৪ শাস্ত্রখনিৰ আলোচ্য বিষয়

মনকৰিবলগীয়া কথা যে গীতাক কোনো বিশেষ ধর্মগ্রন্থ হিচাবে আখ্যা দিয়া নহয়। বৰং ইয়াক অধিবিদ্যা, নীতিশাস্ত্র, ব্রহ্মবিদ্যাপৰক গ্রন্থ আৰু যোগশাস্ত্র বুলি কোৱা হয়। গীতাই প্রতিপাদন কৰিব বিচাৰে যে আধ্যাত্মিক সত্য উপলব্ধি কৰিবলৈ প্রয়াস কৰা লোকে কঠোৰ সাধনা কৰিবই লাগিব। সেই সাধনা হ'ল কর্মৰ নামান্তৰ। আমি উল্লেখ কৰিছো যে গীতাক উপনিষদ হিচাপে জ্ঞান কৰা হয়। উপনিষদ্‌সমূহৰ প্রতিপাদ্য তুৰীয় ব্রহ্মবাদৰ প্রসঙ্গও গীতাত আছে। তদুপৰি, বৈদিক যজ্ঞকাণ্ড, ভাগৱতপুৰাণৰ ঈশ্বৰবাদ তথা ভক্তিবাদ, সাংখ্যদর্শনৰ দ্বৈতবাদ আৰু যোগদর্শনৰ প্রতিপাদ্য বিষয়সমূহৰ সুসংহত ৰূপ গীতাত পৰিলক্ষিত হয়। এই শাস্ত্রসমূহৰ মূল বিষয়সমূহ বর্জন নকৰি সিবিলাকৰ সাৰ গ্রহণ কৰিব পাৰিলেই মানৱ জীৱন সফল পৰিণতিৰ পিনে আগবাঢ়িব পাৰে। এয়াই গীতাৰ মুখ্য আলোচ্য বিষয়। এইখিনিতেই আপোনাক জনাই থওঁ যে উপনিষদ, অধিবিদ্যা, নীতিশাস্ত্র, যোগশাস্ত্র আদিৰ বিষয়ে (চমুটোকা) পিচৰ অধ্যায়ত জানিব পাৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গীতা পদটো কেনেকৈ সাধিত হয়?

.....

প্রশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক -

(ক) গীতা শাস্ত্রক এখন ..... হিচাপে গণ্য কৰা হয়।

(খ) শ্রীমদ্‌ভগৱদ্‌গীতাক চমুকৈ ..... বুলি কোৱা হয়।

৩.৫ ৰচয়িতা আৰু ৰচনাকাল

গীতাক মহাভাৰতৰ অংশ বুলি কোৱা হয়। মহাভাৰতৰ ভীষ্মপর্বৰ ১৮টা পৰিচ্ছেদেই (২৩-৪০) দৰাচলতে গীতাৰ ওঠৰটা অধ্যায়। সেয়েহে মহাভাৰতৰ ৰচয়িতা কৃষ্ণদ্বৈপায়ন বেদব্যাসক গীতাৰ ৰচয়িতা হিচাবে মান্যতা দি অহা হৈছে। অৱশ্যে বহুতো পণ্ডিতে সেয়া সত্য বুলি গ্রহণ কৰিবলৈ অনিচ্ছা প্রকাশ কৰে।

গীতাত ৭০০ টা শ্লোক আছে। মহাভাৰতৰ কথাবস্তুৰ আধাৰতেই পোৱা যায় যে কুৰুক্ষেত্রৰ যুদ্ধৰ সময়ত মহাযোদ্ধা মধ্যম পাণ্ডৱ অর্জুনে যুদ্ধক্ষেত্রত বিপক্ষত আত্মীয়-স্বজন, গুৰু আদি ব্যক্তি সকলক দেখি দুখত কাতৰ হৈছে। যুদ্ধ কৰিবলৈ তেওঁ অনিচ্ছা প্রকাশ কৰিছে। তেতিয়া, তেওঁৰ ৰথৰ সাৰথি সখা শ্রীকৃষ্ণই বিভিন্ন বুজনি তথা উপদেশ-পৰামর্শৰদ্বাৰা অর্জুনক যুদ্ধৰ বাবে উদ্বুদ্ধ কৰি তুলিছে। সমগ্র গীতাশাস্ত্রখন দৰাচলতে কৃষ্ণ আৰু অর্জুনৰ কথোপকথন। বহুতে কব বিচাৰে যে যুদ্ধক্ষেত্রত থিয় হৈ ইমান বিস্তৃত কথোপকথন সম্ভৱ নহয়। হয়তো কৃষ্ণই অর্জুনক চুটিকৈ কিছু উপদেশ-বাণী প্রদান কৰিছিল। পৰৱর্তী-সময়ত কোনোবা ৰচকে হয়তো ইয়াকেই প্রসাৰিত কৰি তুলিলে। গার্ব (উনবিংশ শতিকা) নামৰ এগৰাকী পাশ্চাত্য দেশীয় পণ্ডিতৰ মতে সাংখ্য-যোগৰ শাস্ত্র হিচাবে ৰচিত গীতাৰ আদি ৰচনা কাল খৃ.পূ. ২ য় শতিকা। কোনো বেদান্তবাদীয়ে ইয়াক খৃষ্টীয় ২ য় শতিকাত বর্ত্তমানৰ ৰূপ প্রদান কৰিছিল বুলি তেওঁ মতপোষণ কৰে। হপ্‌কিন্‌ছ (উনবিংশ শতিকা) নামৰ পণ্ডিতগৰাকীয়ে Religions of India নামৰ গ্রন্থত কৈছে যে গীতা হৈছে "কোনো এখন প্রাচীন বৈষ্ণৱ কাব্যৰ কৃষ্ণীয় ৰূপ, আকৌ এই বৈষ্ণৱ কাব্যখন এখন সম্প্রদায়নিৰপেক্ষ ৰচনা আছিল, সম্ভৱতঃ কোনো নতুন উপনিষদ্‌।" গীতাৰ ৰচনাকাল নির্ণয়ৰ ক্ষেত্রত পণ্ডিত ড° ৰাধাকৃষ্ণণৰ মত উল্লেখযোগ্য। তেখেতৰ Indian Philosophy নামৰ গ্রন্থত উল্লেখ কৰা হৈছে শব্দচয়ন তথা অন্যান্য আভ্যন্তৰীণ বৈশিষ্ট্যৰ পিনে লক্ষ্য কৰিলে অনুমান কৰিব পাৰি যে নিশ্চয় গীতা শাস্ত্রখন খ্রীষ্টপূর্ব কালৰ ৰচনা। তেখেতৰ মতে আনুমানিক খৃ.পূ. ৫ ম শতিকাত এই শাস্ত্রখন ৰচিত হৈছিল। অৱশ্যে পৰৱর্তী কালত ইয়াত দুই - এটা বচন সংযোজিত হ'ব পাৰে।

৩.৫.১ ৰচনাৰ পটভূমি

পূৰ্বেই উল্লেখ কৰা হৈছে যে মহাশাস্ত্ৰ গীতাক মহাভাৰতৰ অংশবিশেষ বুলি কোৱা হয়। ভীষ্মপৰ্বৰ অন্তৰ্গত এই ওঠৰটা অধ্যায়ৰ পটভূমি এনেধৰণৰ - কুৰুক্ষেত্ৰৰ সমৰত কুৰুৰাজ ধৃতৰাষ্ট্ৰৰ পুত্ৰসকল আৰু পাণ্ডুৰ পুত্ৰসকল পৰস্পৰৰ বিৰুদ্ধে সন্মিলিত হৈছে। জন্মান্ধ ধৃতৰাষ্ট্ৰ এই ঘটনাত বিমূঢ় হৈছে। তেওঁৰ পুত্ৰসকল আৰু পাণ্ডুৰ পুত্ৰসকলে যুদ্ধত প্ৰবৃত্ত হৈ কিনো কৰিছে সেই বিষয়ে জানিবলৈ ধৃতৰাষ্ট্ৰই সঞ্জয়ক প্ৰশ্ন কৰিছে। গবল্‌গণৰ পুত্ৰ সঞ্জয় আছিল ত্ৰিকালজ্ঞ আৰু প্ৰত্যক্ষদৰ্শী। গীতাৰ পাঠ হিচাবে পৰিগণিত কৃষ্ণ-অৰ্জুনৰ কথোপকথন আৰু ভীষ্মৰ দহ দিনৰ যুদ্ধৰ বৃত্তান্ত সঞ্জয়ে ধৃতৰাষ্ট্ৰৰ ওচৰত নিবেদন কৰিছিল। সঞ্জয়ৰ বৰ্ণনাৰপৰা জনা যায় যে মহাধনুৰ্দ্ধৰ অৰ্জুনে বিপক্ষত গুৰুজনাদি আত্মীয়-স্বজনক দেখি যুদ্ধ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছে। শোক আৰু সংশয়ত তেওঁৰ মন দ্বিধাগ্ৰস্ত হৈছে। যুদ্ধৰ প্ৰতি তেওঁৰ আকৰ্ষণ নোহোৱা হৈছে। যুদ্ধত জয়ী হলেও আত্মীয় স্বজনবৰ্জিত ৰাজ্যৰ প্ৰতি তেওঁৰ কোনো অনুৰাগ নাই। এনেবোৰ শঙ্কাৰ বিষয়ে পৰম বান্ধৱ তথা ৰথৰ সাৰথি শ্ৰীকৃষ্ণক জনাইছে। তেওঁৰ উচিত-অনুচিত, কৰ্ত্তব্য-অকৰ্ত্তব্য জ্ঞান লোপ পোৱা দেখি ভগৱান কৃষ্ণই তেওঁৰ মনত প্ৰকৃত সত্যৰ সঞ্চাৰ কৰিবলৈ যত্নপৰ হৈছে। বিভিন্ন তত্ত্বৰ সৰলতৰ ব্যাখ্যাৰে কৃষ্ণই অৰ্জুনক কৰ্মত প্ৰবৃত্ত হ'বলৈ উৎসাহিত কৰিছে। দৰাচলতে, সমগ্ৰ গীতা শাস্ত্ৰখন ভগৱান কৃষ্ণৰ মুখনিৰ্গত বাণীৰ সমাহাৰ। অৰ্জুনৰ মনত উদয় হোৱা একোটাহঁত প্ৰশ্ন বা সংশয়ৰ সমাধান হিচাবে ভগৱানে তেওঁৰ শাশ্বত বাণীসমূহ প্ৰকাশ কৰিছে। এয়াই থোৰতে গীতা ৰচনাৰ পটভূমি।

৩.৬ ভাষ্যকাৰসকল

আমি জানো যে "ভাষ্য" বা ব্যাখ্যা অবিহনে শাস্ত্ৰৰ গূঢ়াৰ্থ বুজা কঠিন। বিশিষ্ট পণ্ডিতসকলে অতীজৰেপৰা কঠিন ৰচনাসমূহৰ ভাষ্য সংকলন কৰি সাধাৰণ পাঠকৰ মহৎ উপকাৰ সাধন কৰি আহিছে। মহাশাস্ত্ৰ গীতাৰো বহুতো ভাষ্য পোৱা যায়। এইখিনিতে গীতা শাস্ত্ৰৰ ভাষ্যকাৰসকলৰ বিষয়ে আলোচনা কৰা হ'ব।

গীতাৰ ভাষ্যকাৰসকলৰ ভিতৰত প্ৰাচীনতম হ'ল শঙ্কৰাচাৰ্য্য। অদ্বৈত বেদান্ত দৰ্শনৰ মুখ্য প্ৰবক্তা শঙ্কৰাচাৰ্য্যৰ (৭৮৮ - ৮২০ খৃ.) ভাষ্যৰপৰা জনা যায় যে তেওঁৰ ৰচনাৰ পূৰ্বেও গীতাৰ অন্য ভাষ্য ৰচিত হৈছিল। পিছে সিবিলাক ভাষ্য সম্প্ৰতি পোৱা নাযায়। "ব্ৰহ্ম সত্যং জগন্মিথ্যা" এই মতৰ মুখ্য পৃষ্ঠপোষক শঙ্কৰাচাৰ্য্যই নিজৰ দাৰ্শনিক বিচাৰধাৰাৰে গীতাৰ ভাষ্য ৰচনা কৰিছে। শঙ্কৰাচাৰ্য্য ব্যাখ্যাৰ মুখ্য সমৰ্থক আনন্দগিৰি (খৃ. ১৩০০ শতিকা), শ্ৰীধৰ (খৃ. ১৪০০ শতিকা) আৰু মধুসূদন (খৃ. ১৬০০ শতিকা) প্ৰভৃতি মনীষীসকলে শঙ্কৰাচাৰ্য্যৰ মতসমূহ বিস্তৃত কৰিছে। মাৰাঠী সন্ত তুকাৰাম আৰু জ্ঞানেশ্বৰ ভক্তিবাদৰ সমৰ্থক হলেও শঙ্কৰাচাৰ্য্যৰ বিচাৰধাৰাক স্বীকাৰ কৰি লৈছে।

ৰামানুজাচার্য্য (খৃ. ১১০০ শতিকা) হ'ল গীতাৰ আন এগৰাকী ভাষ্যকাৰ। তেওঁৰ ভাষ্যত জগতৰ অবাস্তৱতাৰ ধাৰণা আৰু নিষ্কাম কর্মমার্গৰ ধাৰণাক খণ্ডন কৰা হৈছে। ৰামানুজৰ ভাষ্য অনুসৰি বিষ্ণুই হ'ল ব্রহ্ম। তেৱেঁই একমাত্র পূজ্য দেৱতা, তেওঁৰ দিব্য বিভূতিৰ কোনো অংশীদাৰ নাই। বৈকুণ্ঠত বিষ্ণুৰ সঙ্গলাভ আৰু তেওঁৰ সেৱাত নিৰত হোৱাই হ'ল মোক্ষ।

আচার্য্য মধ্বই (খৃ. ১১৯৯ - খৃ. ১২৭৬) গীতাৰ আধাৰত দুখন ৰচনা প্রণয়ন কৰিছে - গীতাভাষ্য আৰু গীতা-তাৎপর্য্য। মধ্বাচার্য্যই গীতাৰপৰা তেওঁৰ নিজস্ব দ্বৈতবাদ দর্শনৰ প্রমাণ সংগ্রহ কৰাৰ চেষ্টা কৰিছে।

দ্বৈতাদ্বৈতবাদী আচার্য্য নিম্বার্কৰ (খৃ. ১২০০ শতিকা) ব্রহ্মসূত্রৰ আধাৰত পুথি আছে। তেওঁৰ শিষ্য কেশৱকাশ্মীৰীয়ে 'তত্ত্বপ্রকাশিকা' নামৰ গীতাভাষ্য ৰচনা কৰিছে। নিম্বার্কৰ মতে জীৱ, জগৎ আৰু ঈশ্বৰ পৰস্পৰ ভিন্ন। পিছে, জীৱ আৰু জগতৰ অস্তিত্ব আৰু ক্রিয়া ঈশ্বৰৰ ইচ্ছাৰ অধীন। এই বিচাৰধাৰাৰে 'তত্ত্বপ্রকাশিকা'ত গীতাৰ ব্যাখ্যা কৰা হৈছে।

বল্লভাচার্য্য (খৃ- পঞ্চদশ শতিকা) হ'ল শুদ্ধাদ্বৈতবাদৰ প্রৱর্ত্তক। তেওঁৰ মতে জীৱ হ'ল শুদ্ধ আৰু মায়াৰ প্রভাৱৰপৰা মুক্ত। এই জীৱ আৰু পৰম ব্রহ্ম অভিন্ন। স্ফুলিঙ্গ যিদৰে অগ্নিৰ অংশ, সেইদৰে আত্মাও পৰমাত্মাৰ অংশবিশেষ। ব্রহ্মকৃপা অবিহনে মোক্ষলাভ সম্ভৱ নহয়। মোক্ষলাভৰ শ্রেষ্ঠ উপায় হ'ল ঈশ্বৰভক্তি।

প্রাচীন সংস্কৃতজ্ঞ বেদান্তবাদীসকলৰ ভাষ্যৰ উপৰি অর্বাচীন কালৰ ভাষ্যকাৰসকলৰ ভিতৰত বালগঙ্গাধৰ তিলক আৰু শ্রীঅৰবিন্দ অতি প্রসিদ্ধ। মহামানৱ মহাত্মা গান্ধীৰো গীতা সম্বন্ধে নিজস্ব দৃষ্টিভঙ্গী আছে। এই সন্দর্ভতে ড° ৰাধাকৃষ্ণনৰ গীতা ব্যাখ্যাও উল্লেখনীয়। উল্লেখনীয় যে বিভিন্ন ভাষ্যকাৰে নিজ নিজ মতাদর্শৰদ্বাৰা প্রভাৱিত হৈ গীতাৰ ভাষ্য ৰচনা কৰিলেও, এই ভাষ্যসমূহ পৰস্পৰ বিৰোধী বুলি ক'ব নোৱাৰি। বৰং ইটোক আনটোৰ পৰিপূৰক হিচাপেহে গণ্য কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ গীতাত কেইটা অধ্যায় আছে?

.....

প্রশ্ন নং ৪ঃ খালী ঠাই পূৰণ কৰক -

(ক) গীতাক ..... ৰ অংশ বুলি গণ্য কৰা হয়।

(খ) গীতাত ..... টা শ্লোক আছে।

(গ) গীতাৰ প্রাচীনতম ভাষ্যকাৰ হ'ল ..... ।

(ঘ) গীতা মহাভাৰতৰ ..... পর্বৰ অন্তর্গত।

৩.৭ গীতাৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ সাৰাংশ

প্ৰথম অধ্যায় ঃ- 'অৰ্জুনবিষাদযোগ' নামৰ প্ৰথম অধ্যায়ৰ আৰম্ভণিত পোৱা যায় যে কুৰুক্ষেত্ৰৰ ৰণভূমিত কৌৰৱ আৰু পাণ্ডৱসকল পৰস্পৰৰ বিৰুদ্ধে সমবেত হোৱা জানিব পাৰি জন্মান্ধ ৰজা ধৃতৰাষ্ট্ৰই সঞ্জয়ক যুদ্ধৰ বিষয়ে জনাবলৈ কৈছে। দৈৱদৃষ্টিসম্পন্ন সঞ্জয়ে তেতিয়া যুদ্ধৰ বৰ্ণনা দিবলৈ লৈছে। সঞ্জয়ে কৈছে যে যুদ্ধক্ষেত্ৰত অৰ্জুনৰ কথা অনুসৰি তেওঁৰ ৰথৰ সাৰথি ভগৱান কৃষ্ণই উভয় সেনাদলৰ মাজত ৰথখন ৰখাইছে। বিপক্ষৰ যোদ্ধাসকলৰ মাজত পিতামহ, ভীষ্ম, দ্ৰোণাচাৰ্য্য প্ৰভৃতি গুৰু আৰু অন্যান্য আত্মীয়সকলক দেখিবলৈ পাই মহাধনুৰ্দ্ধৰ অৰ্জুন ব্যথিত হৈছে। তেওঁৰ শৰীৰ কঁপিবলৈ ধৰিছে, মুখ শুকাই গৈছে। তেওঁৰ বিখ্যাত গাণ্ডীৱ ধনু হাতৰপৰা সুলকি গৈছে, শৰীৰ যেন দগ্ধ হৈ পৰিছে। তেওঁ সখা কৃষ্ণক কৈছে যে আত্মীয়সকলক বধ কৰি তেওঁ যুদ্ধত বিজয় সাব্যস্ত কৰিব নিবিচাৰে। এই যুদ্ধজয় তেওঁৰ বাবে নিৰৰ্থক। যুদ্ধৰ পৰিণাম স্বৰূপে তেওঁৰ সমগ্ৰ বংশ ধ্বংস হ'ব। বংশবিলোপ কৰা মহান অধৰ্ম, মহাপাপ। গতিকে তেওঁ যুদ্ধত অস্ত্ৰ তুলি নলয়। তেনে অৱস্থাত প্ৰতিপক্ষই যদি তেওঁক বধ কৰে, সেয়াও তেওঁৰ কাম্য। কৃষ্ণক এইদৰে কৈ অৰ্জুনে ধনু-শৰ পৰিত্যাগ কৰি শোকবিহ্বল হৈ ৰ'ল।

দ্বিতীয় অধ্যায় - শ্ৰীমদ্ভগৱদ গীতাৰ দ্বিতীয় অধ্যায়টোৰ নাম হ'ল - সাংখ্যযোগ। মহাযোদ্ধা অৰ্জুনক হতাশ হৈ পৰা দেখি ভগৱান কৃষ্ণই তেওঁক উৎসাহিত কৰিবলৈ ধৰিলে। অৰ্জুনে ক'লে যে আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, গুৰু প্ৰভৃতি লোকসকলক যুদ্ধত নিধন কৰিবলৈ ওলোৱাতকৈ নিজৰ মৃত্যুই কাম্য। অৰ্জুনে বিষাদ গ্ৰস্ত হৈ কৃষ্ণৰ উপদেশ বিচাৰিলে। ভগৱান কৃষ্ণই অৰ্জুনক উদ্দেশ্য কৰি ক'লে যে সংসাৰত সকলো প্ৰাণীৰে মৰণ হ'ল এটা স্বাভাৱিক ঘটনা, ইয়াৰ ব্যতিক্ৰম নাই। যিসকল বীৰ যোদ্ধা অৰ্জুনৰ সন্মুখত দণ্ডায়মান, তেওঁলোকৰো মৃত্যু অৱশ্যম্ভাৱী। গতিকে ইয়াত কাতৰ হোৱা অনুচিত। ক্ষত্ৰিয় সন্তান হিচাপে যুদ্ধত অংশ লোৱাটো অৰ্জুনৰ কৰ্ত্তব্য। ফলৰ কথা চিন্তা নকৰি কৰ্মত প্ৰবৃত্ত হোৱা যুগুত। অৰ্জুনৰ পুনঃ প্ৰশ্নৰ উত্তৰত ভগৱানে স্থিতপ্ৰজ্ঞ ব্যক্তিৰ লক্ষণসমূহ বৰ্ণনা কৰিবলৈ ল'লে। যিসকল ব্যক্তি সুখ-দুঃখ, ভয়-ক্ৰোধ আদিৰদ্বাৰা অস্থিৰ হৈ নপৰে, যিয়ে ইন্দ্ৰিয়সমূহ সংযত কৰিব পাৰে, তেওঁলোকেই স্থিতপ্ৰজ্ঞ। তেনে ব্যক্তিৰ চিত্ত সকলো অৱস্থাতেই সন্তুষ্ট আৰু পৰম পুৰুষৰ ওপৰত নিবিষ্ট। তেওঁলোকেই সংসাৰত পৰম শান্তি লাভ কৰিবলৈ সক্ষম হয়।

তৃতীয় অধ্যায় - শ্ৰীমদ্ভগৱদগীতাৰ এই অধ্যায়টোৰ নাম হ'ল - কৰ্মযোগ। কৰ্মযোগ আৰু বুদ্ধিযোগৰ ভিতৰত কোনটো শ্ৰেষ্ঠতৰ, সেই বিষয়ে অৰ্জুনৰ মনত সন্দেহ উপজিল। তেওঁৰ সন্দেহ দূৰ কৰাৰ বাবে তেওঁ বান্ধৱ কৃষ্ণক পৰামৰ্শ দিবলৈ অনুৰোধ জনালে। ভগবানে উত্তৰ দিলে যে জ্ঞান আৰু কৰ্ম - দুয়োটিয়ে উত্তম। পিছে সকলোৰে বাবে দুয়োটা অন্বেষণীয় নহয়। নিষ্কাম কৰ্মত প্ৰবৃত্ত হ'ব নোৱাৰিলে জ্ঞান আহৰণ অসম্ভৱ; কৰ্মই প্ৰথম সোপান। লোকক দেখুৱাই ইন্দ্ৰিয় জয় কৰা অনুচিত। কৰ্মফলৰ প্ৰতি আসক্তি শূন্য হব পৰাটো ডাঙৰ কথা। প্ৰকৃত জ্ঞানী লোকৰ বাবে কৰ্ম সম্পাদন কৰা বা নকৰাৰ মাজত একো পাৰ্থক্য নাই। কিন্তু তথাপি কৰ্ম কৰিবই

লাগিব, অন্যথা সংসাৰৰ গতি স্তব্ধ হৈ যাব। অর্জুনে পুনর্বাৰ প্রশ্ন কৰিলে, যে মানুহেনো কেলেই জানি - বুজিও পাপত লিপ্ত হয়। কৃষ্ণই ব্যক্ত কৰিলে যে কামনা - বাসনাৰ বাবেই মানুহে অনুচিত কর্মত প্রবৃত্ত হয়। সেইহে ইন্দ্রিয়দমন কৰি সকলো কামনাক বিসর্জন দিব লাগে।

চতুর্থ অধ্যায় - শ্রীমদ্ভগৱদ্‌গীতাৰ চতুর্থ অধ্যায়টোৰ নাম জ্ঞানকর্মসন্ন্যাসযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই অর্জুনক কৈছে যে জ্ঞানযোগৰ বিষয়ে তেওঁ পূর্বে সূর্যদেৱক অৱগত কৰাইছিল। কালক্রমত সেয়া বিলুপ্ত হৈছে। সেয়েহে বান্ধৱ অর্জুনক সেই বিষয়ে তেওঁ পুনৰায় উপদেশ দিবলৈ ওলাইছে। ভগৱানে কৈছে তেওঁকে লৈ সকলো প্রাণীৰে এই জন্মৰ পূর্বে বহুবাৰ জন্ম হৈছে। অর্জুনে নাজানিলেও তেওঁ সেই বিষয়ে ভালদৰে জানে। দৰাচলতে তেওঁৰ কোনো জন্ম নাই। পিছে সংসাৰত ধর্মৰ গতি বাধাপ্রাপ্ত হ'বলৈ ওলালে তেওঁ দুষ্টক দমন কৰি সাধুৰ ৰক্ষাৰ বাবে পৃথিৱীত অৱতাৰ ৰূপ গ্রহণ কৰে। ভগবানে কৈছে যে ব্রাহ্মণ, ক্ষত্রিয় প্রভৃতি চাৰি বর্ণ গুণ আৰু কর্ম অনুসৰি তেওঁ বিভাজন কৰিছে। কর্ম আৰু অকর্মৰ পার্থক্য বুজা কঠিন। পিছে, কামনা ত্যাগ কৰি কর্ম কৰিব পাৰিলে সংসাৰ বন্ধনৰপৰা মুক্তি লাভ সম্ভৱ। যোগীসকলে নানা ধৰণৰ যজ্ঞ সম্পাদন কৰে; পিছে জ্ঞান-যজ্ঞহে উৎকৃষ্ট। জ্ঞানৰ প্রভাৱত মহাপাপীয়েও মুক্তি লাভ কৰে। জ্ঞানৰ সমান পৱিত্র একো নাই। জ্ঞানৰূপ অস্ত্রৰদ্বাৰা সকলো সন্দেহ দূৰ কৰিবলৈ ভগৱানে অর্জুনক উপদেশ দিছে।

পঞ্চম অধ্যায় - গীতাৰ পঞ্চম অধ্যায়টোৰ নাম কর্মসন্ন্যাসযোগ। এই অধ্যায়ত শ্রীকৃষ্ণই অর্জুনক কৈছে যে একমাত্র জ্ঞানেহে সকলো প্রকাৰৰ কর্মফল বিনষ্ট কৰিব পাৰে। কর্মতকৈ জ্ঞান শ্রেষ্ঠ। বস্তুতঃ কর্মফল ত্যাগ কৰিব পৰাটোৱেই জ্ঞান। অর্জুনৰ সংশয়ৰ উত্তৰ হিচাপে ভগৱানে আকৌ কৈছে যে কর্ম কৰা আৰু নকৰা - এই দুটাৰ ভিতৰত কর্ম কৰাই ভাল। নিষ্কাম কর্মযোগ সকলোৰে বাবে হিতকৰ। কর্মযোগ নহ'লে কর্মফল ত্যাগৰ কথা আহিব নোৱাৰে। নিষ্কাম কর্ম কৰিলে মানুহে সংসাৰ বন্ধনৰপৰা মুক্ত হ'ব পাৰে। প্রকৃত জ্ঞানীজনৰ বাবে প্রিয়-অপ্রিয়ৰ মাজত কোনো পার্থক্য নাই। তেওঁলোকে নিজৰ মনতেই প্রকৃত সুখ লাভ কৰে। যি ব্যক্তিয়ে কাম-ক্রোধ আদি জয় কৰিব পাৰে, তেৱেঁই প্রকৃত সুখী। ভগৱানেই সকলো যজ্ঞ আৰু তপস্যাৰ ফলদাতা, সকলোৰে ঈশ্বৰ তথা বন্ধু - এই জ্ঞান লাভ হ'লেও জীৱৰ মুক্তিলাভ সম্ভৱ।

ষষ্ঠ অধ্যায় - গীতাৰ ষষ্ঠ অধ্যায়টোৰ নাম আত্মসংযমযোগ। এই অধ্যায়টিত ভগৱান কৃষ্ণই কৈছে যে যি ব্যক্তিয়ে কর্মৰ ফলৰ প্রতি আকাঙ্ক্ষা পোষণ কৰে, তেৱেঁই জ্ঞানযোগী। নিষ্কাম কর্ম সম্পাদন কৰা আৰু কর্মত্যাগ কৰা দৰাচলতে একেই কথা। পিছে জ্ঞানযোগী ব্যক্তিয়ে প্রথম অৱস্থাত নিষ্কাম কর্ম কৰা ভাল, তেতিয়াহে পিছলৈ কর্মত্যাগ কৰা সম্ভৱ। যাৰ চিত্ত স্থিৰ, তেঁৱেই প্রকৃত যোগী। বিবেকৰদ্বাৰা ইন্দ্রিয় দমন কৰি লাহে লাহে বিষয়-বাসনা ত্যাগ কৰিব লাগে। যি ব্যক্তিয়ে সকলোৰে মাজত ভগৱানক অনুভৱ কৰে, তেৱেঁই প্রকৃত মুক্ত। ভগৱানে পুনৰায় কৈছে যে মানুহৰ মন অতিশয় চঞ্চল। মাথোন অভ্যাস আৰু বৈৰাগ্যৰদ্বাৰা চঞ্চল মনক বশীভূত কৰিব পাৰি। অর্জুনৰ জিজ্ঞাসাৰ উত্তৰ হিচাপে শ্রীকৃষ্ণই পুনৰায় কৈছে যে যোগভ্রষ্ট হলেও কোনো লোকৰ শুভকর্মৰ শুভফল অনিবার্য্য। এবাৰৰ জন্মত যোগভ্রষ্ট হ'লেও পৰৱর্তী

জন্মত সেই ব্যক্তিয়ে পুনৰায় যোগযুক্ত হৈ পৰম সিদ্ধিৰ প্ৰতি অগ্ৰসৰ হয়। এবাৰৰ মনুষ্যজন্মত মুক্তি লাভ সম্ভৱ নহব পাৰে। তপস্বী, কৰ্মী বা জ্ঞানীসকলতকৈ যোগীসকল শ্ৰেষ্ঠ। আনহাতে, যোগীসকলৰ ভিতৰতো ভগৱানৰ ভক্তগৰাকীহে শ্ৰেষ্ঠ।

সপ্তম অধ্যায় - গীতাৰ সপ্তম অধ্যায়টোৰ নাম জ্ঞানবিজ্ঞানযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই কৈছে যে প্ৰকৃত জ্ঞান লাভ কৰিব পাৰিলে শাস্ত্ৰীয় জ্ঞান আৰু অনুভূতি নিৰৰ্থক হৈ ৰয়। সংসাৰৰ অসংখ্য লোকৰ মাজত দুই এজনেহে ভগৱানক পাবলৈ কামনা কৰে, প্ৰকৃত ভগৱদ্‌ভক্ত ভগৱানক লাভ কৰিবলৈ সমৰ্থ হয়। পৰা আৰু অপৰা নামৰ ভগৱানৰদ্বাৰা সৃষ্টি দুটি প্ৰকৃতিৰদ্বাৰা জগতৰ উৎপত্তি হৈছে। ভগৱানৰ মায়াৰ দ্বাৰা সকলো আচ্ছাদিত। প্ৰকৃত ভক্তইহে মায়াৰ উৰ্দ্ধলৈ যাব পাৰে। ভগবানৰ উপাসক সকলৰ ভিতৰত জ্ঞানীসকলহে শ্ৰেষ্ঠ। তেওঁলোকে বহু জন্মৰ পিছতহে ভগৱানক লাভ কৰে। অন্য দেৱতাৰ উপাসনা কৰা লোক সকলো দৰাচলতে ভগৱান কৃষ্ণৰেই উপাসক। ভগৱান সদায় যোগমায়াৰদ্বাৰা আচ্ছন্ন বাবে মানুহে তেওঁৰ স্বৰূপ বুজিব নোৱাৰে। সংসাৰৰ দুখ-শোক আদিৰ পৰা পৰিত্ৰাণৰ বাবে যিসকলে ভগৱানৰ সেৱা কৰে, তেওঁলোকে ব্ৰহ্মজ্ঞানৰ অধিকাৰী হয়।

অষ্টম অধ্যায় - শ্ৰীমদ্ভগৱদ্‌গীতাৰ অষ্টম অধ্যায়টোৰ নাম অক্ষৰব্ৰহ্মযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই কেইটামান তত্ত্ব ব্যাখ্যা কৰিছে। পোনতে ব্ৰহ্মৰ বিষয়ে কোৱা হৈছে যে জগতৰ মূল কাৰণস্বৰূপ, শাশ্বত, বিকাৰশূন্য তত্ত্বই পৰম ব্ৰহ্ম। আকৌ, জীৱদেহত যি জীৱাত্মাৰূপে বিৰাজমান, সেয়াই অধ্যাত্ম। যাৰ জন্ম আৰু বিনাশ আছে, সেয়া অধিভূত। দেৱযজ্ঞ প্ৰভৃতিক কৰ্ম বুলি কোৱা হয়। সৃষ্টিৰ কৰ্ত্তা হিৰণ্যগৰ্ভ হ'ল অধিদৈৱ। মানুহৰ শৰীৰত অন্তৰ্যামী হিচাপে বিৰাজমান ভগৱানেই হ'ল অধিযজ্ঞ। ভগৱানে পুনৰায় কৈছে যে মৃত্যুকালত মানুহে যি চিন্তা কৰে, পৰজন্মত সেই ভাৱনা লৈয়েই জন্মলাভ কৰে। মৃত্যুৰ সময়ত যিয়ে ভগৱানক চিন্তা কৰে, তেওঁ ভগৱানকেই লাভ কৰে। জগতত সকলোৰে পুনৰ্জন্ম হয়। পিছে, যিয়ে ভগৱানক লাভ কৰে, তেওঁ পুনৰ্জন্মৰপৰা মুক্ত হয়। যিয়ে ভগৱানক লাভ কৰিবৰহে কামনা কৰে, তেওঁ প্ৰকৃত তত্ত্ব বা জ্ঞানৰ অধিকাৰী। তেনে ব্যক্তিক পাপ-পুণ্য আদিয়ে আবৃত কৰিব নোৱাৰে। তেঁৱেই মুক্তি লাভ কৰে।

নৱম অধ্যায় - শ্ৰীমদ্ভগৱদ্‌গীতাৰ নৱম অধ্যায়টোৰ নাম ৰাজবিদ্যাৰাজগুহ্যযোগ। এই অধ্যায়ত ভগৱানে সখা অৰ্জুনক পৰম গোপন তত্ত্ব অৱগত কৰাইছে। এয়াই শ্ৰেষ্ঠ বিদ্যা, এয়াই প্ৰকৃত জ্ঞান। শ্ৰীকৃষ্ণই কৈছে যে তেওঁ সমগ্ৰ জগতক ব্যাপৃত কৰি আছে, অথচ সেই জগতত তেওঁ নাই। সমগ্ৰ জগতে তেওঁকেই আশ্ৰয় কৰি বৰ্ত্তি আছে, পিছে ভগৱানৰ সৈতে ইয়াৰ সম্পৰ্ক নাই। মায়াক আশ্ৰয় কৰি ভগৱানে জীৱৰ বাৰম্বাৰ জন্ম-মৃত্যু ঘটাই থাকে। ভগৱানৰ ইচ্ছানুসৰি প্ৰকৃতিয়ে জগৎ সৃষ্টি কৰে। ভগৱানে মনুষ্যৰূপ ধাৰণ কৰিলে, হীনবুদ্ধিসকলে তেওঁক গুৰুত্ব নিদিয়ে। কিন্তু যিসকল প্ৰকৃত জ্ঞানী, তেওঁলোকে ভগৱানক নিবিষ্টচিত্তে উপাসনা কৰে। ভিন ভিন উপাসকে ভিন ভিন পদ্ধতিৰে ভগৱানক পাবলৈ যত্ন কৰে। যিয়ে একাগ্ৰচিত্তে ভগৱান কৃষ্ণৰ উপাসনা কৰে, তেওঁ অন্য দেৱতাৰ উপাসনা নকৰিলেও হয়। পাপাত্মাজনেও ভগৱানৰ উপাসনাৰদ্বাৰা পুণ্যবান হৈ পৰে। ভগৱানৰ ভক্তৰ বিনাশ নাই।

দশম অধ্যায় - শ্রীমদ্ভগৱদ্‌গীতাৰ দশম অধ্যায়টোৰ নাম বিভূতিযোগ। এই অধ্যায়টিত ভগৱান কৃষ্ণই অর্জুনক কৈছে যে তেঁৱেই সকলো পদার্থৰ ভিতৰত শ্রেষ্ঠ, তেঁৱেই সকলোৰে সাৰ। ভগৱানৰ এই অমেয় ঐশ্বর্য্যৰ বিষয়ে দেৱতা তথা ঋষিসকলেও ভালদৰে নাজানে। যিসকলে জানে তেওঁলোকে আত্মজ্ঞ। অর্জুনে তেতিয়া ভগৱানৰ মহিমাৰ বিষয়ে জানিবলৈ আগ্রহ প্রকাশ কৰিলে। ভগৱান কৃষ্ণই তেওঁৰ ঐশ্বর্য্যৰ বিষয়ে চমুকৈ ক'বলৈ ধৰিলে; কিয়নো বিস্তৃতভাৱে বর্ণনা কৰিলে ইয়াৰ ওৰ নপৰিব। ভগৱান সকলো প্রাণীৰে হৃদয়স্থিত আত্মা। চাৰিবেদৰ ভিতৰত তেওঁ সামবেদ, দেৱগণৰ ভিতৰত ইন্দ্র, ইন্দ্রিয়সমূহৰ ভিতৰত মন। দেৱকুল আৰু ঋষিকুলৰ তেঁৱেই আদি। পুৰোহিতসকলৰ ভিতৰত তেওঁ বৃহস্পতি, সেনাপতিসকলৰ ভিতৰত কার্ত্তিক, মহার্ষিসকলৰ ভিতৰত ভৃগু, পর্বতসমূহৰ ভিতৰত হিমালয়। বৃক্ষসমূহৰ ভিতৰত তেওঁ অশ্বত্থ, দেৱর্ষিসকলৰ ভিতৰত নাৰদ, সিদ্ধসকলৰ ভিতৰত কপিল। অশ্বসমূহৰ ভিতৰত তেওঁ উচ্চৈঃশ্রবা, হস্তীসমূহৰ ভিতৰত ঐৰাৱত আৰু মানুহৰ ভিতৰত তেওঁ ৰজা। দৈত্যসমূহৰ ভিতৰত তেওঁ প্রহ্লাদ, যদুকুলত কৃষ্ণ, পাণ্ডৱসকলৰ বিতৰত অর্জুন, মুনিসকলৰ ভিতৰত ব্যাসদেৱ। ভগৱান কৃষ্ণই সকলো প্রাণীৰ আদি কাৰণ। ভগৱানৰ বিভূতি অন্তহীন। জগতৰ যিবোৰ পদার্থ ভাল বা মহৎ সেই সকলোবোৰ ভগৱানৰ অংশবিশেষ। ভগৱানৰ মহিমাৰ আংশিক পৰিমাণেই জগতৰ স্থিতিৰ বাবে পর্য্যাপ্ত।

একাদশ অধ্যায় - শ্রীমদ্ভগৱদ্‌গীতাৰ একাদশ অধ্যায়টোৰ নাম বিশ্বৰূপদর্শনযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণৰ অলৌকিক বিভূতিৰ কথা শুনি অর্জুনে সেই বিভূতিময় ৰূপ দর্শন কৰিবলৈ ইচ্ছা কৰিলে। সাধাৰণ চকুৰে সেই দিব্যৰূপ দর্শন কৰা অসম্ভৱ। সেয়েহে ভগৱানে তেওঁক দিব্যচক্ষু প্রদান কৰিলে। অর্জুনে তেতিয়া কৃষ্ণৰ সেই বিশাল ৰূপ দেখিবলৈ পালে। বহু হাত-ভৰি-চকু-মুখ সমন্বিত, আভৰণদ্বাৰা পৰিপূর্ণ ভগৱানৰ সেই ৰূপ দেখি অর্জুন চকিত হ'ল। হাজাৰ সূর্য্যৰদৰে আলোকময় সেই ৰূপ দেখি অর্জুন ভীতসন্ত্রস্ত আৰু বিস্মিত হ'ল। ভগৱানৰ সেই বিশাল শৰীৰত সমস্ত দেৱতা, প্রাণী, স্বয়ং স্রষ্টা, সমগ্র ঋষি-মুনি আদি বিৰাজমান। ভীষ্ম, দ্রোণ, কর্ণ, দুর্য্যোধন আদি বীৰসকল ভগৱানৰ বিশাল ৰূপৰ মুখগহ্বৰত প্রৱেশ কৰিছে। ভগৱানৰ এই মূর্ত্তিৰ প্রকৃত স্বৰূপ ঠাৱৰ কৰিবলৈ অর্জুন অপাৰগ হ'ল। তেতিয়া কৃষ্ণই ক'লে যে তেঁৱেই সংহাৰকর্ত্তা, মহাকাল। ভীষ্ম, দ্রোণ আদিক তেওঁ পূর্বেই নিধন কৰিছে, অর্জুন এতিয়া মাথোন নিমিত্তহে হ'ব লাগে। অর্জুনে কৃষ্ণৰ স্তুতি কৰিবলৈ লাগিল আৰু এই বিশাল ৰূপ সংবৰণ কৰিবলৈ প্রার্থনা জনালে। ভগৱান কৃষ্ণই তেতিয়া পূর্বৰ ৰূপ ধাৰণ কৰিলে। কৃষ্ণই ক'লে যে তেওঁৰ সেই বিশাল ৰূপ দেৱতাসকলেও দেখিবলৈ নাপায়। মাথোন একনিষ্ঠ ভক্তি থকা ব্যক্তিয়েহে সেই ৰূপ দর্শন কৰিব পাৰে।

দ্বাদশ অধ্যায় - শ্রীমদ্ভগৱদ্‌গীতাৰ দ্বাদশ অধ্যায়টোৰ নাম ভক্তিযোগ। এই অধ্যায়টিত কৃষ্ণৰ বিশ্বৰূপ দর্শন কৰাৰ পিছত অর্জুনে প্রশ্ন কৰিছে যে যিয়ে কৃষ্ণৰ উদ্দেশ্যে কর্ম সম্পাদন কৰি তেওঁৰ আৰাধনা কৰে আৰু যিয়ে নির্গুণ ব্রহ্মৰ উপাসনা কৰে, এই দুই শ্রেণীৰ ব্যক্তিৰ ভিতৰত শ্রেষ্ঠতৰ কোন? কৃষ্ণই উত্তৰ দি কৈছে যে যিয়ে তেওঁৰ উপাসনা কৰে, তেঁৱেই শ্রেষ্ঠ। অৱশ্যে নির্গুণ ব্রহ্মৰ উপাসক ব্যক্তিও দৰাচলতে তেওঁৰেই উপাসক। পিছে নির্গুণ ব্রহ্মৰ

উপাসকসকলৰ কষ্ট অধিক। যিয়ে কৃষ্ণকেই একমাত্ৰ আৰাধ্য বুলি জ্ঞান কৰি সমস্ত কৰ্ম তেওঁৰ ওপৰত অৰ্পণ কৰে, তেওঁক ভগৱানে সংসাৰ বন্ধণৰপৰা মুক্ত কৰে। ভগৱানৰ ওপৰত মন স্থিৰ কৰিব নোৱাৰিলে অন্য কিবাত মন স্থিৰ কৰি যোগাভ্যাস কৰা উচিত। সেয়া কৰিবলৈ নোৱাৰিলে মাথোন ভগৱানৰ উদ্দেশ্যেই কৰ্ম কৰা উচিত। সেয়া কৰিব নোৱাৰিলে কৰ্মফল ত্যাগ কৰিবলৈ যত্নপৰ হোৱা উচিত। ভগৱানে তেওঁৰ ভক্তৰ গুণৰাশি বৰ্ণনা কৰি কৈছে যে যি ভক্তই কাকো ঈৰ্ষা নকৰে, সকলোকে ভাল পায় আৰু দয়া কৰে, সেই ভক্ত ভগৱানৰ প্ৰিয়। যিয়ে কাকো কষ্ট নিদিয়ে বা আনে কৰা কামত নিজে কষ্ট নাপায়, সেই ভক্ত ভগৱানৰ অতি প্ৰিয়। তেনে ভক্তগৰাকী শত্ৰু-মিত্ৰৰ প্ৰতি সমভাৱাপন্ন, নিন্দা-প্ৰশংসাত অবিচল আৰু সকলো বিষয়তে সন্তুষ্ট। এনেকুৱা আচৰণৰ প্ৰতি আগ্ৰহশীল, শ্ৰদ্ধাপৰায়ণ ভক্তগৰাকী ভগৱানৰ অতি প্ৰিয়।

ত্ৰয়োদশ অধ্যায় - শ্ৰীমদ্ভগৱদ্‌গীতাৰ ত্ৰয়োদশ অধ্যায়টোৰ নাম ক্ষেত্ৰক্ষেত্ৰজ্ঞবিভাগযোগ।

এই অধ্যায়ত ভগৱান কৃষ্ণই ক্ষেত্ৰ, ক্ষেত্ৰজ্ঞ, জ্ঞান, জ্ঞেয়, প্ৰকৃতি পুৰুষ আদিৰ বিষয়ে ব্যক্ত কৰিছে। শৰীৰৰ নাম ক্ষেত্ৰ, আত্মা হ'ল ক্ষেত্ৰজ্ঞ বা ক্ষেত্ৰী। সকলো ক্ষেত্ৰতেই ভগৱান কৃষ্ণ ক্ষেত্ৰজ্ঞ হিচাবে বিৰাজমান। ভগৱানে পুনৰ কৈছে যে প্ৰকৃতি, বুদ্ধি, অহঙ্কাৰ প্ৰভৃতি চৌবিশটা পদাৰ্থ, ইচ্ছা, দ্বেষ আদিক ক্ষেত্ৰ বোলা হয়। অহঙ্কাৰশূন্যতা, অহিংসা, ক্ষমা, সমবুদ্ধি আদিক জ্ঞান বোলা হয়। এইবিলাকৰ বিপৰীতটোৱেই হ'ল অজ্ঞান। প্ৰকৃতি আৰু পুৰুষ অনাদি সত্তা। প্ৰকৃতিৰপৰা সকলো বিকাৰ আৰু গুণৰ উৎপত্তি হয়। পুৰুষৰপৰা একোৱে উৎপত্তি নহয়, পুৰুষ হ'ল সাক্ষী, নিৰ্বিকাৰ। শৰীৰস্থ হ'লে আত্মা দৰাচলতে বন্ধনমুক্ত। ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ প্ৰভেদ যিসকলে বুজি পায়, তেওঁলোকৰ মুক্তি নিশ্চিত।

চতুৰ্দশ অধ্যায় - শ্ৰীমদ্ভগৱদ্‌গীতাৰ চতুৰ্দশ অধ্যায়টোৰ নাম গুণত্ৰয়বিভাগযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই সত্ত্ব, ৰজঃ, তমঃ - এই তিনিগুণৰ বিষয়ে অৰ্জুনক উপদেশ দিছে। ভগৱানে কৈছে তেঁৱেই জগতৰ পিতৃ আৰু প্ৰকৃতি হ'ল মাতৃ। প্ৰকৃতিৰপৰাই ত্ৰিগুণৰ উৎপত্তি হয়। সত্ত্বগুণ নিৰ্মল, ইয়ে জ্ঞানৰ উদ্ৰেক ঘটায়। ৰজোগুণ কামনাস্বৰূপ, ইয়ে কৰ্মত প্ৰবৃত্ত কৰায়। তমোগুণ অজ্ঞানৰপৰা উৎপন্ন, ইয়ে কষ্ট দিয়ে। সত্ত্ব গুণৰ প্ৰাবল্যত জ্ঞান প্ৰকাশিত হয়। ৰজোগুণ প্ৰৱল হ'লে লোভ, কৰ্মপ্ৰবৃত্তি আদি হয়। তমোগুণৰ প্ৰভাৱত বুদ্ধিনাশ, কৰ্মৰ প্ৰতি অনিচ্ছা আদি হয়। এই ত্ৰিগুণৰপৰা হাত সৰাৰ উপায়ৰ বিষয়ে অৰ্জুনে সোধাত ভগৱানে কৈছে যে যাৰ কোনো প্ৰিয় বা অপ্ৰিয় নাই; সুখ-দুখ, মান-অপমান আদি যাৰ বাবে সমান, আৰু যাৰ কোনো বিষয়ৰ প্ৰতি বিশেষ আগ্ৰহ নাই, তেঁৱেই ত্ৰিগুণৰ প্ৰভাৱৰপৰা মুক্ত হ'ব পাৰে। আকৌ, যিয়ে আন একো নকৰি একমাত্ৰ ভগৱানকেই সেৱা কৰে, তেৱোঁ গুণত্ৰয়ৰ প্ৰভাৱৰ ঊৰ্দ্ধলৈ যাব পাৰে।

পঞ্চদশ অধ্যায় - শ্ৰীমদ্ভগৱদ্‌গীতাৰ পঞ্চদশ অধ্যায়টোৰ নাম পুৰুষোত্তমযোগ। ইয়াত ভগৱান কৃষ্ণই কৈছে যে এই সংসাৰখন এজোপা আঁহত গছৰ নিচিনা; ব্ৰহ্ম হ'ল এই গছৰ শিপা, বুদ্ধি, অহঙ্কাৰ প্ৰভৃতি হ'ল ইয়াৰ ডাল আৰু বেদ হ'ল পাত। এই সংসাৰৰূপ বৃক্ষৰ বিনাশ নাই। মনক আসক্তিৰপৰা নিলগাই ৰাখিব পাৰিলে সংসাৰ-বৃক্ষ ছেদন কৰি পৰম-পদ লাভ কৰিব

পাৰি। মান-অপমান , মায়া-মোহ, আসক্তি, সুখ-দুখ আদি ত্যাগ কৰিব পাৰিলে সেই পৰম পদ লাভ কৰা সম্ভৱ। ভগৱানে কৈছে যে জীৱাত্মা হৈছে তেওঁৰেই অংশ। মন আৰু ইন্দ্ৰিয়সমূহক আশ্ৰয় কৰি জীৱাত্মাই সংসাৰত বিচৰণ কৰে। 'ক্ষৰ' আৰু 'অক্ষৰ' নামৰ দুটি পুৰুষ আছে। জগতৰ সমগ্ৰ বস্তুকেই 'ক্ষৰ' বোলা হয়। এই বস্তুসমূহৰ ভোক্তাগৰাকী হ'ল 'অক্ষৰ'। 'ক্ষৰ' আৰু 'অক্ষৰ'তকৈ ভিন্ন এক পুৰুষোত্তম আছে, তেওঁ নিত্য আৰু সৰ্বব্যাপক। পুৰুষোত্তমেই শ্ৰেষ্ঠ। শ্ৰীকৃষ্ণই কৈছে যে তেঁৱেই সেই পুৰুষোত্তম। জ্ঞানীসকলে পুৰুষোত্তমৰেই সেৱা কৰে।

ষোড়শ অধ্যায় - শ্ৰীমদ্ভগৱদ্‌গীতাৰ ষোড়শ অধ্যায়টোৰ নাম দৈৱাসুৰসম্পদ্বিভাগযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই দৈৱ (দেৱতাসুলভ) আৰু আসুৰ (অসুৰসুলভ) প্ৰকৃতিৰ কথা বৰ্ণনা কৰিছে। দৈৱ প্ৰকৃতিৰ ব্যক্তিৰ মনত নিৰ্ভীকতা, মনৰ শুদ্ধতা, দান, বেদপাঠ, যজ্ঞ, সৰলতা, দয়া, নিৰ্লোভতা, পৱিত্ৰতা আদি ভাৱনা বিৰাজ কৰে। আসুৰ প্ৰকৃতিৰ ব্যক্তিৰ মনত অহঙ্কাৰ, বৃথা আস্ফালন, অজ্ঞান আদি ভাৱনা থাকে। শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যে তেওঁৰ (অৰ্জুনৰ) দৈৱ প্ৰকৃতি জন্ম�ৰপৰাই আছে। দৈৱ প্ৰকৃতিৰ ফলত সংসাৰৰপৰা মুক্তি হয়; আসুৰ প্ৰকৃতিৰ বাবে সংসাৰত বন্ধন হয়। অসুৰ প্ৰকৃতিৰ লোকে ভগৱানক স্বীকাৰ নকৰে। বিভিন্ন আশা, কামনাৰ বশৱৰ্তী হৈ তেনে লোকে মাথোন ধনাদি সংগ্ৰহ আৰু সঞ্চয় কৰে। ধন সংগ্ৰহ কৰি বা শত্ৰু নিধন কৰিয়েই তেওঁলোকে মনোবাঞ্ছা পূৰ্ণ হোৱা বুলি ভাৱে। এনে ব্যক্তিৰ মনত হিংস্ৰভাৱ থাকে। ভগৱানে সিবিলাকক পশুৰ জন্ম লবলৈ বাধ্য কৰে। পৰবৰ্ত্তী জন্মত সেই পশুবোৰ আকৌ বিভিন্ন কীট-পতঙ্গৰ ৰূপত জন্ম লবলৈ বাধ্য হয়। সিহঁতে কেতিয়াও ভগৱানক লাভ কৰিব নোৱাৰে। ভগৱানে আকৌ কৈছে যে কাম, ক্ৰোধ আৰু লোভ হৈছে নৰকৰ দুৱাৰ। এইবিলাক ত্যাগ কৰা উচিত। শাস্ত্ৰ অনুসৰি কৰ্ম কৰিবলৈ ভগৱানে উপদেশ দিছে।

সপ্তদশ অধ্যায় - শ্ৰীমদ্ভগৱদ্‌গীতাৰ সপ্তদশ অধ্যায়টোৰ নাম শ্ৰদ্ধাত্ৰয়বিভাগযোগ। এই অধ্যায়টিত অৰ্জুনে শ্ৰীকৃষ্ণক সুধিছে - যিসকলে শাস্ত্ৰৰ বচনৰ প্ৰতি কাণসাৰ নকৰাকৈ শ্ৰদ্ধাৰে পূজা-যজ্ঞ আদি কৰে, তেওঁলোকৰ ফল কেনে ধৰণৰ হয়; সাত্বিক, ৰাজসিক নে তামসিক? ইয়াৰ উত্তৰ হিচাবে ভগৱানে কৈছে যে শ্ৰদ্ধা অনুসৰি মানুহৰ প্ৰকৃতি বুজিব পাৰি। সাত্ত্বিক লোকে দেৱতাৰ, ৰাজসিকলোকে যক্ষ-ৰক্ষৰ আৰু তামসিকলোকে ভূত - প্ৰেতৰ পূজা-অৰ্চনা কৰে। খাদ্য, যজ্ঞ, দান আৰু তপস্যা - এই প্ৰতিবিধেই আকৌ সাত্বিক, ৰাজসিক আৰু তামসিক ভেদে তিনি প্ৰকাৰৰ। তপস্যা আকৌ কায়িক, বাচিক আৰু মানসিক - এই তিনি প্ৰকাৰৰ হব পাৰে। শ্ৰদ্ধাৰে, ফলৰপ্ৰতি আকাঙক্ষা নকৰাকৈ এই তিনি প্ৰকাৰৰ তপস্যাত নিৰত হোৱাটোকে সাত্ত্বিক তপস্যা বোলে। "ওঁম্ তৎসৎ" হ'ল ব্ৰহ্মৰেই নাম। এই নাম উচ্চাৰণ কৰি যজ্ঞ, দান তপস্যা আদি কৰিলে কিবা দোষ ঘটিলেও তাৰপৰা পূৰ্ণফল পোৱা যায়।

অষ্টাদশ অধ্যায় - শ্ৰীমদ্ভগৱদ্‌গীতাৰ অষ্টাদশ অধ্যায়টোৰ নাম মোক্ষসন্ন্যাসযোগ। এই অধ্যায়ত ভগৱানে পোনতে 'সন্ন্যাস' আৰু 'ত্যাগ'ৰ পাৰ্থক্য ব্যক্ত কৰিছে। কাম্য কৰ্মৰ ত্যাগ হ'ল 'সন্ন্যাস', সমস্ত কৰ্মৰ ফলৰ কামনা ত্যাগ হ'ল 'ত্যাগ'। জ্ঞান, কৰ্ম আৰু কৰ্ত্তা - ইবিলাকৰ প্ৰত্যেকবিধেই সাত্ত্বিক, ৰাজসিক আৰু তামসিক হ'ব পাৰে। সেইদৰে বুদ্ধি আৰু সুখো গুণত্ৰয়

অনুসৰি তিনি প্ৰকাৰৰ। ভগৱানে আকৌ কৈছে যে ব্ৰাহ্মণ , ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ - এই চাৰিবৰ্ণৰ লোকৰ নিজ নিজ কৰ্ম আছে। নিজৰ কৰ্মত প্ৰবৃত্ত হৈ থাকিলে সিদ্ধি লাভ হয়। পৰধৰ্মতকৈ নিজধৰ্ম সদায় শ্ৰেষ্ঠ। মানুহে নিজৰ ইচ্ছা অনুসৰি কাম কৰিব নোৱাৰে। ভগৱানে হৃদয়ত থাকি সকলো কাম মানুহৰদ্বাৰা কৰোৱায়। শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যে সকলো পৰিত্যাগ কৰি তেওঁৰ কথা চিন্তা কৰিলেই ভগৱানক পোৱা যায়। ভগৱানৰ শৰণ ল'লে ভগৱানে সকলো দুখ-শোকৰ পৰা উদ্ধাৰ কৰে। যাৰ মনত প্ৰকৃত ভক্তি থাকে, তেনে ব্যক্তিয়েহে এই শুদ্ধ জ্ঞানৰ অধিকাৰী হ'ব পাৰে। ইয়াৰ উত্তৰ হিচাপে অৰ্জুনে ব্যক্ত কৰিছে যে তেওঁৰ মনৰ অজ্ঞান আৰু সংশয় দূৰীভূত হৈছে। সখা শ্ৰীকৃষ্ণই কোৱা অনুসৰি তেওঁ নিজ 'কৰ্ম' যুদ্ধত প্ৰবৃত্ত হব।

সঞ্জয়ে ৰজা ধৃতৰাষ্ট্ৰক কৈছে যে মহামুনি ব্যাসদেৱৰ অনুগ্ৰহত তেওঁ শ্ৰীকৃষ্ণৰ এই অমৃতবাণীসমূহ শুনিবলৈ সমৰ্থ হৈছে। তেওঁ ৰজাক পুনৰায় কৈছে যে যিটো পক্ষত ভগৱান শ্ৰীকৃষ্ণ আৰু মহাবীৰ অৰ্জুন আছে, সেই পক্ষতেই জয়লক্ষ্মীও থাকিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ গীতাৰ প্ৰথম অধ্যায়ৰ নামটো কি?

.....

প্ৰশ্ন নং ৬ঃ "ভক্তিযোগ" নামটো কোন অধ্যায়ৰ নাম?

.....

প্ৰশ্ন নং ৭ঃ গীতাৰ চতুৰ্থ অধ্যায়ৰ নাম কি?

.....

প্ৰশ্ন নং ৮ঃ গীতাৰ অন্তিম অধ্যায়ৰ নাম কি?

.....

প্ৰশ্ন নং ৯ঃ গীতাৰ ওপৰত ৰামানুজে কি লিখিছে?

.....

প্ৰশ্ন নং ১০ঃ গীতাৰ ৰচকৰ নাম কি?

.....



৩.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- শ্ৰীমদ্ভগৱদ্‌গীতাৰ শিৰোনামৰ তাৎপৰ্য্য জানিব পাৰিলে
- গীতা শাস্ত্ৰৰ আলোচ্য বিষয়ৰ লগত পৰিচিত হ'ল
- শাস্ত্ৰখনৰ ৰচক, ৰচনাকাল আৰু ৰচনাৰ পটভূমিৰ বিষয়ে জানিলে

- গীতাৰ বিভিন্ন ভাষ্যকাৰৰ বিষয়েও অবগত হ'ল
- গীতাৰ আটাইবোৰ অধ্যায়ৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিলে।



৩.৯ অধিক জানিবলৈ

১) মজুমদাৰ, সুবোধচন্দ্ৰ, (১৯৭৩) কলকাতা ঃ *শ্ৰীমদ্‌ভগৱদ্‌গীতা,* দেৱ সাহিত্য কুটীৰ।

২) ৰাধাকৃষ্ণণ, ড° সৰ্বপল্লী, (১৩৯০ বংগাব্দ) *শ্ৰীমদ্‌ভগৱদ্‌গীতা,* কলকাতা ঃ মিশ্ৰ ও ঘোষ পাৱলিচার্চ।



৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ গৈ (গান গোৱা) ধাতুত 'ক্ত' প্ৰত্যয় যোগ হৈ 'গীত' পদটো সাধিত হয়। 'গীত' পদত স্ত্ৰীলিংগত ব্যৱহৃত 'টাপ্' (আপ) প্ৰত্যয় যোগ হ'লে 'গীতা' পদটো সাধিত হয়।

২ নং প্ৰশ্নৰ উত্তৰঃ (ক) উপনিষদ (খ) গীতা

৩ নং প্ৰশ্নৰ উত্তৰঃ ওঠৰটা (১৮) অধ্যায় আছে।

৪ নং প্ৰশ্নৰ উত্তৰঃ (ক) মহাভাৰতৰ (খ) ৭০০ টা (গ) শংকৰাচার্য্য (ঘ) ভীষ্মপৰ্বৰ।

৫ নং প্ৰশ্নৰ উত্তৰঃ অর্জুনবিষাদযোগ।

৬ নং প্ৰশ্নৰ উত্তৰঃ দ্বাদশ অধ্যায়ৰ।

৭ নং প্ৰশ্নৰ উত্তৰঃ জ্ঞানকর্মসন্ন্যাসযোগ।

৮ নং প্ৰশ্নৰ উত্তৰঃ মোক্ষসন্ন্যাসযোগ।

৯ নং প্ৰশ্নৰ উত্তৰঃ ভাষ্য লিখিছে।

১০ নং প্ৰশ্নৰ উত্তৰঃ কৃষ্ণ দ্বৈপায়ন বেদব্যাস।

৩.১১ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ গীতাৰ ৰচক আৰু ৰচনাকালৰ বিষয়ে লিখক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ গীতাৰ ভাষ্যকাৰ সকলৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ গীতাৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ৪ ঃ সাংখ্য দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ সাংখ্য শব্দৰ অর্থ
৪.৪ সাংখ্য দর্শনৰ চমু আভাস
৪.৪.১ সৎকার্য্যবাদ
৪.৪.২ প্রকৃতি আৰু পুৰুষ
৪.৪.৩ সৃষ্টি তত্ত্ব
৪.৪.৪ জ্ঞান তত্ত্ব
৪.৪.৫ মোক্ষ বা মুক্তি তত্ত্ব
৪.৪.৬ ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাংখ্য শব্দৰ অর্থ জানিব পাৰিব
- সৎকার্য্যবাদৰ বিষয়ে জানিব পাৰিব
- সাংখ্যৰ দুটা মূল তত্ত্ব প্রকৃতি আৰু পুৰুষৰ বিষয়ে জ্ঞান লাভ কৰিব
- জগতৰ ক্রমবিকাশ অর্থাৎ সৃষ্টিতত্ত্ব সম্পর্কে অৱগত হ'ব
- জ্ঞানতত্ত্ব সম্পর্কে সাংখ্য মতবাদৰ বিষয়ে জানিব পাৰিব
- মোক্ষৰ বিষয়ে জনাৰ লগতে সাংখ্যৰ ঈশ্বৰ বিশ্বাস সম্পর্কীয় মতবাদৰ বিষয়ে জানিব পাৰিব।

৪.২ পৰিচয়

আপুনি আগৰ অধ্যায়টি অধ্যয়ন কৰি দর্শন শব্দৰ অর্থ, ভাৰতীয় দর্শনৰ সাধাৰণ বৈশিষ্ট্য, ভাৰতীয় দর্শনৰ বিভিন্ন সম্প্রদায়ৰ নাম আদিৰ বিষয়ে জানিব পাৰিলে। ইয়াৰ লগতে এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সাংখ্যদর্শনৰ লগতো পৰিচিত হ'ব।

সাংখ্যদর্শন ভাৰতীয় দার্শনিক সম্প্রদায়সমূহৰ ভিতৰত অতি প্রাচীন। মহর্ষি কপিল মুনি এই দর্শনৰ প্রণেতা বুলি শ্বেতাশ্বতৰ উপনিষদত উল্লেখ কৰা আছে। পণ্ডিতসকলৰ মতে কপিল মুনি ৮ম শতিকাৰ লোক। সাংখ্যদর্শন নিৰীশ্বৰবাদী দর্শন অর্থাৎ জগত সৃষ্টিৰ বাবে কোনো ঐশ্বৰিক ক্রিয়াৰ অস্তিত্ব সাংখ্যদর্শনে স্বীকাৰ কৰা নাই। পুৰুষ আৰু প্রকৃতিক দুটা মৌলিক সত্তা হিচাপে স্বীকাৰ কৰি এটা আণবিক ক্রমবিবর্তনৰ মাজেদি জগতখনক ব্যাখ্যা কৰা হৈছে। আধুনিক বিজ্ঞান তথা দর্শন শাস্ত্রত আলোচিত বহুতো তাত্ত্বিক দিশ সাংখ্যদর্শনে প্রাচীন কালতে ব্যাখ্যা কৰি থৈ গৈছে। উপনিষদ, পুৰাণ, মহাভাৰত আৰু গীতাত সাংখ্য দর্শনৰ যথেষ্ট উল্লেখ আছে। ইয়াৰ উপৰিও সাংখ্যদর্শনৰ মতামত অহির্বুধ্ন্যসংহিতা, চৰকসংহিতা, অশ্বঘোষৰ বুদ্ধচৰিত গ্রন্থ আদিত পোৱা যায়।

এই অধ্যায়ত সাংখ্যদর্শননো কি, সাংখ্যদর্শনৰ স্বৰূপ, সৎকার্য্যবাদৰ সৈতে সাংখ্যদর্শনৰ সম্পর্ক, প্রকৃতি আৰু পুৰুষেই যে জগত সৃষ্টিত মুখ্য ভূমিকা লৈছে, জ্ঞান তত্ত্ব আদিৰ কিছু আভাস আপোনাৰ উদ্দেশ্য দাঙি ধৰা হৈছে। ঈশ্বৰ সম্পর্কে সাংখ্যদর্শনে আগবঢ়োৱা যুক্তিও ইয়াত আলোচনা কৰা হৈছে।

৪.৩ সাংখ্য শব্দৰ অর্থ

এতিয়া আপুনি সাংখ্য শব্দৰ অর্থটো জানিব পাৰিব। 'সাংখ্য' নামটোৰ উৎপত্তি সন্দর্ভত পণ্ডিতসকলৰ মাজত মতানৈক্য দেখা যায়। কিছুমানৰ মতে 'সংখ্যা' শব্দটোৰ পৰা 'সাংখ্য' শব্দটোৰ উৎপত্তি হৈছে কাৰণ এই দর্শনে জ্ঞানৰ মূল বিষয়বোৰৰ সংখ্যা নিৰূপণ কৰি সত্তাক জনাৰ প্রয়াস কৰে। আন কিছুমানৰ মতে 'সাংখ্য' মানে 'যথার্থ জ্ঞান'। তত্ত্বজ্ঞানেই হৈছে যথার্থজ্ঞান। অর্থাৎ যি দর্শনে আমাক সত্তা সম্পর্কে পূর্ণ জ্ঞান দিয়ে, যি দর্শনৰ দ্বাৰা আত্মোপলব্ধি বা মোক্ষ লাভ কৰিব পাৰি সেই দর্শনেই সাংখ্য দর্শন।

৪.৪ সাংখ্য দর্শনৰ চমু আভাস

এই অংশত আপুনি সাংখ্যদর্শনৰ বিভিন্ন বিষয়বস্তু অর্থাৎ সৎকার্য্যবাদ, প্রকৃতি আৰু পুৰুষ, সাংখ্য সৃষ্টিতত্ত্ব, জ্ঞানতত্ত্ব, মোক্ষ তথা ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা আদিৰ বিষয়ে জানিব পাৰিব।

৪.৪.১ সৎকার্য্যবাদ

আপুনি জানেনে যে কার্য্য আৰু কাৰণৰ সম্বন্ধক ভিত্তি কৰি ভাৰতীয় দর্শনত দুটা মতবাদ গঢ় লৈ উঠিছে। এটা হ'ল সৎকার্য্যবাদ আৰু আনটো হ'ল অসৎকার্য্যবাদ। সাংখ্যদর্শনে সৎকার্য্যবাদ স্বীকাৰ কৰে।

সাংখ্যদর্শনৰ স'তে উৎপত্তিৰ পূর্বে কার্য্য তাৰ কাৰণৰ মাজত নিহিত হৈ থাকে— এয়াই সৎকার্য্যবাদ (কার্য্য কাৰণত সৎ বিদ্যমান, সেই বাবেই এই মতৰ নাম

সৎকার্য্যবাদ)। সৎকার্য্যবাদৰ সপক্ষে সাংখ্যকাৰসকলে বিভিন্ন যুক্তি আগবঢ়াইছে— (ক) যদি কার্য্য আগৰেপৰা কাৰণত নাথাকে তেন্তে শূন্যৰ পৰাও কার্য্যৰ উৎপত্তি হ'ব পাৰে; (খ) যদি কার্য্য উপাদান কাৰণৰ (যেনে— মাটি) মাজত নিহিত হৈ নাথাকে তেন্তে কোনো নিমিত্ত কাৰণে (যেনে- কুমাৰ) কাৰণৰ পৰা কার্য্য (যেনে— ঘট) তৈয়াৰ কৰিব নোৱাৰে। (গ) কার্য্য আৰু কাৰণৰ মাজত এটা এৰাব নোৱাৰা সম্বন্ধ থকা বাবেই এটা নির্দিষ্ট কাৰণৰ পৰা এটা নির্দিষ্ট কার্য্যৰহে উৎপত্তি হয়। যেনে— সৰিয়হৰ গুটিৰ পৰাহে তেল হয়, বালিৰ পৰা নহয়; (ঘ) যি কাৰণৰ মাজত যি কার্য্যৰ সম্ভাৱনা নিহিত হৈ থাকে সেই কাৰণৰপৰা সেই কার্য্যহে উৎপন্ন হ'ব আৰু (ঙ) কার্য্য আৰু কাৰণ একেটা দ্রব্যৰেই ব্যক্ত আৰু অব্যক্ত ৰূপ। স্বৰূপ কিন্তু একেটাই।

সৎকার্য্যবাদৰ দুটা ৰূপ— **পৰিণামবাদ** আৰু **বিবর্তবাদ**। সাংখ্যদর্শনে পৰিণামবাদী সৎকার্য্যবাদ সমর্থন কৰে। কাৰণৰ পৰা কার্য্যৰ উৎপত্তি হওঁতে এটা যথার্থ পৰিৱর্তন ঘটে, সেয়াই হৈছে পৰিণামগত পৰিৱর্তন।

পৰিণামবাদ ঃ কার্য্য যদিও উৎপত্তিৰ আগতে কাৰণৰ মাজত নিহিত হৈ থাকে কার্য্য এটা নতুন সৃষ্টি অর্থাৎ এটা যথার্থ পৰিৱর্তন। এই পৰিৱর্তন পৰিণামগত পৰিৱর্তন। এই মতবাদৰ নামেই পৰিণামবাদ।

বিবর্তবাদ ঃ কাৰণৰ পৰা কার্য্যৰ উৎপত্তি হোৱাটো এটা ৰূপান্তৰ মাথোন, কাৰণৰ যথার্থ পৰিৱর্তন নহয়। ইয়াকে বিবর্তবাদ বোলে। অদ্বৈতবাদীসকলে বিবর্তবাদ স্বীকাৰ কৰে।

৪.৪.২ প্রকৃতি আৰু পুৰুষ

সৃষ্টিৰ মূল হিচাপে সাংখ্যদর্শনে প্রকৃতি আৰু পুৰুষ এই দুটা মৌলিক তত্ত্বক স্বীকাৰ কৰে। এই দুটা মৌলিক সত্তাৰ সংঘাত আৰু ক্রমবিকাশৰ ফলশ্রুতিয়েই হৈছে জগত সৃষ্টি আৰু সিহঁতৰ বিচ্ছেদেই হৈছে ধ্বংস।

সাংখ্যদর্শনৰ প্রকৃতিতত্ত্বৰ ভিত্তি হৈছে পৰিণামবাদী সৎকার্য্যবাদ। জাগতিক সকলো বস্তু বা ঘটনা কোনো এটা কাৰণৰ ওপৰত নির্ভৰ কৰে। এনেদৰে ক্রমাগতভাৱে কার্য্যৰ কাৰণ বিচাৰোতে এটা মূল কাৰণ পোৱা যায়। সাংখ্যৰ মতে এই মূল কাৰণেই হৈছে প্রকৃতি। প্রকৃতি অন্য কোনো কাৰণৰ ওপৰত নির্ভৰশীল নহয়। ইয়াৰ কোনো উৎপত্তিও নাই, ধ্বংসও নাই। ই স্থান, কাল আৰু শব্দৰো অতীত। অথচ এই প্রকৃতি সর্বব্যাপ্ত। প্রকৃতি অচেতন কিন্তু সক্রিয়।

সাংখ্যদর্শনৰ মতে প্রকৃতি তিনিটা গুণৰ সমাহাৰ— সত্ত্ব, ৰজঃ আৰু তমঃ। এই গুণ তিনিটা প্রকৃতিৰ উপাদান। গুণসমূহৰ নিজস্ব ধর্ম বা লক্ষণ আছে। গুণবোৰৰ সমষ্টিত যি বস্তুৰ সৃষ্টি হয়, সেই বস্তুত অধিক শক্তিশালী ৰূপত গুণৰ লক্ষণেই প্রকাশিত হয়। গুণৰ মুখ্য বৈশিষ্ট্য হৈছে কার্য্য উৎপন্ন কৰা আৰু তাৰ দ্বাৰা পুৰুষৰ উদ্দেশ্য সাধন কৰা। 'সত্ত্ব' শব্দটো 'সৎ' শব্দটোৰ পৰা উৎপত্তি হৈছে। 'সৎ' মানে হ'ল যাৰ অস্তিত্ব আছে অথবা যি যথার্থ। যি উপাদানৰ পৰা সুখ, আনন্দ, সৌন্দর্য্য আদিৰ উৎপত্তি হয় তাকে সত্ত্ব বোলে। সত্ত্বগুণ লঘু অথবা ভাৰমুক্ত। যি উপাদানৰ পৰা গতিৰ আৰু দুখৰ সৃষ্টি হয়, সেয়াই ৰজঃ গুণ। ই চঞ্চল প্রকৃতিৰ। এই গুণৰ বাবে মন বিষয়মুখী হয় আৰু শেষত দুখ ভোগ কৰিবলগীয়া হয়। তমঃ গুণ গুৰু অথবা ভাৰযুক্ত। তমঃ গুণৰ প্রভাৱত নিস্ক্রিয়তা, নিদ্রা, প্রতিবন্ধকতা আদিৰ সৃষ্টি হয়। এই গুণ তিনিটা যেতিয়া সাম্যৱস্থাত

থাকে তেতিয়া জগত সৃষ্টি হ'ব নোৱাৰে। গুণ তিনিটাৰ পাৰস্পৰিক প্ৰভাৱ আৰু সংমিশ্ৰণৰ ফলতহে জগত সৃষ্টি হয়। ইটো গুণে সিটো গুণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ ফলত শেষত যিটো গুণে প্ৰাধান্য বিস্তাৰ কৰে সেইটোৱেই বস্তুটোৰ স্বভাৱ হয়। এই তিনিটা গুণ আকৌ পৰস্পৰবিৰোধী। তথাপিও এই গুণকেইটা সদায় একেলগে থাকে আৰু এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। আন দুটা গুণৰ সহযোগ নাপালে কেৱল এটা গুণে কোনো বস্তু উৎপাদন কৰিব নোৱাৰে।

জ্ঞাতা ঃ জানোতা, যি জানে। পুৰুষৰ কোনো জ্ঞানৰ প্ৰয়োজন নাই।

সাংখ্যাদৰ্শনে স্বীকাৰ কৰা দ্বিতীয় মৌলিক সত্তা হ'ল পুৰুষ অথবা আত্মা। সাংখ্যৰ মতে আত্মা হ'ল চেতন সত্তা আৰু সদায়েই **জ্ঞাতা**। ই সকলো ক্ৰিয়া আৰু পৰিবৰ্তনৰ বাহিৰত। ই কাৰণবিহীন, নিত্য আৰু সৰ্বব্যাপী। এই আত্মা, দেহ, মন, ইন্দ্ৰিয় আদিৰ পৰা পৃথক। অজ্ঞানতাৰ বাবে আত্মাই নিজকে এইবোৰৰ লগত একে বুলি ভুল কৰে আৰু জগতৰ পৰিৱৰ্তনৰ প্ৰবাহৰ মাজত সোমাই দুখ কষ্ট অনুভৱ কৰে। সাংখ্যদৰ্শনে বহু পুৰুষৰ অস্তিত্ব স্বীকাৰ কৰে। পুৰুষ শুদ্ধ, চেতন আৰু নিষ্ক্ৰিয়।

সাংখ্যদৰ্শনত পুৰুষৰ দুটা দিশ আছে— পাৰমাৰ্থিক আৰু ব্যৱহাৰিক। পাৰমাৰ্থিক দিশটো হ'ল শুদ্ধ পুৰুষ বা আত্মা আৰু ব্যৱহাৰিক দিশটো হ'ল জীৱ। আচলতে আত্মাই জীৱাত্মাৰ স্বৰূপ। কিন্তু বুদ্ধিৰ সংযোগত আত্মা যেতিয়া অংহকাৰত মগ্ন হৈ ভ্ৰমান্ধ হয় তেতিয়া জীৱ বোলা হয়।

৪.৪.৩ সৃষ্টিতত্ত্ব

এইটো অধ্যায়তে আপুনি ইতিমধ্যে অৱগত হৈছে যে সাংখ্যদৰ্শনে জগত সৃষ্টিৰ ক্ষেত্ৰত কোনো ঐশ্বৰিক ক্ৰিয়াৰ অস্তিত্ব স্বীকাৰ কৰা নাই। পুৰুষ আৰু প্ৰকৃতি এই দুটা মৌলিক সত্তাৰ সংযোগৰ ফলতে জগতৰ ক্ৰমবিকাশৰ আৰম্ভণি হয়। সৃষ্টিৰ আগতে ত্ৰিগুণাত্মক প্ৰকৃতিৰ গুণসমূহ সাম্যাৱস্থাত থাকে। প্ৰকৃতি অচেতন যদিও নিজৰ স্বভাৱজাত সক্ৰিয়তাৰ ফলত যেতিয়া প্ৰকৃতিয়ে **অভিব্যক্তি** বিচাৰে তেতিয়া চেতন পুৰুষৰ সান্নিধ্যলৈ আহে আৰু লগে লগে সাম্যাৱস্থা ভঙ্গ হৈ সৃষ্টি আৰম্ভ হয়। প্ৰথমতে প্ৰকৃতিৰ চঞ্চল স্বভাৱৰ ৰজঃ গুণে সত্ত্ব আৰু তম গুণক চঞ্চল কৰি তোলে। ইয়াৰ ফলত প্ৰকৃতিৰ বুকুত ভয়ানক আলোড়নৰ সৃষ্টি হয় আৰু তিনিওটা গুণে পৰস্পৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। এনেদৰে ক্ৰমে জগতখনৰ অভিব্যক্তি ঘটিবলৈ ধৰে।

অভিব্যক্তি ঃ প্ৰকাশ, বিকাশ।

দৰ্শনাৰ্থে ঃ পুৰুষে প্ৰকৃতিক চাবৰ বাবে, অৰ্থাৎ পুৰুষে সংসাৰ ভোগ কৰিবৰ বাবে।

কৈৱল্যাৰ্থে ঃ পুৰুষৰ মুক্তিৰ বাবে। কৈৱল্য মানে মুক্তি।


পুৰুষ আৰু প্ৰকৃতি পৰস্পৰ বিৰোধী সত্তা। তথাপিও সক্ৰিয় প্ৰকৃতি চেতন পুৰুষৰ **'দৰ্শনাৰ্থে'** আৰু **'কৈৱল্যাৰ্থে'** তাৰ সান্নিধ্যলৈ আহে। অৰ্থাৎ প্ৰকৃতিক পুৰুষৰ প্ৰয়োজন হয় দৰ্শনাৰ্থে আৰু পুৰুষক প্ৰকৃতিৰ প্ৰয়োজন হয় কৈৱল্যাৰ্থে। প্ৰকৃতিয়ে সৃষ্টি কৰা জগতখনৰ ভোগ আৰু দৰ্শনৰ বাবে পুৰুষৰ প্ৰয়োজন হয়। আনহাতে, পুৰুষে নিজক জড়ৰ পৰা পৃথক কৰি মুক্তিলাভৰ কাৰণে প্ৰকৃতিৰ সাহায্য লয়।

পুৰুষৰ সান্নিধ্যৰ ফলত প্ৰকৃতিৰ ক্ৰমবিকাশৰ প্ৰথম অভিব্যক্তি হ'ল মহৎ বা বুদ্ধি। মহৎ হ'ল সমগ্ৰ বিশ্বৰ বীজ। মহৎ বা বুদ্ধিৰ পৰা অহঙ্কাৰৰ উদ্ভৱ হয়। অহঙ্কাৰৰ পৰা পঞ্চতন্মাত্ৰ, পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চকৰ্মেন্দ্ৰিয় আৰু মনৰ উৎপত্তি হয়। পঞ্চতন্মাত্ৰৰ পৰা পঞ্চমহাভূতৰ উদ্ভৱ হয়।

এনেদৰে সাংখ্যদৰ্শনৰ জগত ক্ৰমবিকাশত মুঠতে পঁচিশটা তত্ত্বৰ উল্লেখ পাওঁ। তাৰ ভিতৰত প্ৰকৃতি মুখ্য কাৰণ। ইয়াৰ ভিতৰত মহৎ, অহঙ্কাৰ আৰু পঞ্চতণ্মাত্ৰ এফালে কাৰণ আৰু আনফালেদি কাৰ্য্য। পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চকৰ্মেন্দ্ৰিয় পঞ্চমহাভূত আৰু মন কেৱলমাত্ৰ কাৰ্য্য। পুৰুষ কেৱল নিৰ্বিকাৰ দ্ৰষ্টা বা সাক্ষী হিচাপে থাকে।

পঁচিশটা তত্ত্ব

পুৰুষৰ সংযোগত প্ৰকৃতিৰ ক্ৰমবিৱৰ্তন বা অভিব্যক্তি এনেধৰণৰ ঃ



পঞ্চ জ্ঞানেন্দ্ৰিয়— চকু, কাণ, নাক, জিভা, ছাল

পঞ্চ কৰ্মেন্দ্ৰিয়— হাত, ভৰি, মুখ, গুহ্য, মূত্ৰদ্বাৰ

পঞ্চ তন্মাত্ৰ— ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ

পঞ্চ মহাভূত— মাটি, পানী, তেজ, বায়ু, আকাশ

প্ৰকৃতিৰ অভিব্যক্তিৰ ক্ষেত্ৰত সাংখ্যদৰ্শনৰ আন এটি উল্লেখযোগ্য মত হ'ল সৃষ্টিৰ অৰ্থত প্ৰকৃতিয়েই মুখ্য কাৰণ যদিও উদ্দেশ্যৰ অৰ্থত কিন্তু পুৰুষ মুখ্য কাৰণ। প্ৰকৃতিয়ে অচেতনভাৱে পুৰুষৰ উদ্দেশ্য সাধন কৰি গৈ থাকে— যেনেদৰে গৰুৱে গাখীৰ দিয়ে, গছে ফল দিয়ে। প্ৰকৃতিৰ পৰা সৃষ্ট জগতৰ সকলো কৰ্মৰ উদ্দেশ্য হৈছে পুৰুষ। পুৰুষে ভাল-বেয়া কৰ্মৰ পৰিণাম অনুযায়ী ফল ভোগ কৰি যথাৰ্থ জ্ঞান লাভ কৰি কৈৱল্য সাধন কৰে। আনহাতে পুৰুষৰ সংস্পৰ্শত প্ৰকৃতিয়ে বিৰাটৰ পৰা ক্ষুদ্ৰাতিক্ষুদ্ৰলৈ যিদৰে নিজক অভিব্যক্ত কৰে ঠিক একে পথেদি ঘূৰি আহি গুণত্ৰয়ৰ সাম্যাৱস্থাত উপস্থিত হয়। গতিকে সাংখ্যকাৰসকলৰ মতে প্ৰকৃতিয়েই উপাদান কাৰণ

যদিও উদ্দেশ্য অনুসৰি পুৰুষেই মুখ্য কাৰণ। পুৰুষৰ উদ্দেশ্য সাধনৰ অবিহনে প্ৰকৃতি আৰু তাৰ সৃষ্টিৰ কোনো প্ৰয়োজন নাথাকে।

জানি থোৱা ভাল

১) প্ৰকৃতিৰ অভিব্যক্তিৰ দ্বিতীয় উপাদান হ'ল অহঙ্কাৰ। অহঙ্কাৰ হৈছে 'মই', 'মোৰ', 'আমাৰ' আদি ব্যক্তিবোধক অভিমানসমূহ। সত্ব, ৰজঃ আৰু তমঃ— এই তিনিটা গুণৰ প্ৰাধ্যন্য অনুযায়ী অহঙ্কাৰক তিনিভাগত বিভক্ত কৰিব পাৰি। সত্বৰ প্ৰাধান্য হ'লে সাত্ত্বিক অহঙ্কাৰ, ৰজৰ প্ৰাধান্য থাকিলে তৈজস বা ৰাজসিক অহঙ্কাৰ আৰু তমগুণৰ প্ৰাধান্য থাকিলে ভূতাদি বা তামসিক অহঙ্কাৰ বোলা হয়। সাত্ত্বিক অহঙ্কাৰৰ পৰা পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চকৰ্মেন্দ্ৰিয় আৰু মন; তামসিক অহঙ্কাৰৰ পৰা পঞ্চতন্মাত্ৰৰ উৎপত্তি হয়। ৰাজসিক অহংকাৰে সাত্ত্বিক আৰু তামসিকৰ লগত লগ লাগি উৎপাদনত সহায় কৰে। অহঙ্কাৰৰ এই বিকাশ প্ৰক্ৰিয়া সাংখ্য দাৰ্শনিক বিজ্ঞানভিক্ষুৰ বাহিৰে বাকী সকলো সাংখ্য দাৰ্শনিকে সমৰ্থন কৰে।

২) প্ৰকৃতিৰ অভিব্যক্তিৰ দুটা দিশ আছে— এটা মানসিক (বুদ্ধি সৰ্গ বা প্ৰত্যয় সৰ্গ), আনটো ভৌতিক (তন্মাত্ৰ সৰ্গ বা ভৌতিক সৰ্গ)। প্ৰথম অভিব্যক্তি আভ্যন্তৰীণ, দ্বিতীয়টো বাহ্যিক। প্ৰথম ভাগত বুদ্ধি, অহঙ্কাৰ আৰু এঘাৰটি ইন্দ্ৰিয় অন্তৰ্ভুক্ত আৰু দ্বিতীয়টো ভাগত পঞ্চতন্মাত্ৰ আৰু পঞ্চমহাভূত অন্তৰ্গত। তন্মাত্ৰসমূহৰ বিশিষ্ট প্ৰত্যক্ষিত লক্ষণ নাই বাবে 'অবিশেষ' বোলা হয় আৰু পঞ্চমহাভূতৰ সুখ, দুখ আদি বিভিন্ন প্ৰত্যক্ষযোগ্য বৈশিষ্ট্য থকা বাবে 'বিশেষ' বোলা হয়। বিশেষ বা দৈহিক বস্তুবোৰক তিনিটা ভাগত ভগোৱা হৈছে— স্থূল শৰীৰ (ভূতাদিৰ পৰা তৈয়াৰী, পিতৃ-মাতৃৰ পৰা উৎপন্ন হোৱা শৰীৰ); সূক্ষ্মশৰীৰ বা লিঙ্গশৰীৰ (বুদ্ধি, অহঙ্কাৰ, মন আৰু দহোটা ইন্দ্ৰিয় পঞ্চতন্মাত্ৰৰ পৰা গঠিত শৰীৰ। এই শৰীৰ যোগী সকলে সাধনাৰ জৰিয়তেহে লাভ কৰে) আৰু অধিষ্ঠান শৰীৰ (এটা স্থূলদেহৰ পৰা আন এটা স্থূলদেহলৈ যোৱাৰ পথত অধিষ্ঠান শৰীৰে সূক্ষ্মদেহক সহায় কৰে)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ সাংখ্যদৰ্শনৰ প্ৰণেতা কোন?

.....

প্ৰশ্ন ২ ঃ কোনটো শব্দৰ পৰা সাংখ্য শব্দটোৰ উৎপত্তি হৈছে?

.....

প্ৰশ্ন ৩ ঃ সৎকাৰ্য্যবাদ মানে কি?

.....

.....

প্ৰশ্ন ৪ ঃ সৎকাৰ্য্যবাদৰ কেইটা ৰূপ? নামকেইটা লিখক।

.....

প্ৰশ্ন ৫ ঃ প্ৰকৃতিত কি কি গুণৰ সমাহাৰ হৈছে?

.....

.....

২.৪.৪ জ্ঞান তত্ত্ব

আপুনি ইতিমধ্যে দর্শনৰ জ্ঞানতত্ব সম্পর্কে জানি আহিছে। যথার্থ জ্ঞান বা প্রমা, প্রমাণ, প্রমাতা প্রমেয়ৰ বিষয়েও জ্ঞান লাভ কৰিছে। আপুনি এই অংশত সাংখ্যদর্শনৰ জ্ঞানতত্ত্বৰ কথা জানিব পাৰিব। সাংখ্যৰ জ্ঞানতত্ত্ব পুৰুষ প্রকৃতি দ্বৈতবাদৰ ওপৰত প্রতিষ্ঠিত। যথার্থ জ্ঞানৰ সাধনৰূপে সাংখ্যই তিনিবিধ প্রমাণক মানি লয়। যেনে— প্রত্যক্ষ বা দৃষ্ট, অনুমান আৰু শব্দ বা আপ্তবচন উপমান সংখ্যাই অর্থাপত্তি, অনুপলব্ধি ইত্যাদিক স্বতন্ত্র প্রমাণ বুলি স্বীকাৰ নকৰে। এই কেইবিধ প্রমাণক সাংখ্যই ওপৰত উল্লেখিত তিনিবিধ প্রমাণৰ অন্তর্ভুক্ত কৰে।

প্রত্যক্ষ প্রমাণ ঃ ইন্দ্রিয়ৰ লগত বিষয়বস্তুৰ সংযোগ হ'লে যি জ্ঞান হয়, সেয়ে প্রত্যক্ষ বা দৃষ্ট প্রমাণ। উদাহৰণ স্বৰূপে যদি চকুৰ লগত মেজ এখনৰ সংযোগ হয়, তেতিয়া মনে ইন্দ্রিয়ৰ অনুভৱবোৰ বিশ্লেষণ কৰে। মন আৰু ইন্দ্রিয়ৰ এই প্রক্রিয়াৰ ফলত বুদ্ধিৰ বিকাৰ হয় আৰু মেজৰ আকাৰলৈ ৰূপান্তৰ হয়। বুদ্ধিয়ে নিজে মেজৰ আকাৰ জানিব নোৱাৰে। গতিকে সত্ব গুণৰ প্রাধান্য থকা বুদ্ধিয়ে আত্মাৰ চৈতন্য প্রতিফলিত কৰি মেজৰ জ্ঞান অর্জন কৰে (যেনেদৰে আইনা এখনে চাকিৰ পোহৰ প্রতিফলন কৰি নিজেও প্রকাশিত হয় আৰু আনকো প্রকাশ কৰে)।

প্রত্যক্ষ দুই প্রকাৰৰ— নির্বিকল্প আৰু সবিকল্প। ইন্দ্রিয়ৰ লগত বিষয়বস্তুৰ সংযোগৰ প্রথম মুহূর্তটোত নির্বিকল্প প্রত্যক্ষৰ উৎপত্তি হয়। কেঁচুৱা এটাই যেনেদৰে নিজৰ অভিজ্ঞতাক শব্দ বা বাক্যৰে বুজাব নোৱাৰে তেনেদৰে নির্বিকল্প প্রত্যক্ষৰ ক্ষেত্রত বিষয়বস্তুৰ সম্পূর্ণ জ্ঞান নহয়। ইয়াৰ পিছৰ পর্য্যায়ত মনৰ লগত বিষয়বস্তুৰ সংবেদন প্রক্রিয়া আৰম্ভ হয় আৰু সবিকল্প প্রত্যক্ষৰ উৎপত্তি হয়। অর্থাৎ বস্তুৰ জ্ঞান লাভ কৰা হয়। যেনে— চেনী মিঠা, সেইজোপা গছ আদি।

অনুমান ঃ এটা বস্তু প্রত্যক্ষ কৰি তাৰেই ভিত্তিত আন এটা অপ্রত্যক্ষিত বস্তুৰ জ্ঞান লাভ কৰা প্রক্রিয়াকে অনুমান বোলে। দুটা বস্তুৰ মাজত থকা **ব্যাপ্তি** সম্পর্কৰ জ্ঞানৰ ভিত্তিতে অনুমানৰ সহায়ত প্রত্যক্ষিত বস্তুৰ পৰা অপ্রত্যক্ষিত বস্তুৰ অৱস্থিতি সম্পর্কে জানিব পাৰি। অনুমানৰ বিভাজন সম্পর্কত সাংখ্য দার্শনিক সকলে ভিন্ ভিন্ মতবাদ প্রকাশ কৰা দেখা যায়। 'সাংখ্যকাৰিকা' গ্রন্থৰ এজন ভাষ্যকাৰ গৌড়পাদৰ মতে অনুমান তিনি প্রকাৰৰ— পূর্ববৎ, শেষবৎ আৰু সামান্যতোদৃষ্ট। কাৰণ দেখি কার্য্যৰ অনুমান কৰাটোৱেই

হ'ল পূৰ্ববৎ অনুমান। যেনে— আকাশৰ মেঘ দেখি বৰষুণ হ'ব বুলি কৰা অনুমান। কার্য্যৰ পৰা কাৰণৰ অনুমান কৰাটোৱেই হ'ল শেষবৎ অনুমান। যেনে— সাগৰৰ পানী অলপ চাকি চালে যদি লুণীয়া লাগে তেন্তে সাগৰৰ সকলো পানী লুণীয়া হ'ব। প্রত্যক্ষ বিষয়ৰ পৰা অপ্রত্যক্ষ বিষয়ৰ অনুমানেই সামান্যতোদৃষ্ট অনুমান। যেনে— এডাল আম গছৰ মুকুল ওলোৱা দেখিলে অন্য সকলো আমগছৰে মুকুল ওলোৱা বুলি কৰা অনুমান।

শব্দ বা আপ্তবচন ঃ সাংখ্যদর্শনে স্বীকাৰ কৰা তৃতীয় প্রমাণ হ'ল শব্দ বা আপ্তবচন। যি বস্তুৰ জ্ঞান প্রত্যক্ষ বা অনুমান প্রমাণেৰে পোৱা নাযায়, তাৰ জ্ঞানৰ কাৰণে শব্দ প্রমাণৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। শব্দ দুই প্রকাৰৰ— লৌকিক আৰু বৈদিক। সাধাৰণ বিশ্বাসযোগ্য ব্যক্তিৰ বচনেই লৌকিক শব্দ। সাংখ্যই ইয়াক স্বীকাৰ নকৰে। বেদ, শ্রুতি, স্মৃতি, ইতিহাস, পুৰাণ আদিও থকা বাক্য বা শব্দৰ যিবোৰ জ্ঞান সেয়াহে শব্দ প্রমাণ। তেওঁলোকৰ মতে এইবোৰ অভ্রান্ত।

৪.৪.৫ মোক্ষ বা মুক্তি তত্ত্ব

সাধাৰণ অর্থত জন্ম-মৃত্যুৰ ভৱচক্রৰ পৰা হাত সাৰিব পৰাকেই মোক্ষ বা মুক্তি বোলে। ভাৰতীয় দর্শনে মোক্ষ লাভ কৰাই জীৱনৰ মুখ্য উদ্দেশ্য বুলি একেমুখে স্বীকাৰ কৰে। অৱশ্যে মোক্ষ লাভ কৰাৰ পথ সকলো দার্শনিক সম্প্রদায়ৰে একে নহয়।

সাংখ্যদর্শনৰ মতে দুখৰ পৰা চৰম আৰু সম্পূর্ণ নিষ্কৃতিয়েই হ'ল মুক্তি। তেওঁলোকৰ মতে দুখ তিনি প্রকাৰৰ— আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক। শাৰীৰিক আৰু মানসিক কাৰণৰ পৰা উদ্ভৱ হোৱা দুখ হ'ল আধ্যাত্মিক দুখ; পশু-পক্ষী, মানুহ আদিৰ পৰা পোৱা দুখ হ'ল আধিভৌতিক দুখ আৰু অলৌকিক বা অতিপ্রাকৃতিক কাৰণ, যেনে—ভূত-প্রেত, বজ্রপাত, শীত আদিৰ পৰা উদ্ভৱ হোৱা দুখ হ'ল আধিদৈৱিক দুখ। এই তিনি প্রকাৰৰ দুখৰ স্বৰূপ আৰু উৎপত্তি সম্পর্কে জ্ঞান তথা সিহঁতৰ পৰা পৰিত্রাণ লাভ কৰাই হৈছে সাংখ্যমতে জীৱনৰ মুখ্য উদ্দেশ্য।

আপুনি আগতেই পাই আহিছে যে পুৰুষৰ সংযোগত প্রকৃতিৰ পৰা সৃষ্টি আৰম্ভ হয় আৰু সেই সৃষ্টিৰ অর্থই হৈছে জন্ম-মৃত্যু। জন্মৰ মাজতে জীৱৰ বন্ধন হয়, য'ৰপৰা জীৱই মুক্তি বিচাৰে। সাংখ্যমতে জীৱ স্বৰূপার্থত মুক্ত, শুদ্ধ, চৈতন্য পুৰুষ। অজ্ঞানতা অথবা অবিদ্যাবশতঃ জীৱই কর্তা, ভোক্তা, জ্ঞাতাৰূপে সংসাৰৰ কর্মফল ভোগৰ বাবে জন্ম লয়। এয়া আচলতে একপ্রকাৰৰ ভ্রম। কাৰণ কর্তা, ভোক্তা হৈছে প্রকৃতিৰ পৰা উদ্ভৱ হোৱা বুদ্ধি, অহঙ্কাৰ, মন আৰু ইন্দ্রিয়সমূহ। জীৱ কেৱল সাক্ষী।

সাংখ্যকাৰসকলৰ মতে মুক্তিৰ উপায় হ'ল পুৰুষ আৰু প্রকৃতিৰ সংযোগ বিনাশ কৰা। কাৰণ পুৰুষ আৰু প্রকৃতিৰ সংযোগৰ পৰাই বন্ধনৰ মূল কাৰণ অবিদ্যাৰ উৎপত্তি হয়। পুৰুষ তথা প্রকৃতিৰ পৰা উদ্ভৱ হোৱা পঁচিশ তত্ত্বৰ স্বৰূপ ভালদৰে জানিব পাৰিলে

এজন ব্যক্তি মুক্তিৰ পথত অগ্রসৰ হ'ব পাৰে। এই পঁচিশ তত্ত্বৰ জ্ঞান, ধ্যান, ধাৰণা, অভ্যাস আদিৰ ফলত এজন ব্যক্তিৰ মনত আত্মা আৰু অনাত্মাৰ মাজত পার্থক্যজনিত জ্ঞানৰ উদয় হয়। তাৰ ফলত অহংভাব দূৰ হয়। এই পার্থক্য জনিত জ্ঞান অথবা বিবেকজ্ঞানৰ পৰা মুক্তি লাভ হয়। সাংখ্যদর্শনৰ মতে মুক্তিপ্রাপ্ত ব্যক্তিৰ স্বৰূপ হৈছে সুখ-দুখ ৰহিত এটা চৈতন্য অৱস্থা যি কেৱল সূক্ষ্ম শৰীৰত অৱস্থান কৰে। প্রকৃতিৰ বিকাৰে এই চৈতন্য অৱস্থাক স্পর্শ কৰিব নোৱাৰে। এই অৱস্থাৰ নাম হ'ল জীৱন-মুক্তি অর্থাৎ জীয়াই থকা কালতে মুক্ত পুৰুষৰ অৱস্থা প্রাপ্ত হোৱা। মৃত্যুৰ পিছত এই জীৱন মুক্ত পুৰুষৰ বিদেহ মুক্তি হয় অর্থাৎ স্থূল শৰীৰ আৰু সূক্ষ্ম শৰীৰ দুয়োটাকে ত্যাগ কৰে।

৪.৪.৬ ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা

সাংখ্যদর্শনে ঈশ্বৰক বিশ্বাস নকৰে। সাংখ্য দার্শনিকসকলৰ মতে ঈশ্বৰৰ ধাৰণাটোৱেই অসিদ্ধ। ঈশ্বৰৰ অস্তিত্ব প্রত্যক্ষ, অনুমান, শব্দ আদি কোনো প্রমাণৰ সহায়তেই প্রমাণ কৰি দেখুৱাব নোৱাৰি। তেওঁলোকৰ মতে বেদত যি ঈশ্বৰৰ কথা আলোচনা কৰা হৈছে সেয়া আচলতে মুক্ত পুৰুষহে। অন্যান্য আস্তিক দার্শনিক সম্প্রদায়সমূহে জগত সৃষ্টিৰ ক্ষেত্রতে হওঁক বা অন্য ক্ষেত্রতে হওক যি ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিছে, সাংখ্যমতে পুৰুষ আৰু প্রকৃতিৰ সংযোগৰ ফলতে সেই সকলোবোৰ চলি আছে।

সাংখ্যদার্শনিক বিজ্ঞানভিক্ষুৱে ওপৰোক্ত মতবাদটোৰ ক্ষেত্রত নিজস্ব মতবাদ দাঙি ধৰি কৈছে যে সাংখ্যকাৰসকলে ঈশ্বৰৰ অস্তিত্বক প্রমাণ কৰিব নোৱাৰি বুলিহে কৈছে, ঈশ্বৰ নাই বুলি কোৱা নাই। সাংখ্যদর্শনে বেদ-উপনিষদ আদিৰ প্রামাণ্য স্বীকাৰ কৰিছে। এই গ্রন্থসমূহত আকৌ স্পষ্টকৈ ঈশ্বৰৰ উল্লেখ আছে। গতিকে বিজ্ঞানভিক্ষুৱে মত প্রকাশ কৰিছে যে সৃষ্টিকর্তা ৰূপে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰিলেও নিত্য আৰু পূর্ণসত্তা হিচাবে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিব লাগিব। তেওঁৰ মতে ঈশ্বৰ জগতৰ সাক্ষী। কিন্তু এই মতো অধিক সংখ্যক পণ্ডিতে অগ্রাহ্য কৰিছে।



জানি থোৱা ভাল

সাংখ্য দর্শনৰ কিছুমান উল্লেখযোগ্য গ্রন্থ ঃ সাংখ্য দর্শনৰ প্রণেতা কপিল মুনিয়ে ৰচনা কৰা 'সাংখ্যসূত্র' গ্রন্থখন সাংখ্যদর্শনৰ প্রথম গ্রন্থ যদিও এই গ্রন্থখন কালৰ গর্ভত বিলুপ্ত হৈছে। ঈশ্বৰকৃষ্ণই লিখা 'সাংখ্যকাৰিকা' গ্রন্থখনেই বর্তমানলৈ প্রাপ্ত পুৰণি আৰু প্রধান গ্রন্থ। 'সাংখ্যকাৰিকা'খনৰ ওপৰত গৌড়পাদে 'সাংখ্যকাৰিকা ভাষ্য' আৰু বাচস্পতি মিশ্রই 'সাংখ্যতত্ত্বকৌমুদী' নামেৰে দুখন ভাষ্য লিখে। এইকেইখন গ্রন্থৰ উপৰিও নাৰায়ণতীর্থৰ 'সাংখ্যচন্দ্রিকা, অনিৰুদ্ধৰ

'সাংখ্যসূত্রবৃত্তি', বিজ্ঞানভিক্ষুৰ 'সাংখ্যপ্রৱচনভাষ্য', নাগেশভট্টৰ 'লঘুসাংখ্যসূত্রবৃত্তি' আদিও সাংখ্যদর্শনৰ উল্লেখযোগ্য গ্ৰন্থ। 'সাংখ্যপ্রবচনসূত্র' আৰু 'তত্ত্বসমাস' দুখন মূল্যবান গ্ৰন্থ কপিল মুনিয়ে ৰচনা কৰা বুলি কোৱা হয় যদিও প্ৰমাণিত তথ্য নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ সাংখ্যদর্শনে কেইটা প্ৰমাণ স্বীকাৰ কৰে?

.....

.....

প্ৰশ্ন ৭ ঃ প্ৰত্যক্ষ প্ৰমাণ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন ৮ ঃ সাংখ্যদর্শনৰ মতে দুখ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন ৯ ঃ সাংখ্যকাৰসকলে মুক্তিৰ উপায় কি দেখুৱাইছে?

.....

.....

প্ৰশ্ন ১০ ঃ জীৱন্মুক্তি মানে কি?

.....

প্ৰশ্ন ১১ ঃ সাংখ্যমতে মুক্তিৰ অৰ্থ কি?

.....

প্ৰশ্ন ১২ ঃ সাংখ্যকাৰিকা গ্ৰন্থখনৰ ৰচয়িতা কোন?

.....



৪.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সাংখ্য শব্দৰ অৰ্থ জানিব পাৰিলোঁ।
- সৎকাৰ্য্যবাদৰ বিষয়ে জানিব পাৰিলোঁ।
- সাংখ্যৰ দুটা মূল তত্ত্ব প্ৰকৃতি আৰু পুৰুষৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- জগতৰ ক্ৰমবিকাশ সম্পৰ্কে অৱগত হ'লোঁ।
- জ্ঞানতত্ত্ব সম্পৰ্কে সাংখ্যমত জানিব পাৰিলোঁ।
- মোক্ষৰ বিষয়ে জানিব পাৰিলোঁ।
- সাংখ্যৰ ঈশ্বৰ বিশ্বাস সম্পৰ্কীয় মতবাদৰ বিষয়ে জানিব পাৰিলোঁ।



৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) চেতিয়া, ড° বিপিন , শৰ্মা, ড° নীলিমা (১৯৭৪); *ভাৰতীয় দৰ্শন* (১ম খণ্ড); গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি।

২) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দৰ্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ, ভট্টাচার্য্য, নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Sharma Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.



৪.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যদৰ্শনৰ প্ৰণেতা কপিল মুনি।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'সংখ্যা' শব্দটোৰ পৰা সাংখ্য শব্দৰ উৎপত্তি হৈছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যদৰ্শনৰ মতে উৎপত্তিৰ পূৰ্বে কাৰ্য্য তাৰ কাৰণৰ মাজত নিহিত হৈ থাকে। সাংখ্যৰ এই মতটোৰ নামেই হ'ল সৎকাৰ্য্যবাদ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ সৎকাৰ্য্যবাদৰ দুটা ৰূপ। পৰিণামবাদ আৰু বিবৰ্তবাদ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যমতে প্ৰকৃতিত সত্ব, ৰজঃ আৰু তমঃ —এই তিনিটা গুণৰ সমাহাৰ হৈছে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যদৰ্শনে তিনিটা প্ৰমাণ স্বীকাৰ কৰে— প্ৰত্যক্ষ বা দৃষ্ট, অনুমান আৰু শব্দ বা আপ্তবচন।

৭নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যমতে প্ৰত্যক্ষ প্ৰমাণ দুই প্ৰকাৰৰ— নিৰ্বিকল্প আৰু সবিকল্প।

৮নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যদৰ্শনৰ মতে দুখ তিনি প্ৰকাৰৰ— আধ্যাত্মিক, অধিভৌতিক আৰু অধিদৈৱিক।

৯নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যকাৰ সকলৰ মতে মুক্তিৰ উপায় হ'ল— পুৰুষ আৰু প্ৰকৃতিৰ সংযোগ বিনাশ কৰা।

১০নং প্ৰশ্নৰ উত্তৰ ঃ জীয়াই থকা কালতে মুক্ত পুৰুষৰ অৱস্থা প্ৰাপ্ত হোৱাকে জীৱন্মুক্তি বোলে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যমতে মুক্তিৰ অর্থ হ'ল— দুখৰ পৰা চৰম আৰু সম্পূৰ্ণ নিষ্কৃতি পোৱা।

১২নং প্ৰশ্নৰ উত্তৰ ঃ 'সাংখ্যকাৰিকা' গ্ৰন্থৰ ৰচয়িতা হ'ল— ঈশ্বৰকৃষ্ণ।

৪.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ 'সাংখ্য' শব্দৰ অৰ্থ লিখক।

প্ৰশ্ন ২ ঃ সাংখ্যদৰ্শনৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থৰ নাম লিখক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ সৎকাৰ্য্যবাদৰ বিষয়ে আলোচনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰকৃতি আৰু পুৰুষৰ সংযোগত কি ভাৱে জগতৰ সৃষ্টি হয় ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জ্ঞান সম্পৰ্কে সাংখ্যমত আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ প্রাচীন ভাৰতীয় সাহিত্যত যোগৰ অস্তিত্ব

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ প্রাচীন ভাৰতীয় সাহিত্যত যোগ পৰম্পৰা

৫.৩.১ বেদত যোগৰ অস্তিত্ব

৫.৩.১.১ ঋগ্‌বেদত যোগৰ অস্তিত্ব

৫.৩.১.২ অথর্ববেদত যোগৰ অস্তিত্ব

৫.৩.২ ব্রাহ্মণ সাহিত্যত যোগৰ অস্তিত্ব

৫.৩.৩ উপনিষদত যোগৰ অস্তিত্ব

৫.৩.৪ মহাভাৰত আৰু ৰামায়ণত যোগৰ অস্তিত্ব

৫.৩.৫ গীতাত যোগৰ অস্তিত্ব

৫.৩.৬ পু�ৰাণত যোগৰ অস্তিত্ব

৫.৪ আয়ুর্বেদত যোগৰ অস্তিত্ব তথা প্রভাৱ

৫.৫ বৌদ্ধ আৰু জৈন সাহিত্য তথা তন্ত্রত যোগৰ অস্তিত্ব

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- যোগৰ উৎস হিচাপে প্রাচীন ভাৰতীয় সাহিত্যসমূহৰ বিষয়ে জানিব পাৰিব
- বেদত বিশেষকৈ ঋগ্বেদ আৰু অথর্ববেদত যোগৰ অস্তিত্বৰ বিষয়ে সবিশেষ জানিবলৈ সক্ষম হ'ব
- বৈদিক সাহিত্যৰ আন দুটা উল্লেখযোগ্য অংগ ব্রাহ্মণ আৰু উপনিষদত যোগৰ অস্তিত্ব তথা প্রভাৱৰ বিষয়ে জানিব পাৰিব
- মহাভাৰত, ৰামায়ণ আৰু গীতাত কিদৰে যোগৰ অস্তিত্ব পোৱা যায় সেই বিষয়ে জ্ঞান পাব
- পুৰাণ, আয়ুর্বেদ আদিত যোগৰ অস্তিত্ব তথা প্রভাৱৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- বৌদ্ধ আৰু জৈন সাহিত্যসমূহ তথা পাণিনিৰ লিখনিত যোগৰ প্রভাৱৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়ত যোগৰ এটি সবিশেষ পৰিচয় দাঙি ধৰা হৈছে। যোগৰ সংজ্ঞা আৰু অর্থ, ইয়াৰ উৎপত্তি আৰু বিকাশ, যোগৰ প্রাচীনতম উৎস হিচাপে প্রাচীন ভাৰতীয় সাহিত্যসমূহ যেনে— বৈদিক সাহিত্য, উপনিষদ, গীতা, কাব্য-সাহিত্য, পুৰাণ, যোগ উপনিষদ ইত্যাদিৰ বিষয়ে সবিস্তাৰিতভাৱে শিক্ষার্থীসকলৰ উপকাৰার্থে এই অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে। এই অধ্যায়টো অধ্যয়ন কৰিলে যোগৰ বিষয়ে আৰু যোগৰ উল্লেখ থকা প্রাচীন ভাৰতীয় সাহিত্যসমূহৰ বিষয়ে এটি সামগ্রিক আভাস পোৱা যাব।

৫.৩ প্রাচীন ভাৰতীয় সাহিত্যত যোগ পৰম্পৰা

সাধাৰণতে যোগ বুলি ক'লে শৰীৰ আৰু মনক বশীভূত কৰি সেই শাৰীৰিক আৰু মানসিক শক্তিৰ একত্রীকৰণৰ জৰিয়তে আন বাহ্যিক আৰু আধ্যাত্মিক শক্তিৰ ওপৰত নিয়ন্ত্রণ লাভ কৰিবৰ নিমিত্তে কৰা নিয়মিত অনুশীলনক বুজোৱা হয়। অৱশ্যে যোগদর্শনে ইয়াৰ উপৰিও দার্শনিক তত্বসমূহকো সামৰি লয়। যোগ শব্দটো সামান্যতঃ সম্বন্ধবাচক। অধ্যাত্ম সাধনাৰ ক্ষেত্রত যোগৰ প্রণালীবদ্ধ বিচাৰধাৰাৰ অংকুৰ বৈদিক শাস্ত্রাভিমত বা বিধি-বিধানসমূহতেই দেখিবলৈ পোৱা যায়। যোগে ইয়াৰ পাৰিভাষিক অর্থ লাভ কৰাৰ বহু আগতেই ঋগ্বেদ, অথর্ববেদ ব্রাহ্মণসাহিত্য, পাণিনিৰ ব্যাকৰণ ইত্যাদিত ইয়াৰ পোখা মেলিছিল। লাহে লাহে আন ভাৰতীয় সাহিত্যসমূহতো (গীতা, ৰামায়ণ, মহাভাৰত, পুৰাণ, আয়ুর্বেদ আদি) ইয়াৰ প্রকাশ দেখিবলৈ পোৱা যায়। তলত এই প্রভাৱ বিস্তাৰিতভাৱে আলোচনা কৰা হ'ল—

৫.৩.১ বেদত যোগ

যোগৰ অস্তিত্ব বা প্রভাৱ বেদত, ঘাইকৈ ঋগ্বেদ আৰু অথর্ব বেদত দেখা যায়। বেদৰ মন্ত্রসমূহত যোগ শব্দটো বিভিন্ন অর্থত ব্যৱহাৰ কৰা দেখা যায়।

৫.৩.১.১ ঋগ্বেদত যোগ

ভাৰতীয় বৈদিক সাহিত্যৰ পৰম্পৰাত ঋগ্বেদেই সকলোতকৈ প্রাচীন। ঋগ্বেদত যোগ শব্দটো বিভিন্ন অর্থত ব্যৱহৃত হৈছে যেনে— সংযোগ কৰা, একেলগ হোৱা, আহৰণ কৰিব নোৱাৰা সম্বন্ধ আহৰণ কৰা, দমন বা শাসন, ঘোড়াক যুগনদ্ধ কৰা, ঘোঁৰাৰ সাঁজ, বর্ম পিন্ধা ইত্যাদি। কিন্তু একেলগ কৰা, সংযোগ কৰা তথা অধীন বা গোলাম কৰা (Yoking) অর্থত ঋগ্বেদত যোগ শব্দটো সকলোতকৈ অধিকভাৱে ব্যৱহাৰ কৰা হৈছে (ঋগ্বেদ, ২.৩৯.৪, ৩.৫৩.১৭, ১.১১৫.২, ৮.৮০.৭, ১০.৬০.৮, ১০.১০১.৩ ইত্যাদি)। ঋগ্বেদত সমাধি আৰু সম্মোহক মূর্চ্ছা-সম্বন্ধীয় বিচাৰ পোৱা যায় য'ত কোৱা

হৈছে যে দিব্য প্ৰকাশত ধ্যান কৰাটো ভক্তিৰেই এক পবিত্ৰ কাৰ্য্য (ঋগ্বেদ, ৩.৩.৯)। যৌগিক অনুশীলন প্ৰক্ৰিয়াৰ বিষয়েও (কৃচ্ছ্ৰসাধন সম্পৰ্কত) ঋগ্বেদৰ মন্ত্ৰসমূহত উল্লেখ আছে (ঋগ্বেদ, ১০.১২৯)। এই বেদৰ ৫/৮১/১ সংখ্যক মন্ত্ৰত 'যোগ' শব্দটো মিলন অৰ্থত ব্যৱহাৰ কৰা হৈছে। ইয়াত কোৱা হৈছে যে 'জ্ঞানী ব্যক্তিসকল, পুৰোহিত আৰু যজমানে চিত্ত সমাহিত কৰে আৰু তেওঁলোকৰ প্ৰাৰ্থনাক সবিতাৰ লগত যুক্ত কৰে'— 'যুঞ্জতে মত উত যুঞ্জতে ধিয়ো বিপ্ৰা বিপ্ৰস্য বৃহতো বিপশ্চিতঃ /বি হোত্ৰা দধে বয়ণাবিদেকিন্মহী দেৱস্য সবিতুঃ পৰিষ্টুতিঃ //' ঋগ্বেদৰ কোনো কোনো ঠাইত ই দৈৱিক বা সাত্বিক (divine) ভাৱনা বা কথাৰ সৈতে মনৰ সংযোগৰ/মিলনৰ কথা বুজাইছে (ঋগ্বেদ, ১০.১১৪.৯) পুনৰ ১/১৮/৭ সংখ্যক শ্লোকতো (স ধীনাম্ যোগম্ ইন্বতি) যোগৰ উল্লেখ আছে। ঋগ্বেদত সম্বন্ধ অৰ্থত যোগ শব্দটো ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। যজ্ঞৰ বিধি-বিধানৰ লগত সূক্তৰ (hymn) সম্বন্ধৰ ক্ষেত্ৰত ইয়াত যোগ শব্দটো ব্যৱহৃত হৈছে (ঋগ্বেদ, ১.১৮.৮, ১.১৮.১৩)। যোগ শব্দটো দমন, শাসন বা নিয়ন্ত্ৰণ (Joking) অৰ্থত ঋগ্বেদত বহু ঠাইত ব্যৱহাৰ কৰা হৈছে। মনৰ দমন আৰু ইন্দ্ৰিয়ৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যোগ শব্দটো যুঞ্জতে, যুঞ্জামি, যুজে, অযুক্ত আদিৰ ৰূপত ব্যৱহাৰ কৰা হৈছে যাৰ অৰ্থ হ'ল দমন, শাসন, নিয়ন্ত্ৰণ কৰা (Yoking) বা সংযোগ কৰা (Connecting), ঋগ্বেদ, ১.৮২.৬, ৩.৩৫.৪। ঋগ্বেদৰ কোনো কোনো ঠাইত তপস্যাক যুজ্ শব্দৰে বুজোৱা হৈছে (ঋগ্বেদ, ১০.৩৩.৩)। বিভিন্ন যৌগিক ধাৰণাৰ বিষয়েও ঋগ্বেদত উল্লেখ আছে। পতঞ্জলিৰ অষ্টাংগ যোগৰ যম আৰু নিয়মৰ বিভিন্ন বিভাগসমূহৰ উল্লেখ ঋগ্বেদত পোৱা যায়। দেৱতা মিত্ৰৰ গুণ হিচাপে অহিংসাৰ কথা পোৱা যায় (য়ন নূনাম অশ্যাম গতিম্ মিত্ৰস্য য়ায়াম্ পথা/অস্য প্ৰিয়স্য শ্ৰমণ্য অহিংসানস্য চক্ষিৰে/ঋগ্বেদ, ৫.৬৪.৩)। সপ্তম মণ্ডলত অস্তেয়ৰ বিষয়ে উল্লেখ আছে (৭.১০৪.১০)। ঋগ্বেদত ধাৰণা শব্দটো পোনপটীয়াকৈ ব্যৱহাৰ হোৱা নাই যদিও বৈদিক ঋষিসকলে দেৱতাৰ কৃপা লাভাৰ্থে তেওঁলোকৰ মন দৃঢ়ভাৱে স্থিৰ কৰাৰ ক্ষেত্ৰত ধাৰণাৰ প্ৰভাৱ দেখা যায় (ঋগ্বেদ, ১০.৪৩.২)।

এইদৰে ঋগ্বেদত যোগৰ প্ৰভাৱ পৰিলক্ষিত হয়।

৫.৩.১.২ অথৰ্ববেদত যোগৰ অস্তিত্ব

অথৰ্ববেদৰ বিভিন্ন মণ্ডলত ঋগ্বেদৰ দৰেই যোগ শব্দৰ প্ৰয়োগ দেখা যায় (অথৰ্ববেদ, ৫.১২, ২০,২৭.১, ২০,৬৯.১ ইত্যাদি)। যোগ শব্দটো যুগ্মভাৱে ব্ৰহ্মযোগ, ক্ষত্ৰযোগ ইত্যাদি ধৰণেও অথৰ্ববেদৰ বহু ঠাইত উল্লেখিত হৈছে (অথৰ্ববেদ, ১০.৫.১-৫) অথৰ্ববেদৰ ষষ্ঠ মণ্ডলত অষ্টযোগ আৰু ষড়যোগ শব্দ দুটাৰ ব্যৱহাৰ দেখা যায় (ইমম্ য়ৱমষ্টা যোগৈঃ ষড়যোগেভিৰ্ৰকষুঃ, অথৰ্ববেদ, ৬.৯১.১)। আহৰণ কৰিব নোৱাৰা সম্বন্ধ আহৰণ কৰা অৰ্থতো যোগ শব্দটো এই বেদত ব্যৱহৃত হৈছে (অথৰ্ববেদ, ১৯.৮.২, ২০.৬৯.১)। যমৰ (অষ্টাংগযোগৰ প্ৰথম অংগ) অন্তৰ্গত অহিংসা, সত্য,

অস্তেয় আদি ধাৰণাসমূহৰ উল্লেখ অথর্ববেদত দেখা যায়। বৰুণ, অগ্নি, ইন্দ্র আদি দেৱতাসকলক সত্যৰ ৰক্ষা কর্তা আৰু মিথ্যাকার্যৰ শাস্তিদাতা বুলি বর্ণনা কৰা হৈছে। নিয়মৰ অন্তর্গত তপস্যা, স্বাধ্যায় আৰু ঈশ্বৰ-প্রণিধানৰ উল্লেখো অথর্ববেদত পোৱা যায়। অথর্ববেদত তপস্যা আৰু ব্রহ্মাচর্যৰ ওপৰত যথেষ্ট গুৰুত্ব প্রদান কৰা হৈছে (অথর্ববেদ, ১১.৫.১) অৱশ্যে ইয়াত অহিংসা, সত্য, ব্রহ্মচর্য বা অস্তেয়ক যমৰ অন্তর্গত বিভাগ বা তপস্যা, স্বাধ্যায় আৰু নিয়মৰ অন্তর্গত বিভাগ হিচাপে বর্ণনা কৰা হোৱা নাই। কিয়নো যোগাংগৰ ধাৰণা অথর্ববেদৰ সময়ত পূর্ণবিকশিত হোৱা নাছিল। অথর্ববেদত প্রাণক জীৱন শক্তি বুলি বর্ণনা কৰা হৈছে (অথর্ববেদ, ৯.১.৪)। জীৱনৰ চালিকা শক্তি হিচাপে প্রাণৰ বর্ণনা যোগৰ অনুশীলনৰ ক্ষেত্রত ঘাইকৈ প্রাণায়ামৰ বিষয়টোৰ লগত ওতঃপ্রোতভাৱে জড়িত।

৫.৩.২ ব্রাহ্মণ সাহিত্যত যোগ

ব্রাহ্মণ সাহিত্যতো যোগ শব্দটোৰ প্রয়োগ ঘাইকৈ দমন, শাসন, নিয়ন্ত্রণ (yoking) অর্থত কৰা দেখা যায়। ব্রাহ্মণ সাহিত্যসমূহ সাধাৰণতে যজ্ঞৰ ক্রিয়া-কর্মৰ লগত জড়িত। যৌগিক অনুশীলনত বাক (speech), মন (mind) আৰু শৰীৰৰ (body) ওপৰত নিয়ন্ত্রণ থকাটো অতি জৰুৰী। শতপথ ব্রাহ্মণত বাকৰ নিয়ন্ত্রণ যোগীৰ কর্তব্য বুলি অভিহিত কৰা হৈছে (শতপথ ব্রাহ্মণ, ৩.২.২.৬)।

ঐতৰেয় ব্রাহ্মণত জপ তথা ধ্যানৰ ওপৰত গুৰুত্ব প্রদান কৰা হৈছে। প্রধানকৈ দেৱতালৈ নৈবদ্য উৎসর্গা কৰাৰ সময়ত সেই বিশেষ দেৱতাৰ একান্তমনে জপ বা ধ্যান কৰিব লাগে বুলি এই ব্রাহ্মণত উল্লেখ কৰা হৈছে (ঐতৰেয় ব্রাহ্মণ, ১১.৮)। জৈমিনীয় ব্রাহ্মণতো এই কথাৰ উল্লেখ পোৱা যায় (জৈমিনীয় ব্রাহ্মণ, ১.১৬)। কৌশীটকি ব্রাহ্মণতো জপৰ বর্ণনা কৰা হৈছে। (কৌশীটকি ব্রাহ্মণ, ১৪.১)। পুনৰ ইয়াত যজ্ঞৰ ক্রিয়া কর্মৰ ক্ষেত্রত উপবাস পালনৰ ওপৰতো গুৰুত্ব প্রদান কৰা হৈছে (কৌশীটকি ব্রাহ্মণ, ৪.১১)। উপবাস পালন যৌগিক ক্রিয়াৰ অন্তর্গত এটি গুৰুত্বপূর্ণ বিষয় হিচাপে পিছৰ যুগত পৰিগণিত হয়। যোগদর্শনৰ গুৰুত্বপূর্ণ তত্ত্ব 'পুৰুষ'ৰ বিষয়ে জৈমিনীয় ব্রাহ্মণত উল্লেখ আছে (জৈমিনীয় ব্রাহ্মণ, ২.৪৭)। যৌগিক অনুশীলনত ধ্যানৰ বিষয় হিচাপে 'ওঁম'ৰ গুৰুত্ব অপৰিসীম। ব্রাহ্মণ সাহিত্যত এই ওঙ্কাৰ উপাসনাৰ কথা কোৱা হৈছে। তৈত্তিৰীয় ব্রাহ্মণত ব্রহ্মচর্যৰ বিষয়ে উল্লেখ আছে (তৈত্তিৰীয় ব্রাহ্মণ, ৩.১০.১১.৩)। এইদৰে পিছৰ যুগত পূর্ণ বিকাশ লাভ কৰা যৌগিক অনুশীলন বা যোগ দর্শনৰ বহুতো বিষয় বা ধাৰণাৰ বীজ ব্রাহ্মণ সাহিত্যত পোৱা যায়।

৫.৩.৩ উপনিষদত যোগ

উপনিষদৰ যুগত যোগ সম্পর্কে স্পষ্ট ধাৰণা বিকশিত হোৱা দেখা যায়। উপনিষদৰ মতে যোগাভ্যাস হ'ল যথার্থ সত্তাসম্পর্কীয় সত্যজ্ঞানৰ চেতনাপূর্ণ আন্তৰিক অনুসন্ধান।

এই ক্ষেত্ৰত ধ্যান তথা একাগ্ৰতাক ইয়াৰ চাবি-কাঠী বুলি কোৱা হৈছে (বৃহদাৰণ্যক উপনিষদ, ৪.১৪, ৩.৫, ৪.৪, তৈত্তিৰীয় উপনিষদ ১; কঠ উপনিষদ, ৩.১২; প্ৰশ্ন উপনিষদ, ৫.৫)। মৈত্ৰায়ণী (৬); কঠ (৩, ৬) আৰু শ্বেতাশ্বতৰ (২) উপনিষদত যোগৰ প্ৰণালীসমূহে প্ৰথমবাৰৰ বাবে এটি পদ্ধতিগত বিকাশ লাভ কৰে। অৰ্থাৎ যোগ দৰ্শনৰ এটি পদ্ধতিগত ব্যৱস্থা (system) হিচাপে সৰল আৰম্ভণি এই উপনিষদসমূহতেই ঘটিছিল। পিছৰ যুগত পতঞ্জলিয়ে ইয়াক এটি সুসংগবদ্ধ ৰূপ প্ৰদান কৰে। তৈত্তিৰীয় (২.৪), কঠ (২.১২), শ্বেতাশ্বতৰ (২.১১, ৬.১৩), মৈত্ৰায়ণী (৬, ১৮) উপনিষদত এক পাৰিভাষিক শব্দৰ ৰূপত যোগৰ উল্লেখ পোৱা যায়। কঠোপনিষদত যোগৰ উচ্চতম অৱস্থাৰ বৰ্ণনা কৰি কোৱা হৈছে যে যোগ হ'ল এটি আধ্যাত্মিক প্ৰচেষ্টা য'ত ইন্দ্ৰিয়সমূহ মন তথা বুদ্ধি স্থিৰ বা শান্ত অৱস্থাপন্ন হয় (তাম্ যোগমিতি মন্যতে স্থিৰামিন্দ্ৰিয়ধাৰণম্, কঠ, ২.৩.১১)। ছান্দোগ্য উপনিষদতো (৬.৬, ৮) সেই একেই অৰ্থতে যোগৰ বৰ্ণনা কৰা হৈছে। মৈত্ৰায়ণী উপনিষদত (৬.২৫) যোগ শব্দটো প্ৰাণ আৰু ওঁম বৰ্ণৰ মাজত মিলন বা সংযোগৰ অৰ্থত ব্যৱহাৰ কৰা হৈছে। এই উপনিষদৰ আন এটা ঠাইত (৬.৩) ঘোড়াৰ সাজ বৰ্ম পিন্ধা বা ঘোড়াক যুগনদ্ধ কৰা (harnessing), শৃংখলাবদ্ধ কৰা বা চিজিল কৰা (arranging) অৰ্থত যোগ শব্দটো প্ৰয়োগ কৰা হৈছে। প্ৰকৃততে বহু উপনিষদত যোগ শব্দটোৰে নিয়ন্ত্ৰণ, শাসন, দমন অৰ্থত (yoking) ইন্দ্ৰিয়ৰ নিয়ন্ত্ৰণক বুজাইছে। ঋগ্বেদৰ বহু মন্ত্ৰতো 'ঘোঁৰাৰ নিয়ন্ত্ৰণ' (yoking of horses) অৰ্থৰ জৰিয়তে আচলতে আত্মাৰ বা ইন্দ্ৰিয়ৰ নিয়ন্ত্ৰণৰ অৰ্থ বুজোৱা হৈছে। কঠ (১.৩.৪) আৰু মৈত্ৰায়ণী (২.৬) উপনিষদত ইন্দ্ৰিয়ক ঘোঁৰাৰ লগত তুলনা কৰা হৈছে। উপনিষদৰ 'যোগ'ক অধ্যাত্মযোগ বুলি অভিহিত কৰা হয় যাৰ লক্ষ্য হ'ল আত্মানুসন্ধান বা আত্মোপলব্ধি। কিন্তু প্ৰাক্ উপনিষদ যুগত বৰ্ণিত যোগৰ পৰা এই যোগ পৃথক কিয়নো প্ৰাক্ উপনিষদৰ যুগত বৰ্ণিত যোগৰ মুখ্য লক্ষ্য আছিল সিদ্ধি বা অতি প্ৰাকৃতিক শক্তি প্ৰাপ্তি।

যোগদৰ্শন হ'ল কপিলমুণিয়ে প্ৰৱৰ্তন কৰা সাংখ্য দৰ্শনৰ সিদ্ধান্তসমূহৰ ব্যৱহাৰিক পৰিপালনৰ মাধ্যম। শ্বেতাশ্বতৰ উপনিষদত সাংখ্য আৰু যোগক একেলগে উল্লেখ কৰা হৈছে (শ্বেতাশ্বতৰ উপনিষদ, ৬.১৩ ইত্যাদি)। সাংখ্যৰ সিদ্ধান্তসমূহৰ ভেটিত প্ৰতিষ্ঠা হোৱা যোগদৰ্শনে কঠ (১.২.১২, ১৭, ২০, ২৪; ১.৩.১৩), ছান্দোগ্য (৫.১০.১; মুণ্ডক (১.২.১১, ১৩; ২.২.৩-৭; ৩.১.৫, ৮, ১০; ৩.২.১, ৬); শ্বেতাশ্বতৰ (১.৫, ১০, ১৪, ১৫), প্ৰশ্ন (১.১০; ৩.৬-৭; ৫.১), বৃহদাৰণ্যক (৩.৩, ৫, ৭; ৩.৭; ৪.৩.২০; ৪.৪.২৩; ৪.৫.৬), মৈত্ৰায়ণী (১.২; ২.৩), কৌশীটকি (৪.১৯) ইত্যাদি উপনিষদত সাংখ্যভিন্ন এটি স্বতন্ত্ৰ সিদ্ধান্ত হিচাপে আত্মপ্ৰকাশ কৰে।

যোগত বুদ্ধিৰ যোগেদি মন আৰু ইন্দ্ৰিয়সংয়মৰ কথা কোৱা হৈছে। কঠোপনিষৰ (১.৩.৯) শ্লোকত কোৱা হৈছে যে যিজন বিজ্ঞব্যক্তিৰ নিজৰ মনৰ ওপৰত নিয়ন্ত্ৰণ থাকে তেওঁ পৰমপাদ অৰ্থাৎ যোগৰ শেষ লক্ষ্যস্থানত উপনীত হ'বলৈ সক্ষম হয়। শ্বেতাশ্বতৰ

উপনিষদত এই সন্দর্ভত কোৱা হৈছে যে যিজনে যোগানুশীলন কৰে তেওঁ সকলো ব্যাধি, জৰা আৰু শেষত মৃত্যুৰ পৰা হাত সাৰিব পাৰে (শ্বেতাশ্বতৰ উপনিষদ, ২.২.১২)। এই উপনিষদৰ মতে নিয়মিত তপস্যা আৰু সত্যৰ পালনৰ দ্বাৰা ওঁমৰ উপাসনা কৰিলে বা ওঁমত ধ্যান কৰিলে আত্মাক অনুভৱ কৰিব পাৰি (১.১৪)। এই উপনিষদত ধ্যানৰ সম্পূৰ্ণ পদ্ধতি বৰ্ণনা কৰা হৈছে (২.২.৮৮-১০)। ইয়াৰ দ্বিতীয়াধ্যায়ত পৰমাত্মাত মন আৰু প্ৰাণৰ সংযোগৰ জৰিয়তে ধ্যান প্ৰাপ্তিৰ বাবে দেৱতা সবিতাক উপাসনা কৰা হৈছে।

তৈত্তিৰীয় উপনিষদত সত্যক ছাত্ৰৰ ধৰ্ম বুলি অভিহিত কৰা হৈছে (১.১১.১-৪)। এই উপনিষদত বিজ্ঞানময়কোষৰ প্ৰসংগত 'যোগ আত্মা সহঃ পুচ্ছং প্ৰতিষ্ঠা, (২.৪.১)' বুলি কোৱা হৈছে অৰ্থাৎ বিজ্ঞানময় কোষৰ ক্ষেত্ৰত চিত্তবৃত্তিনিৰোধৰূপী যোগ আত্মা। পুনৰ বৃহদাৰণ্যক উপনিষদতো শ্বেতাশ্বতৰ উপনিষদৰ দৰে কোৱা হৈছে যে আত্মসংযমী, অনাসক্ত সমাহিত একাগ্ৰ, শান্তস্বভাৱৰ লোকে আত্মোপলবদ্ধিৰ জৰিয়তে পৰমাত্মাক অনুভৱ কৰিব পাৰে (শান্তো দান্ত উপৰতস্তিতিক্ষুঃ সমাহিতো ভূত্বা আত্মন্যেৱাত্মনম্ পশ্যতি, ৪.৪.২৩)। ছান্দোগ্য উপনিষদত অমৰত্ব প্ৰাপ্তিৰ বাবে প্ৰয়োজনীয় উশাহৰ পদ্ধতিৰ বৰ্ণনা আছে (৮.৬.৬)। এই উপনিষদত কৰ্মযোগৰো উল্লেখ আছে। দান, তপস্যা, স্বাধ্যায় ইত্যাদি সদাচাৰৰ প্ৰশংসা (১.১.৯) আৰু স্তেয়, অব্ৰহ্মচৰ্য, হত্যা (হিংসা) আদিকু আচাৰৰ ভৎৰ্সনা (৫.১০.৯) এই উপনিষদত পোৱা যায়। আন আন উপনিষদত যৌগিক অনুশীলন, ক্ৰিয়া-কৰ্ম, বিষয়বস্তু বা ধাৰণাৰ বৰ্ণনা থাকিলেও অথৰ্ববেদৰ যোগোপনিষদ আৰু মৈত্ৰী উপনিষদত (৬.১৮-৩০) যোগৰ সবাতোকৈ অধিক বৰ্ণনা পোৱা যায়।

উপনিষদ সাহিত্যত যোগাংগসমূহৰ বিষয়েও উল্লেখ আছে। প্ৰথম যোগাংগ যমৰ উল্লেখ কঠোপনিষদ (১.২.২৪) আৰু তৈত্তিৰীয় উপনিষদত পোৱা যায় (১.১)। দ্বিতীয় যোগাংগ নিয়মৰ বিষয়ে কঠোপনিষদ (১.৩.৮), ছান্দোগ্য উপনিষদ (৭.২৬.২), মুণ্ডকোপনিষদ (৩.১.৮) আদিত বৰ্ণনা আছে। তৃতীয় যোগাংগ আসন হ'ল বহাৰ সঠিক মুদ্ৰা। শ্বেতাশ্বতৰ উপনিষদত (২.১০) যোগাসনৰ সঠিক পদ্ধতি বৰ্ণনা কৰা হৈছে। পুনৰ এই উপনিষদত বুকু, ডিঙি আৰু মূৰ চিধাকৈ ৰাখি বহাৰ উপদেশ দিয়া হৈছে (২.২.৮)। চতুৰ্থ যোগাংগ প্ৰাণায়ামক বৃহদাৰণ্যক উপনিষদত 'একমাত্ৰ ব্ৰত' বুলি উল্লেখ কৰিছে (১.৫.২৩)। শ্বেতাশ্বতৰ উপনিষদত (১.১০) কোৱা হৈছে যে প্ৰাণায়াম অভ্যাসৰ জৰিয়তে ধ্যানৰ দ্বাৰা স্বআত্মাক ব্ৰহ্ম বুলি অনুভৱ কৰিলে মায়াৰ পৰা মুক্ত হৈ আত্মোপলব্ধি কৰিব পাৰি। পঞ্চম যোগাংগ প্ৰত্যাহাৰৰ (ইন্দ্ৰিয় সংযম) বিষয়ে বৃহদাৰণ্যক উপনিষদত কোৱা হৈছে যে ইন্দ্ৰিয়ই মন স্বভাৱ বা স্বৰূপ লাভ কৰিবলৈ হ'লে যোগীয়ে বিষয়ৰ পৰা ইন্দ্ৰিয় সংযম কৰিব লাগে (১.৫.২৩)। কঠোপনিষদ (১.৩.১৩; ২.১.১), শ্বেতাশ্বতৰ (২.৮), ছান্দোগ্য (৮.১৫.১) উপনিষদ আদিতো প্ৰত্যাহাৰৰ বৰ্ণনা পোৱা যায়। ষষ্ঠ

যোগাংগ ধাৰণাৰ বাবে নাভি বা হৃদয় উৎকৃষ্ট স্থান বুলি প্ৰশ্নোপনিষদত (৩.৬) আৰু হৃদয় বুলি কঠোপনিষদত (১.২.১২) উল্লেখ কৰা হৈছে। ধাৰণা হ'ল যিকোনো এঠাইত মনক আবদ্ধ কৰি ৰখাৰ প্ৰক্ৰিয়া। সপ্তম যোগাংগ ধ্যানৰ উল্লেখ মণ্ডলব্ৰাহ্মণোপনিষদত আত্মোপলব্ধিৰ উৎকৃষ্ট সাধন হিচাপে কৰা হৈছে (১.১.৯)। শেষ যোগাংগ সমাধিৰ উল্লেখ কঠোপনিষদ, (২.৩.১০), মৈত্ৰায়ণী (৬.২০-২১), ছান্দোগ্য (৮.৫.৫-৬) আদিত আছে। যদিও পতঞ্জলিয়ে অষ্ট যোগাংগৰ কথা কৈছে কিন্তু মৈত্ৰায়ণী উপনিষদত কেৱল 'ষড়ংগো যোগো উচ্যতে (৬.১৮)' বুলি কোৱা হৈছে অর্থাৎ যোগৰ অংগ কেৱল ছটা প্ৰাণায়াম, প্ৰত্যাহাৰ, ধ্যান, ধাৰণা, তর্ক, সমাধি।

৫.৩.৪ মহাভাৰত আৰু ৰামায়ণত যোগৰ অস্তিত্ব

মহাভাৰত আৰু ৰামায়ণ ভাৰতীয় সাহিত্যৰ মূল আকৰ। মূলত মহাভাৰতত আৰু কম পৰিমাণে ৰামায়ণত যোগৰ প্ৰভাৱ বা অস্তিত্ব দেখা পোৱা যায়। মহাভাৰতৰ অংশ হিচাপে গীতাতো এই প্ৰভাৱ বিদ্যমান। অৱশ্যে 'গীতা' কাব্য সাহিত্যতকৈ দাৰ্শনিক বিচাৰসম্পন্ন শাস্ত্ৰ হিচাপেহে অধিক খ্যাত।

ভাৰতৰ বিখ্যাত মহাকাব্য মহাভাৰতৰ বিভিন্ন পৰ্বত যোগৰ উল্লেখ আছে। মহাভাৰতত সাংখ্য আৰু যোগক এটা আনটোৰ পৰিপূৰক বুলি উল্লেখ কৰা হৈছে। ইয়াত যোগ শব্দটো মাধ্যম বা উপায় অর্থত ব্যৱহাৰ কৰা হৈছে। (একো হি যোগ অসৎ ভৱেদ্ বধায়, মহাভাৰত, ১২)। এই মহাকাব্যত তপস্বীসকলে চমৎকাৰী শক্তি লাভ কৰিবলৈ যোগ সাধনা কৰাৰ কথা বাৰে বাৰে কোৱা হৈছে (মহাভাৰত, ১২.৩৪০-৫৫; ১২.৩০৩, ১৬৩; ১২.১৪.৪২০)। মহাভাৰতৰ শান্তিপর্ব, অনুশাসনপর্ব, আশ্ৰমবাসিক পর্ব, আদিপর্ব, শল্য পর্ব ইত্যাদিত সিদ্ধযোগী বা ব্ৰহ্মচাৰীসকলে কৰা যোগক্ৰিয়াৰ প্ৰভাৱ, যোগ শক্তিৰ মহত্ব আৰু যোগবলৰ তাৎপর্য সম্পর্কে বিভিন্ন আখ্যান বর্ণিত হৈছে। শান্তিপর্বৰ ৩৫১ অধ্যায়ত যোগক বেদৰ পৰা স্বতন্ত্ৰ আৰু সনাতন বুলি কোৱা হৈছে (সাংখ্যঞ্চ যোগঞ্চ সনাতনে দ্বে, বেদাশ্চ সর্বে নিখিলেন ৰাজন)। ইয়াৰ মোক্ষধর্মপর্বত যোগক আত্মা সম্বন্ধীয় এটি বৃহৎ শক্তিৰ উৎস হিচাপে বর্ণনা কৰা হৈছে (১২.২৫৫.৭) ইয়াত সূক্ষ্ম আত্মাৰ ধ্যান প্ৰদেশ হিচাপে নাভি, কণ্ঠ, মূৰ, হৃদয়, উদৰ, ওষ্ঠ, চক্ষু আদিৰ উল্লেখ কৰা হৈছে (মহাভাৰত, ১২.৩০১.৩৯)। যোগাংগ ধাৰণা আৰু প্ৰাণায়ামৰ স্পষ্ট উল্লেখ মহাভাৰতত পোৱা যায় (মহাভাৰত ১২.১১৬৮৩-৮৪)। অতি প্ৰাকৃতিক শক্তি লাভ কৰা মাধ্যম হিচাপে যোগৰ বর্ণনা মহাভাৰতত পোৱা যায় (মহাভাৰত, ১২.৩২৬.৮)। মহাভাৰতত যোগ শব্দটো শৃংখলাবদ্ধ (arranging) কৰাৰ অর্থতো 'আত্মানম্ যুঞ্জিত' ইত্যাদিৰ দ্বাৰা বুজোৱা হৈছে (মহাভাৰত ৬৩.২১)। এইদৰে মহাভাৰতৰ বিভিন্ন পর্বত যোগ সম্পর্কে উল্লেখ পোৱা যায়।

ভাৰতৰ আন এখন বিখ্যাত মহাকাব্য হ'ল ৰামায়ণ যি মহাভাৰতকৈও প্ৰাচীন। এই ৰামায়ণতো যোগৰ উল্লেখ পোৱা যায়। কিন্তু মহাভাৰতৰ তুলনাত ৰামায়ণত উল্লেখিত যোগৰ উদ্ধৃতিৰ সংখ্যা তাকৰ। অৱশ্যে ৰামায়ণত যোগক দৰ্শনৰ এটি বিভাগ আৰু যৌগিক অনুশীলনৰ পদ্ধতি— এই দুই ধৰণে উল্লেখ কৰা হৈছে। যোগৰ বিভিন্ন ধাৰণাৰ (concepts) উল্লেখ ৰামায়ণত দেখা পোৱা যায়। ৰামায়ণৰ আৰণ্য কাণ্ডৰ ষষ্ঠ অধ্যায়ত বিভিন্ন যৌগিক অনুশীলনৰ বৰ্ণনা (উদ্ধৃতি) পোৱা যায় (ৰামায়ণ, ৩.৬.২-৬)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ঋগ্বেদত যোগ শব্দটো কি অৰ্থত সকলোতকৈ অধিকভাৱে ব্যৱহাৰ কৰা হৈছে?

.....

.....

প্ৰশ্ন নং ২ ঃ যৌগিক অনুশীলনত ধ্যানৰ বিষয় হিচাপে ওঁকাৰ উপাসনাৰ কথা পোন প্ৰথমে ক'ত পোৱা যায়?

.....

.....

প্ৰশ্ন নং ৩ ঃ যোগাংগসমূহৰ উল্লেখ পোনপ্ৰথমে বৈদিক সাহিত্যৰ ক'ত পোৱা যায়?'

.....

.....

প্ৰশ্ন নং ৪ ঃ উপায় বা মাধ্যম হিচাপে যোগৰ উল্লেখ কোনখন কাব্যত পোৱা যায়?

.....

.....

৫.৩.৫ গীতাত যোগ

মহাভাৰতৰ ভীষ্মপৰ্বৰ অন্তৰ্গত গীতাক ভাৰতীয় সাহিত্য-সংস্কৃতিৰ ধাৰক আৰু বাহক বুলি ক'ব পাৰি। এই গীতা বা শ্ৰীমদ্ভগবদ্গীতাৰ প্ৰত্যেকটো অধ্যায়কে (মুঠ ১৮টা অধ্যায়) যোগ নামেৰে নামকৰণ কৰা হৈছে। এই গীতাতে পোনপ্ৰথমবাৰৰ বাবে যোগৰ এটি সুসংহত আৰু সৰল অথচ গম্ভীৰ পৰ্যালোচনা পোৱা যায়। গীতাত সাংখ্য আৰু যোগক দাৰ্শনিক পদ্ধতি হিচাপে নহয়, মোক্ষ লাভৰ মাধ্যম হিচাপেহে বৰ্ণনা কৰা হৈছে। গীতাত যোগ শব্দটো 'যুজ্ সমাধৌ' অৰ্থত ব্যৱহৃত নহৈ 'যুজিৰ্ যোগে' অৰ্থতহে ব্যৱহাৰ হোৱা দেখা যায়। যিহেতু যোগদৰ্শনৰ দাৰ্শনিক ভেটি সাংখ্যদৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত সেয়েহে গীতাত সাংখ্য আৰু যোগক অভিন্ন বুলি অভিহিত কৰা হৈছে (একং সাংখ্যং চ যোগং চ যঃ পশ্যতি স পশ্যতি, ৫.৫)। গীতাত কোৱা হৈছে যে সাংখ্য আৰু যোগক বেলেগ বুলি কেৱল বালকেহে কয় পণ্ডিতে নকয় (সাংখ্যযোগৌ পৃথক বালাঃ

প্ৰবদন্তি ন পণ্ডিতাঃ)। গীতাত যোগ শব্দটো বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা হৈছে। ইয়াত যোগে শক্তি (Power) বুজাইছে (পশ্য মে যোগমৈশ্বৰম্), ই ধ্যানৰ প্ৰক্ৰিয়াকো বুজাইছে (উপবিশ্যাসনে যুঞ্জ্যাদ্ যোগমাত্মবিশুদ্ধয়ে), ই কৰ্মযোগসম্পৰ্কত মনৰ সৌম্যভাব ৰক্ষা কৰাৰ এটি কৌশল হিচাপেও পৰিগণিত হৈছে (যোগ কৰ্মসু কৌশলম্) পুনৰ দ্বিতীয়াধ্যায়ত মনৰ সমত্বক যোগ বুলি কোৱা হৈছে (সমত্বং যোগ উচ্যতে, ২.৪৮)। ষষ্ঠ অধ্যায়ত দুঃখৰ সৈতে সংপৃক্ত হোৱা মানসিক স্থিৰি বিয়োগ বা বিচ্ছিন্নতাক যোগ বুলি কোৱা হৈছে (তং বিদ্যাৎ দুঃখসংযোগ বিয়োগম্ যোগসংজ্ঞিতম্, গীতা, ৬, ২৩)। অৰ্থাৎ মূলতঃ ইন্দ্ৰিয় বা বিষয় সংযোগৰ পৰা বিচ্ছিন্ন হোৱা বিদ্যাই হ'ল যোগ। গীতাৰ উপদিষ্ট কৰ্মযোগ, জ্ঞানযোগ, ভক্তিযোগ, ধ্যানযোগ, বিভূতিযোগ আদি সকলো যোগ— যোগলক্ষণৰ অন্তৰ্গত। শ্ৰীমদ্ভগৱদ গীতাত পতঞ্জলিৰ যোগসূত্ৰত দেখাৰ দৰে যোগ শব্দই কোনো পাৰিভাষিক অৰ্থ লাভ কৰা পৰিলক্ষিত নহয়। সেয়েহে গীতাত বিভিন্ন অৰ্থত যোগ শব্দটো ব্যৱহৃত হৈছে। গীতাত কৰ্মযোগৰ অৰ্থত যোগৰ বৰ্ণনা ৫.১, ৫.২, ৩.৩, ৩.৭, ১৩.২৪ আদিত পোৱা যায়। ইয়াত কৰ্মযোগক যোগীৰ পথ ৰূপে বৰ্ণনা কৰা হৈছে। বুদ্ধি যোগৰ উদ্ধৃতি ২.৪৯, ১০.১০ আৰু ১৮.৫৭ আদি সংখ্যক শ্লোকত স্পষ্টভাৱে পৰিলক্ষিত হয়। যোগক ভক্তিযোগ (১৪.২৬), ধ্যান যোগ (৬.১১-১৩, ৬.১৬-১৯, ৬.২৫-২৬) আদিৰ ৰূপত বৰ্ণনা গীতাত সততে উপলব্ধ। গীতাৰ ধ্যানযোগ নামৰ ষষ্ঠ অধ্যায়ত যোগৰ লক্ষণ, যোগীৰ লক্ষণ, যোগ প্ৰক্ৰিয়া, যোগ সাধনাৰ উপযুক্ত স্থান ইত্যাদিৰ সবিশেষ আলোচনা কৰা হৈছে (গীতা, ৬.৭, ৬.৮, ৬.১০, ৬.১২, ৬.১৪, ৬.১৫, ৬.১৯, ৬.২৩ ইত্যাদি)। পুনৰ গীতাৰ পঞ্চম অধ্যায়ত যৌগিক অনুশীলনত আত্মসংগমৰ গুৰুত্বৰ কথা বৰ্ণনা কৰা হৈছে। এই অধ্যায়ত প্ৰাণায়ামৰো সবিশেষ বিশ্লেষণ লাভ কৰা যায় (৫.২৭, ২৯.৩০)। শ্ৰীকৃষ্ণই গীতাৰ পোন্ধৰ সংখ্যক অধ্যায়ত কৈছে যে তেওঁ জুইৰ ৰূপত জীৱিত প্ৰাণীৰ শৰীৰত প্ৰাণ আৰু অপানৰ সংযোগত চাৰি প্ৰকাৰৰ খাদ্য আৰু পেয় হজম কৰে (১৫.১৪)। ষষ্ঠ অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যে (৬.২) 'হে পাণ্ডৱ, কৰ্মফলৰ বাসনা ত্যাগেই প্ৰকৃত যোগ, তেওঁ প্ৰকৃত যোগী হ'ব নোৱাৰে যি নিজৰ কামনা ত্যাগ কৰিব নোৱাৰে' (যং সন্ন্যাসমিতি প্ৰাহুৰ্যোগং তং বিদ্ধি পাণ্ডৱ/ন হ্যসন্ন্যস্তসংকল্পো যোগী ভৱতি কশ্চন//)। তেওঁ কৈছে যে যেতিয়া এজন যোগীয়ে নিজৰ সৈতে বা ভগৱানৰ সৈতে একাত্ম হয় তেতিয়া তেওঁ বন্তিৰ অকম্পিত শিখাৰ দৰে হৈ পৰে যি কোনো কামনা বাসনাৰ দ্বাৰা লালায়িত নহৈ সম্পূৰ্ণ স্থিৰ হৈ পৰে (যথা দীপো নিৱাতস্থো নেংগতে সোপমা স্মৃত্য, ৬.১৯)। আত্মাৰ সৈতে পৰমাত্মাৰ এই সংযোগেই বা মিলনেই যোগ। গীতাত ঈশ্বৰক (শ্ৰীকৃষ্ণক) যোগেশ্বৰ (মিলনৰ বা সংযোগৰ) ঈশ্বৰ বুলি অভিহিত কৰা হৈছে। ইয়াত কোৱা হৈছে যে এই সংযোগৰ ফলত যোগীয়ে দুঃখ স্পৰ্শ কৰিব নোৱাৰা সৰ্বোত্তম আনন্দ লাভ কৰে। এইদৰে গীতাত মূলতঃ যুজিৰ্ যোগে' অৰ্থত

(অর্থাৎ মিলন অর্থত) যোগ শব্দটো ব্যৱহৃত হোৱা পৰিলক্ষিত হয়। গতিকে দেখা যায় যে গীতাত ব্যৱহৃত যোগৰ ধাৰণা পতঞ্জলিৰ যোগৰ ধাৰাণাতকৈ বহুক্ষেত্রত বেলেগ।

৫.৩.৬ পুৰাণত যোগ

পুৰাণ বুলি ক'লে 'পুৰাণমাখ্যাতম্' অর্থাৎ পুৰণি কথাৰ বর্ণনা (old narrative) বুজা যায়। পুৰাণ গ্রন্থসমূহ ভাৰতীয় ধর্ম সভ্যতাৰ প্রধান আশ্রয়। মূল অষ্টাদশ পুৰাণ আৰু কিছু উপ পুৰাণত যোৰ প্রভাৱ বিদ্যমান। স্কন্দ পুৰাণৰ নাগৰ কাণ্ডত পৃথিৱীত যোগশাস্ত্র প্রচাৰৰ কাহিনী বর্ণিত হৈছে। মার্কণ্ডেয় পুৰাণতো যোগতত্ত্ব বিস্তাৰিতভাৱে আলোচিত হৈছে। ব্রহ্মপুৰাণ অনুসৰি মন আৰু ইন্দ্রিয়ৰ মাজৰ প্রকৃত সংযোগেই হ'ল যোগ। এই পুৰাণৰ মতে যোগ বুলিলে কেৱল পদ্মাসনৰ দৰে যোগাভ্যাস বা নসাগ্রত ধ্যানকে নুবুজায়, ই হ'ল মন আৰু ইন্দ্রিয়ৰ প্রকৃত সমন্বয় (ন চ পদ্মাসনাদ্ যোগো ন নাসাগ্রনিৰীক্ষণাৎ/মনশ্চেন্দ্রিয়াণ্ড সংযোগো যোগ উচ্যতে, ব্রহ্মপুৰাণ, ২৩৪.২৮)। অগ্নিপুৰাণত পতঞ্জলিৰ যোগসূত্রৰ দৰে যোগৰ অষ্টাংগৰ কথা কোৱা হৈছে (অগ্নিপুৰাণ ৩৮.১.১১)। অগ্নিপুৰাণত বর্ণিত অষ্টাংগ আৰু যোগসূত্রত বর্ণিত, যোগৰ অষ্টাংগৰ মাজত কোনো প্রভেদ নাই (যম, নিয়ম, আসন, প্রাণায়াম, প্রত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি)। কুর্মপুৰাণত কোৱা হৈছে যে যোগজ্ঞানীজনৰ প্রতি শিৱ সদায় সন্তুষ্ট হয় (কুর্মপুৰাণ, ২.১১.৩)। এই পুৰাণৰ মতে যোগাগ্নিয়ে পাপৰ সঁজাক দগ্ধ কৰে আৰু তেতিয়া জ্ঞান বিশুদ্ধ হয় তথা প্রত্যক্ষভাৱে নির্বাণ লাভ হয় (কুর্মপুৰাণ, ২.১১.২)। এই পুৰাণ অনুসৰি যোগ দুই ধৰণৰ— অভাৱযোগ আৰু মহাযোগ (২.১১.৫)। যোগৰ আন এটা বিভাগৰ কথাও ইয়াত কোৱা হৈছে— সবীজ আৰু নির্বীজ। কুর্মপুৰাণত সবীজযোগাভ্যাসৰ ক্ষেত্রত বিষ্ণু, ৰুদ্র, বিৰিঞ্চি আদি দেৱতাৰ উপাসনাৰ বিষয়ে উল্লেখ কৰা হৈছে। ইয়াত কোৱা হৈছে যে সবীজ যোগ কেৱল আৰু ৰুক্ষৰ (ন শিকাৰুৰ) বাবে। সবীজ যোগক সগুণযোগ বা ভক্তিযোগ বুলিও ক'ব পাৰি। নির্বীজ যোগত কোনো বীজ নাথাকে। অগ্নিপুৰাণৰ মতে যোগ হ'ল এটি বিশেষ মানসিক কার্য যাৰ বৈশিষ্ট্য হ'ল ব্রহ্মৰ লগত সংযোগৰ জৰিয়তে লাভ কৰা মানসিক প্রশান্তি (অগ্নিপুৰাণ ১৩৭.২৫)। যোগ সম্পর্কে স্কন্দ পুৰাণৰ ধাৰণা পতঞ্জলিৰ লগত একেই। এই পুৰাণৰ মতে চিত্তবৃত্তি নিৰোধেই যোগ (চিত্তবৃত্তিনিৰোধায় যোগত্বং প্রকীয়তে) লিংগ পুৰাণৰ মতে যোগ হ'ল মনৰ পৰিৱর্তনসমূহক বাধা দিয়াৰ এটি প্রক্রিয়া বা প্রণালী (যোগো নিৰোধবৃত্তেশ্চ চিত্তস্য দ্বিজমত্তমাঃ, ১/৮/৩)। অগ্নিপুৰাণত কোৱা হৈছে যে যোগে মন আৰু আত্মাৰ একাত্ম সাধন কৰে আৰু সকলো ইন্দ্রিয়ক অন্তর্মুখী কৰি তোলে। কুর্মপুৰাণত ইন্দ্রদ্যুম্নৰ উদ্ধৃতি দি কোৱা হৈছে যে ইন্দ্রদ্যুম্নই জীৱাত্মা আৰু পৰমাত্মাৰ একাত্মসাধনৰ জৰিয়তে সর্বোচ্চ যোগ লাভ কৰিছিল। বিষ্ণুপুৰাণৰ মতে যম আৰু নিয়ম (অষ্টাংগ যোগৰ প্রথম দুটি অংগ) দহটা আৰু সকাম তথা নিষ্কাম মার্গেৰে ইয়াক

লাভ কৰিব পৰা যায় (বিষ্ণুপুৰাণ, ৬.৭.৩৮)। এই পুৰাণৰ মতে যোগ হ'ল ব্ৰহ্মৰ সৈতে একাত্ম হোৱাৰ এটি মানসিক প্ৰক্ৰিয়া যি নিজৰ চেষ্টাৰ ফলত আয়ত্ব কৰিব পাৰি। শিৱপুৰাণ আৰু লিংগপুৰাণত পাঁচ ধৰণৰ যোগৰ কথা কোৱা হৈছে। সেয়া হ'ল— মন্ত্ৰযোগ, স্পৰ্শযোগ, ভাৱযোগ, অভাৱযোগ আৰু মহাযোগ। শ্ৰীমদ্ভগদ্গীতাৰ দৰে শৈৱ পুৰাণতো যোগক জ্ঞান, ক্ৰিয়া, ভক্তি, ধ্যান, জপ আদিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে আৰু এইবোৰক ক্ৰমান্বয়ে জ্ঞানযোগ, ক্ৰিয়াযোগ, ভক্তিযোগ, ধ্যানযোগ, জপযোগ আদি বুলি কোৱা হৈছে। জ্ঞানযোগৰ ক্ষেত্ৰত কুৰ্মপুৰাণত কোৱা হৈছে যে জ্ঞানৰ পৰা যোগ আৰু যোগৰ পৰা জ্ঞানৰ উৎপন্ন হয়। গতিকে এটা আনটোৰ পৰিপূৰক (যোগাৎ সঞ্জায়তে জ্ঞানং জ্ঞানদ্যোগঃ প্ৰৰ্ততে..., কুৰ্মপুৰাণ, (উত্তৰ) ২.৪১)। কুৰ্মপুৰাণত ধ্যান বা যোগৰ অভ্যাসৰ বাবে যথোচিত স্থানৰ সবিশেষ বৰ্ণনা পোৱা যায় (কুৰ্মপুৰাণ, (উত্তৰ) ১১.৪৭-৫১)। শিৱপুৰাণতো যোগাভ্যাসৰ বাবে যথোচিত স্থানৰ বিষয়ে বৰ্ণনা কৰা হৈছে (শিৱপুৰাণ, ৭.(২). ৩৮.৪৬-৭৮)। পতঞ্জলিৰ যোগসূত্ৰ আৰু লিংগপুৰাণ উভয়তে চিত্তক বিৰক্ত (disturb) কৰা অন্তৰায়সমূহক অভ্যাসৰ দ্বাৰা ধ্বংস কৰিব পাৰি বুলি কোৱা হৈছে। এই পুৰাণত দহবিধ চিত্তৰ অন্তৰায় বৰ্ণিত হৈছে (লিংগপুৰাণ, ১.৯.১-৩)। অগ্নিপুৰাণত ওঠৰবিধ বিদ্যাৰ ভিতৰত যোগক অন্তৰ্ভুক্ত কৰা হৈছে (অগ্নিপুৰাণ, ৩৮২.৬২)। ইয়াত কোৱা হৈছে যে সকলোৱে যোগাভ্যাস কৰিব লাগে কিয়নো পাপ ধ্বংস কৰিবলৈ ইয়াতকৈ গূঢ় তথা ৰহস্যময়ী (mystical) শক্তি আন একো নাই (যোগমেৱ নিষেৱেত নান্যং মন্ত্ৰমধাপহম্, অগ্নিপুৰাণ, ১৬৪.২৮)।

এইদৰে বিভিন্ন পুৰাণত যোগৰ বিভিন্ন আলোচনা পোৱা যায়।

৫.৪ আয়ুৰ্বেদত যোগৰ অস্তিত্ব তথা প্ৰভাৱ

ভাৰতৰ মূল বেদ চাৰিখন। আয়ুৰ্বেদক পঞ্চম বেদ বুলি বহুতে মত প্ৰকাশ কৰে। পুনৰ আয়ুৰ্বেদক অথৰ্ববেদৰ উপাংগ বুলিও কোৱা হয়। আয়ুৰ্বেদক বহুতে যৌগিক চিকিৎসা পদ্ধতিৰ শাস্ত্ৰ বুলি অভিহিত কৰে কিয়নো ইয়াত যোগৰ সিদ্ধান্ত আৰু অনুশীলন পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আয়ুৰ্বেদে যোগৰ পদ্ধতিসমূহক শৰীৰ আৰু মনৰ ৰোগ নিৰাময়ৰ উপায় হিচাপে ব্যৱহাৰ কৰে। আয়ুৰ্বেদৰ চিকিৎসা পদ্ধতিত যোগৰ আঠটা অংগৰ গুৰুত্ব অপৰিসীম। মূলতঃ আসন আৰু প্ৰাণায়ামক আয়ুৰ্বেদত কায়িক তথা মানসিক ৰোগ নিৰাময়ৰ মাধ্যম হিচাপে গ্ৰহণ কৰা হয়। আয়ুৰ্বেদে এটি সুস্থ-সবল জীৱন যাপনৰ মূলমন্ত্ৰ হিচপে দৈনিক ধ্যানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অষ্টাংগযোগৰ প্ৰয়োজনীয়তা সুশ্ৰুত সংহিতাত অতি সুন্দৰভাৱে ব্যাখ্যা কৰা হৈছে। পুনৰ পতঞ্জলিৰ যোগসূত্ৰত বৰ্ণিত (৩.৪৪) অষ্ট-ঐশ্বৰ্যৰ (যোগসিদ্ধিৰ দ্বাৰা অষ্ট ঐশ্বৰ্য লাভ কৰিব পাৰি) বৰ্ণনা চৰক সংহিতাত (১.১৪০) পোৱা যায়। আয়ুৰ্বেদৰ মতে প্ৰত্যাহাৰৰ অনুশীলনৰ দ্বাৰা ইন্দ্ৰিয়সংযম কৰি আৰু মনক বশীভূত কৰি ধ্যানত লীন হ'লে শৰীৰ আৰু মন

উভয়কে নিয়ন্ত্রণ কৰিব পৰা যায়। আয়ুর্বেদত আসনক বাহ্যিক ঔষধ আৰু প্রাণায়ামক আভ্যন্তৰীণ ঔষধ বুলি কোৱা হৈছে।

আয়ুর্বেদত মূলতঃ তিনিধৰণৰ শৰীৰৰ দোষৰ কথা কোৱা হৈছে (বাত, পিত্ত আৰু কফ)। আয়ুর্বেদৰ মতে শৰীৰত যাৰ অসমতূলতা দেখা যায় সেয়ে দোষ। যোগৰ সহায়ত এই অসমতূলতা নিৰাকৰণ কৰিব পাৰি বুলি আয়ুর্বেদত উল্লেখ কৰা হৈছে। যোগশাস্ত্রত বর্ণিত হোৱা সত্ব, ৰজ আৰু তমৰ ধাৰণা আয়ুর্বেদশাস্ত্রতো পোৱা যায়। দৈহিক তথা মানসিক সংগঠনৰ ভিন্নতাৰ (শৰীৰৰ আভ্যন্তৰীণ ধাতুৰ তাৰতম্যজনিত ভিন্নতা) ওপৰত ভিত্তি কৰি সৃষ্টি হোৱা চৰিত্রগত, বা শাৰীৰিক তথা মানসিক পীড়াগত ভিন্নতাৰ বর্ণনাৰ ক্ষেত্রত ৰজ আৰু তমৰ উল্লেখ চৰক আৰু সুশ্রুত সংহিতাত পোৱা যায়। অষ্টাংগহৃদয়ত এই শাৰীৰিক আৰু মানসিক ভিন্নতা বা বিভেদৰ প্রসংগত দোষময়ী আৰু গুণময়ী প্রকৃতিৰ (২.৩.৮৩/১০৪) উল্লেখ কৰা হৈছে।

যোগশাস্ত্রত উল্লেখ থকা পঞ্চমহাভূতৰ ধাৰণা আয়ুর্বেদতো পোৱা যায়। দুয়োখন শাস্ত্র অনুসৰি আমাৰ দেহ গঠিত হয় পঞ্চমহাভৌতিক উপাদানেৰে। আয়ুর্বেদৰ মতে শৰীৰত ত্রিদোষৰ (বাত, পিত্ত, কফ) উৎপত্তি হয় পঞ্চমহাভূতৰ বিভিন্ন উপাদান যেনে বায়ু, আকাশ, তেজ, পৃথিৰী আৰু জলৰ এটাই আনটোক বশীভূত কৰাৰ প্রৱণতাৰ প্রাধান্যৰ ওপৰত নির্ভৰ কৰি। যেনে ঃ বাতৰ উৎপত্তি হয় বায়ু আৰু আকাশভূতৰ প্রাধান্য হ'লে। অগ্নিৰ প্রাধান্যৰ ওপৰত নির্ভৰ কৰি পিত্তৰ সৃষ্টি হয় তথা জল আৰু পৃথিৰীৰ প্রাধান্য হ'লে কফৰ সৃষ্টি হয় (অষ্টাংগসংগ্রহ ২০)। যেতিয়ালৈকে পঞ্চমহাভৌতিক উপাদানসমূহ দেহত সমতুল অৱস্থাত থাকে তেতিয়ালৈকে দেহ সুস্থ হৈ থাকে। আয়ুর্বেদ চিকিৎসাশাস্ত্রৰ মূল লক্ষ্যই হ'ল এই ত্রিদোষ সৃষ্টিকাৰী উপাদানৰ মাজত সমতুলতা ৰক্ষা কৰা, দেহক সুস্থ তথা নিৰোগী কৰি ৰখা, নিৰোগী লোকক ৰোগৰ পৰা ৰক্ষা কৰা আৰু ৰোগীৰ দেহৰ পৰা ৰোগ নাইকিয়া কৰা (চৰকসংহিতা, ১৫ ঃ ৪৮)। পাঁচ প্রকাৰৰ বাত, পাঁচ প্রকাৰৰ পিত্ত আৰু পাঁচ প্রকাৰৰ কফৰ উৎপত্তিৰ ক্ষেত্রত পঞ্চমহাভৌতিক উপাদান আৰু সত্ব-ৰজ— তমৰ ক্রিয়া-প্রতিক্রিয়াৰ বর্ণনা অতি সুন্দৰভাৱে অষ্টাংগহৃদয়সংহিতা (১২ঃ১৩ ঃ আৰু সুশ্রুতসংহিতাত (২১ঃ ২১ঃ) উপস্থাপন কৰা হৈছে। কপালভাতি, ভস্ত্রিকা আদি আসনৰ অনুশীলনে বাত দোষ, নিৰাময় কৰে বুলি আয়ুর্বেদত বিধান দিয়া হৈছে। আগফালৈ হাউলি কৰা আসনসমূহৰ অনুশীলনে পিত্ত দোষ কমায় বুলি আয়ুর্বেদত উল্লেখ কৰা হৈছে। যোগৰ অনুশীলনে নাড়ী শুদ্ধি কৰে আৰু নাড়ী শুদ্ধি হ'লে কায়শুদ্ধি তথা চিত্ত শুদ্ধি হয়। সেয়েহে আয়ুর্বেদত যোগৰ অনুশীলনৰ গুৰুত্ব অপৰিসীম। আয়ুর্বেদতো হঠযোগ প্রদীপিকাৰ (২/৬৫) দৰে দোষ, ধাতু আৰু মল সমতূলতাৰ ওপৰত স্বাস্থ্য নির্ভৰ কৰে বুলি কোৱা হৈছে। হঠযোগৰ নিয়মসমূহ আয়ুর্বেদত বিশেষভাৱে অনুকৰণ কৰা হয়। খাদ্য তালিকাত ৰোগ অনুসৰি পথ্য আৰু অপথ্যৰ বিভাজন, ৰোগ অনুসৰি নির্দিষ্ট আসনৰ অনুশীলন, বাহ্যিক বিষয়ৰ প্রতি নির্মোহতা বা ইন্দ্রিয় সংযম, ধ্যান ইত্যাদি বিষয়বোৰৰ আয়ুর্বেদত গুৰুত্ব অপৰিসীম। যোগ পৰম্পৰাত সাত্বিক আহাৰ গ্রহণ কৰিবলৈ উপদেশ দিয়া হয়। আয়ুর্বেদতো সাত্বিক আহাৰৰ বিধান দিয়া হৈছে। আয়ুর্বেদত পঞ্চকর্ম আৰু যোগত ষট্কর্মৰ দ্বাৰা শুদ্ধি প্রক্রিয়া সিদ্ধি হয়।

চৰকৰ মতে (চৰকসংহিতা, ৫ঃ যোগৰ সাধনা বা অনুশীলনৰ দ্বাৰা 'সত্য-বুদ্ধি' (the realisation that the entire universe and the individual are one and the same) ৰ উপলব্ধি হয়। পতঞ্জলিৰ ঋতম্ভৰা প্ৰজ্ঞাৰ ধাৰণাটো চৰকৰ সত্যবুদ্ধিৰ (চৰকসংহিতা, ৫ঃ

ধাৰণাৰ সৈতে একেই। সত্যবুদ্ধি হ'ল প্ৰকৃত সত্যৰ অনুধাৱন বা উপলব্ধি। ই সকলো দুঃখৰ নিঃবৃত্তি কৰি মুক্তি বা মোক্ষৰ পথ প্ৰশস্ত কৰে। ই হ'ল প্ৰকৃত আত্মোপলব্ধি।

নৈতিক সাধনাৰ বিষয়টোৰ ওপৰত আয়ুৰ্বেদত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰত যম আৰু নিয়মৰ পৰিপালনৰ, (অহিংসা, অস্তেয়, শৌচ, সত্য, ব্ৰহ্মচৰ্য, ঈশ্বৰপ্ৰণিধান আদি) বিধান দিয়া হৈছে। অষ্টাংগহৃদয়সংহিতাত (২/২১.) দহটা বিষয়ৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ কোৱা হৈছে (হিংসা, অস্তেয়, নাৰীক অসন্মান, কুটনীতি, ৰুক্ষ শব্দ, মিথ্যা, অহেতুক বা অসংলগ্ন কথা-বতৰা আদি)। আয়ুৰ্বেদে মানসিক প্ৰশান্তি, মোক্ষ তথা তত্ত্বজ্ঞান লাভৰ মাধ্যম হিচাপে যৌগিক সাধনাৰ বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আয়ুৰ্বেদে যোগৰ সৰ্বোচ্চ ৰূপটোৰ ধাৰণ আৰু পালন কৰে। সেয়েহে অষ্টসিদ্ধি বা সত্যবুদ্ধি লাভ কৰিবলৈ যৌগিক সাধনাৰ প্ৰয়োজন।

৫.৫ বৌদ্ধ, জৈন আৰু তন্ত্ৰত যোগ

বৈদিক সাহিত্য আৰু আন শাস্ত্ৰগ্ৰন্থসমূহত যিদৰে যোগৰ অস্তিত্ব বা প্ৰভাৱ বিদ্যমান ঠিক তেনেকৈ ভাৰতীয় মূলৰ আন কিছু গ্ৰন্থতো এই প্ৰভাৱ কম পৰিমাণে হ'লেও দেখা যায়। বৌদ্ধধৰ্মৰ প্ৰবৰ্তক গৌতম বুদ্ধ আৰু জৈন ধৰ্মৰ প্ৰবৰ্তক মহাবীৰ জৈন হৈছে পতঞ্জলিৰ পূৰ্ববৰ্তী। তেওঁলোকৰ দৰ্শনত যোগ পৰম্পৰাৰ প্ৰভাৱ দেখা যায়। বৌদ্ধ সূত্তসমূহত ধ্যান আৰু সমাধিৰ কথা উল্লেখ আছে। এই সূত্তসমূহে যোগৰ লক্ষ্যপ্ৰাপ্তি কৰিবলৈ প্ৰয়োজনীয় উপায়ৰ বৰ্ণনা কৰিছে। বৌদ্ধমত অনুসৰি শ্ৰদ্ধা, শক্তি, বিচাৰ, একাগ্ৰতা তথা বুদ্ধি— এই পাঁচটা গুণ ধাৰণ কৰিলে যোগৰ লক্ষ্যপ্ৰাপ্তি কৰিব পাৰি (মজ্ঝিমনিকায়, ১/১৬৪)। যোগসূত্ৰতো এই মত স্বীকাৰ কৰা হৈছে (যোগসূত্ৰ ১/৩৩)। বৌদ্ধগ্ৰন্থত প্ৰতিপাদন কৰা ধ্যানৰ চাৰিটা অৱস্থা সাধাৰণৰূপত শাস্ত্ৰীয় যোগৰ চেতনাপূৰ্ণ একাগ্ৰতাৰ চাৰিটা স্থিতিৰ অনুকূল।

প্ৰকৃততে বৌদ্ধ দৰ্শন আৰু যোগ দৰ্শন প্ৰাচীন ভাৰতীয় আধ্যাত্মিক সভ্যতাৰ উপজ। সেই ক্ষেত্ৰৰ পৰা দুয়ো সহোদৰ কিয়নো দুয়োৰে লক্ষ্য দুঃখৰ প্ৰকৃত নিবৃত্তি। যোগ দৰ্শনত তিনিধৰণৰ দুঃখৰ কথা কোৱা হৈছে আৰু ইয়াৰ আত্যন্তিক বিনাশৰ জৰিয়তে মোক্ষ প্ৰাপ্তিৰ কথা বৰ্ণনা কৰা হৈছে। বৌদ্ধ দৰ্শনৰ চাৰি আৰ্য সত্যতো দুঃখৰ বিষয়ে বৰ্ণনা কৰি তাৰ নিৰোধৰ উপায় বৰ্ণনা কৰা হৈছে। বৌদ্ধ দৰ্শনৰ মতে সংসাৰখন দুঃখময় (তৎত্মাৎ সৰ্বং দুঃখং দুঃখমিতি ভাৱনীয়ম্, বৌদ্ধদৰ্শন, সৰ্বদৰ্শন সংগ্ৰহ) হৈছে। যোগ দৰ্শনত অষ্ট অংগৰ (যোগাংগানি যেনে- যম, নিয়ম, আসন, প্ৰাণয়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি) বৰ্ণনা কৰা হৈছে। এই অষ্ট অংগৰ অভ্যাসে দুঃখ নিবৃত্তিৰ লগতে কৈৱল্যৰ পথ প্ৰশস্ত কৰে। বৌদ্ধ দৰ্শনতো নিৰ্বাণ লাভৰ মাধ্যম হিচাপে অষ্টমাৰ্গৰ কথা বৰ্ণনা কৰা হৈছে। যোগদৰ্শনৰ অষ্টাংগযোগৰ প্ৰথম অংগ যমৰ পাঁচটা বিভাগৰ ভিতৰত অহিংসা

অন্যতম (২.৩৫)। বৌদ্ধ দর্শনতো সৎ আচৰণ পৰিপালনৰ মাধ্যম হিচাপে অহিংসাই এক উল্লেখযোগ্য আসন অধিকাৰ কৰিছে। যোগ দর্শন আৰু বৌদ্ধদর্শনৰ সিদ্ধান্তসমূহ বহুক্ষেত্ৰত একেই। অৱশ্যে ব্যৱহৃত নামসমূহৰ মাজত পার্থক্য দেখা যায়। যোগদর্শনত যিদৰে ধ্যানক কৈৱল্য লাভৰ পথ হিচাপে গ্ৰহণ কৰা হৈছে বৌদ্ধদর্শনতো এই ধ্যানৰ (meditation) ওপৰত গুৰুত্ব দিয়া হৈছে। বৌদ্ধৰ মূর্তি সদায় ধ্যানমগ্ন বা সমাধিযুক্ত অৱস্থাতে দেখা যায়। বৌদ্ধদর্শনৰ দৰে যোগদর্শনেও মনৰ স্থিৰতাৰ জৰিয়তে ধ্যানত (meditation) লয় প্ৰাপ্ত হৈ কর্মবন্ধনৰ পৰা মুক্তিলাভ কৰি পৰম সত্যৰ উপলব্ধিয়েই প্ৰকৃত কৈৱল্য বা নির্বাণ বুলি অভিহিত কৰিছে। অহিংসা, সত্য, ব্ৰহ্মচর্য, অস্তেয় আদি সদ্‌গুণ পৰিপালনৰ দ্বাৰা শাৰীৰিক আৰু মানসিক অৱগুণসমূহক নিয়ন্ত্ৰণ কৰিবলৈ উপদেশ দিছে দুয়ো দার্শনিক সম্প্ৰদায়ে। যোগদর্শনত উল্লেখিত আসনক (অষ্ট যোগাংগৰ অন্তর্গত) বৌদ্ধদর্শনত বহিৰংগ বুলি স্বীকৃতি দিয়া হৈছে। বৌদ্ধদর্শনত কর্মবন্ধনেই পুনর্জন্মৰ কাৰণ বুলি অভিহিত কৰা হৈছে। যোগদর্শনতো এই কথাৰ উল্লেখ পোৱা যায়। জৈন দর্শনৰ সিদ্ধান্তসমূহত যোগদর্শনৰ বহু সমল পোৱা যায়। পতঞ্জলিৰ যোগসূত্ৰত (২.৩০) পাঁচটা যমৰ (অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচর্য, অপৰিগ্ৰহ) বর্ণনা কৰা হৈছে। এই পাঁচটা যমকে জৈন দর্শনত পঞ্চমহাব্ৰত বুলি বর্ণনা কৰা হৈছে (অহিংসাসূনৃতাস্তেয়ব্ৰহ্মচর্যাপৰিগ্ৰহাঃ/ন যৎ প্ৰমাদযোগেন জীৱিতব্যপৰোপণম্/আর্হতদর্শন, সর্বদর্শনসংগ্ৰহ)। তত্বার্থসূত্ৰৰ সপ্তম অধ্যায়ত পঞ্চমহাব্ৰতৰ সুন্দৰ বর্ণনা আছে। যোগদর্শনত (২.৩২) শৌচ, সন্তোষ, তপ, স্বাধ্যায় আৰু ঈশ্বৰপ্ৰণিধান নিয়মৰ অন্তর্গত। জৈন দর্শনত ধর্মৰ দহটা উপাদানৰ ভিতৰত শৌচ এটা। পুনৰ যোগদর্শনৰ সংতোষ জৈন দর্শনৰ সংযমৰ লগত একেলেখীয়া। যোগদর্শনৰ ঈশ্বৰ প্ৰণিধানৰ সর্বাংগীন ধাৰণা জৈন দর্শনৰ ধ্যানৰ অন্তর্গত। জৈনদর্শনতো যোগ দর্শনৰ দৰে ধ্যানক আধ্যাত্মিক প্ৰগতি আৰু কৈৱল্য লাভৰ সোপান হিচাপে বর্ণনা কৰা হৈছে। তাৰে ছয়বিধ আভ্যন্তৰীণ তপস্যা আৰু ছয়বিধ বাহ্যিক তপস্যা। ছয়ধৰণৰ বাহ্যিক তপস্যাৰ ভিতৰত ইন্দ্ৰিয়সংযম উল্লেখযোগ্য। জৈনদর্শনৰ এই ইন্দ্ৰিয়সংযমৰ ধাৰণা যোগদর্শনৰ প্ৰত্যাহাৰৰ (অষ্টাংগৰ এটি অংগ) ৰূপান্তৰ মাথোন।

যোগদর্শনত অষ্টাংগযোগক দুঃখনিবৃত্তিৰ দ্বাৰ আৰু কৈৱল্যপ্ৰাপ্তিৰ সহায়ক বুলি কোৱা হৈছে। জৈনদর্শনতো আঠ ধৰণৰ কর্ম বিনষ্ট হ'লেহে মোক্ষ লাভ কৰিব পাৰি বুলি কোৱা হৈছে (ক্ষীণাষ্টকর্মণো মুক্তির্নিব্যাবৃত্তিনির্জোদিদা... আর্হভ্যদর্শন, সর্বদর্শনসংগ্ৰহ)। জৈন দর্শনত বাক্, কর্ম আৰু ভাৱনাৰ দ্বাৰা ভাল বা বেয়া কর্মই আত্মাত প্ৰভাৱ পেলায় বুলি কোৱা হৈছে। চিত্তত মল হ'লে চিত্তশুদ্ধিৰ প্ৰয়োজন। যোগদর্শনত চিত্তবৃত্তি বা চিত্তৰ মলৰ বর্ণনা কৰা হৈছে আৰু ইয়াৰ নিবৃত্তিৰ উপায় বর্ণনা কৰা হৈছে। জৈন দর্শনতো আস্রৱ, বন্ধ, নির্জৰ আদি ধাৰণাসমূহৰ জৰিয়তে চিত্তৰ বিকাৰৰ লগত জড়িত বিভিন্ন অৱস্থাৰ বর্ণনা কৰা হৈছে। জৈন আৰু যোগদর্শনৰ সিদ্ধান্তসমূহ বিচাৰ কৰিলে অনুমান কৰিব পাৰি যে জৈনদর্শনত যোগদর্শনৰ বহু ধাৰণা সন্নিবিষ্ট হৈ আছে। অৱশ্যে অর্থ বা বিষয়বস্তু একেই হ'লেও যোগদর্শনত ব্যৱহৃত নাম আৰু জৈন দর্শনত ব্যৱহাৰ হোৱা নামসমূহ বহুক্ষেত্ৰত পৃথক।

তন্ত্ৰসমূহ ভাৰতীয় সাহিত্য-সংস্কৃতিৰ এক উল্লেখযোগ্য অংগ। তন্ত্ৰসাহিত্যসমূহত যোগৰ

প্ৰভাৱ মন কৰিবলগীয়া। মূলতঃ কুণ্ডলিনীযোগ, হঠযোগ আৰু লয়যোগৰ অস্তিত্ব তন্ত্ৰসমূহৰ বৰ্ণনাত পোৱা যায়। তন্ত্ৰ সাহিত্যত প্ৰধানকৈ কুণ্ডলিনী শক্তিক জাগ্ৰত কৰি সহস্ৰচক্ৰত শিৱৰ লগত সংযোগ কৰাত গুৰুত্ব প্ৰদান কৰা হয়। তন্ত্ৰসাহিত্যসমূহ আগমৰ ওপৰত প্ৰতিষ্ঠিত। যোগৰ দ্বাৰা শৰীৰ আৰু মনক নিয়ন্ত্ৰণ কৰি বিভিন্ন সিদ্ধি লাভৰ বৰ্ণনা এই তন্ত্ৰ সাহিত্যসমূহত পোৱা যায়। তান্ত্ৰিক সাধনা মূলতঃ যোগ, ভক্তি, মন্ত্ৰ, হোম, জ্ঞান আৰু কৰ্মৰ সমন্বয়। সেয়েহে তান্ত্ৰিক সাধনাৰ জৰিয়তে সহজে মুক্তি লাভ কৰিব পাৰি বুলি কোৱা হয় (কুলার্ণৱতন্ত্ৰ, ২.২১)। কুলার্ণৱতন্ত্ৰৰ মতে (৯.১৬) কুণ্ডলিনী শক্তিয়ে আত্মানুভৱৰ দ্বাৰা জীৱাত্মা আৰু পৰমাত্মাৰ সমন্বয় সাধন কৰে। কিন্তু এই কুণ্ডলিনী শক্তিৰ জ্ঞান তথা বৈশিষ্ট্য কেৱল যোগৰ দ্বাৰাহে অনুভৱ কৰাটো সম্ভৱ। যিহেতু তান্ত্ৰিক সাধনাত যোগৰ অৱদান অপৰিসীম। সেয়েহে ধ্যান আৰু ধাৰণাৰ জৰিয়তে মনক নিয়ন্ত্ৰণ কৰি শৰীৰৰ ওপৰত প্ৰভূত্ব স্থাপন কৰিবলৈ তন্ত্ৰত উপদেশ দিয়া হৈছে। তান্ত্ৰিক সাধনা সাধাৰণতে চাৰিধৰণৰ প্ৰক্ৰিয়াৰ ওপৰত প্ৰতিষ্ঠিত— জ্ঞানপাদ, যোগপাদ, ক্ৰিয়াপাদ আৰু চৰ্যাপাদ। প্ৰকৃত সত্যৰ অনুধাৱন আৰু পৰমপদৰ অৰ্জনৰ বাবে যোগপাদত বিভিন্ন যৌগিক ক্ৰিয়া-কৰ্ম আৰু অনুশীলনৰ বৰ্ণনা কৰা হৈছে। পতঞ্জলিৰ যোগসূত্ৰৰ যম আৰু নিয়মৰ সঠিক পালন তান্ত্ৰিক সাধনাত কৰা হয়। তদুপৰি তান্ত্ৰিক সাধনাত প্ৰাণায়ামৰ গুৰুত্ব অপৰিসীম। ৰেচক, পূৰক আৰু কুম্ভকৰ দ্বাৰা প্ৰাণায়ামৰ অনুশীলনৰ বৰ্ণনা তন্ত্ৰশাস্ত্ৰত (মহানির্বাণতন্ত্ৰ, ৩.৪১-৪৮) পোৱা যায়। প্ৰাণায়ামৰ অনুশীলনৰ এনে প্ৰক্ৰিয়া হঠযোগৰ এটি উল্লেখযোগ্য অংগ। যোগশাস্ত্ৰৰ আন এটি উল্লেখযোগ্য অংশ হ'ল প্ৰণৱ বা ওঁকাৰ উপাসনা। তন্ত্ৰশাস্ত্ৰতো প্ৰণৱৰ উপাসনাৰ পৰা ইচ্ছা শক্তি আৰু জ্ঞান লাভ কৰিব পাৰি বুলি কোৱা হৈছে।

বিখ্যাত নৈয়ায়িক বাৎসায়নেও সৃষ্টি ৰচনাৰ লগত জড়িত এক পূৰ্ববতী যোগৰ উল্লেখ কৰিছে (ন্যায়ভাষ্য, ১/১/২৯)। কৌটিল্যই অৰ্থশাস্ত্ৰত দাৰ্শনিক সম্প্ৰদায়ৰ গণনাত সাংখ্য আৰু লোকায়তৰ লগতে যোগৰ নামো অন্তৰ্ভুক্ত কৰিছে (সাংখ্যং যোগো লোকায়তম্, চেত্যান্বীক্ষিকী— অৰ্থশাস্ত্ৰ)।

পাণিনিৰ লিখনিত যোগশব্দৰ পাৰিভাষিক অৰ্থৰ এক অনন্য বিৱৰণ পোৱা যায়। কিয়নো পাণিনিয়ে প্ৰথমবাৰৰ বাবে যুজ্ ধাতু সমাধি অৰ্থত আৰু যুজিৰ্ ধাতু সংযোগ বা মিলন অৰ্থত ব্যৱহাৰ কৰি ইহঁতৰ মাজত পাৰ্থক্য দেখুৱাইছে। কিন্তু আশ্চৰ্যজনক বিষয় এয়ে যে তেওঁ বহু ঠাইত (১.২.৫১, ১.২.৫৫, ৩.৪.২০, ৫.১.১০২, ৫.৪.৪৪, ৫.৪.৫০, ৫.৪.১২৬, ৬.৪.৭৪ ইত্যাদি)। যুজ্ শব্দটো মিলন বা সংযোগ অৰ্থতহে ব্যৱহাৰ কৰিছে। পাণিনিয়ে ৩.২.১৪২ সংখ্যক সূত্ৰত যোগী শব্দটো ধাৰ্মিক কৃচ্ছসাধন বা তপস্যা (austerity) পালন বা অভ্যাস কৰা জনক বুজোৱাত ব্যৱহাৰ কৰিবলৈ অনুমতি দিছে। অমৰকোষত যোগ শব্দটো ৰক্ষা, উপায়, ধ্যান, ঐক্যতা আদি অৰ্থত ব্যৱহৃত হৈছে (যোগঃ সন্নহনোপায়ধ্যানসংগতিযুক্তিষু, অমৰকোষ, ৩.৪.২৩)। যাজ্ঞবল্ক্যস্মৃতিতো প্ৰাণায়াম তথা যোগানুশীলনৰ সবিশেষ বৰ্ণনা পোৱা যায় (যাজ্ঞবল্ক্যস্মৃতি, ১২.৩১৭.৫)। শ্ৰীতত্ত্বনিধি নামৰ গ্ৰন্থখনত প্ৰায় এশবাইছ (১২২) বিধ যোগৰ ভংগিমাৰ (pose) বৰ্ণনা পোৱা যায়।

এইদৰে পতঞ্জলিৰ যোগদৰ্শনত বৰ্ণিত যোগ পৰম্পৰাৰ উৎপত্তি প্ৰকৃততে বহু পুৰণি। কিয়নো ভাৰতবৰ্ষত যোগচৰ্য্যা বা যোগসাধনাৰ ধাৰা পৰম্পৰাগতভাৱে প্ৰাচীন কালৰে পৰা বিদ্যমান যাৰ প্ৰমাণ প্ৰাচীন ভাৰতীয় শাস্ত্ৰসমূহেই বহন কৰিছে।

ইয়াৰ বাহিৰেও যোগৰ উল্লেখ প্ৰধানভাৱে যোগ উপনিষদসমূহত পোৱা যায়। মূল যোগ উপনিষদ যেনে— যোগতত্ত্বোপনিষদ, মণ্ডল ব্ৰাহ্মণোপনিষদ, নাদবিন্দু, অমৃতনাদ, ৰবাহ, ধ্যানবিন্দু, হংস, যোগকুণ্ডলিনী, যোগশিখ, যোগতত্ত্ব, ব্ৰহ্মবিদ্যা, যোগচূড়ামণি, অদ্বয়তাৰক, যোগৰাজ, তেজোবিন্দু আদি উপনিষদত যোগৰ উল্লেখ পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গীতাত মূলতঃ কি অৰ্থত যোগশব্দটো ব্যৱহাৰ কৰা হৈছে?

.....

.....

প্ৰশ্ন নং ৬ ঃ মূল পুৰাণৰ সংখ্যা কিমান?

.....

.....

প্ৰশ্ন নং ৭ ঃ কুৰ্মপুৰাণত বৰ্ণিত সবীজ আৰু নিৰ্বীজ যোগ বুলিলে কি বুজা?

.....

.....

প্ৰশ্ন নং ৮ ঃ বিষ্ণুপুৰাণত কেইটা যম আৰু নিয়মৰ উল্লেখ কৰা হৈছে?

.....

.....

প্ৰশ্ন নং ৯ ঃ লিংগপুৰাণত কেইবিধ যোগৰ কথা কোৱা হৈছে? সেইবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ১০ ঃ তান্ত্ৰিক সাধনাৰ চাৰিটা পৰ্যায় কি কি?

.....

.....

প্ৰশ্ন নং ১১ ঃ ত্ৰিদোষ বুলিলে কি বুজা?

.....

.....

প্ৰশ্ন নং ১২ ঃ পঞ্চমহাভূত কি কি? বাত, পিত্ত, কফৰ সৃষ্টি কিদৰে হয়?

.....

.....

প্ৰশ্ন নং ১৩ ঃ আয়ুৰ্বেদৰ মতে কিহৰ সমতুলতাৰ ওপৰত স্বাস্থ্য নিৰ্ভৰ কৰে?

.....

.....

প্ৰশ্ন নং ১৪ ঃ সত্যবুদ্ধি মানে কি?

.....

.....

প্ৰশ্ন নং ১৫ ঃ কি আসনৰ অনুশীলন কৰিলে বাতদোষ দূৰ হয়?

.....

.....

প্ৰশ্ন নং ১৬ ঃ বৌদ্ধমত অনুসৰি কোনকেইটা গুণ ধাৰণ কৰিলে যোগৰ লক্ষ্যপ্ৰাপ্তি কৰিব পাৰি?

.....

.....

প্ৰশ্ন নং ১৭ ঃ অমৰকোষত যোগ শব্দটো কি অৰ্থত ব্যৱহৃত হৈছে?

.....

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- যোগ শব্দটো সামান্যতঃ সম্বন্ধবাচক।
- অধ্যাত্ম সাধনাৰ ক্ষেত্ৰত যোগ শব্দৰ তাৎপৰ্য হ'ল ঈশ্বৰ, আত্মজ্ঞান বা ব্ৰহ্মজ্ঞান লাভৰ পথ।
- যোগ পৰম্পৰাৰ ইতিহাস অতি প্ৰাচীন।
- বৈদিক সাহিত্যৰ ভিতৰত ঋগ্বেদ, অথৰ্ববেদ, ব্ৰাহ্মণ সাহিত্য, উপনিষদ আদিত মূলতঃ যোগৰ উল্লেখ পোৱা যায়।
- মহাভাৰত, ৰামায়ণ আৰু গীতাত যোগৰ অস্তিত্ব বিদ্যমান। মূলতঃ মহাভাৰত আৰু গীতাত যোগৰ উল্লেখ মন কৰিবলগীয়া।
- পুৰাণত যোগৰ প্ৰভাৱ বিদ্যমান। পুৰাণৰ বাহিৰেও অন্যান্য বহু গ্ৰন্থতো যোগৰ উল্লেখ পোৱা যায়। আয়ুৰ্বেদতো যোগৰ অস্তিত্ব পোৱা যায়। পতঞ্জলিৰ পূৰ্ববৰ্তী বৌদ্ধ, জৈন গ্ৰন্থসমূহত, পাণিনিৰ লিখনি আদিতো যোগৰ উল্লেখ পোৱা যায়। যোগ উপনিষদসমূহো এইক্ষেত্ৰত উল্লেখযোগ্য।



৫.৭ অধিক জানিবলৈ

১) Dasgupta S. N. (1974) : *Yoga Philosophy,* Delhi: Motilal Banarsidass.

২) Chattopadhyaya Debiprasad (1978) : *Studies in the History of Indian Philosophy*, Vol. I, Calcutta: KP Bagchi & Company.

৩) Durssen Paul (1967) : *The Philosophy of the Upanishads*, Calcutta: Educational Enterprises.

৪) Ranade R. D. (1959) : *The Bhagavadgita as a Philosophy of God Realisation*, Poona: Dr. M. S. Modak.

৫) Kamesvara Rav J. C. : *Yoga and Tantra*, Hyderabad.

৬) Dasgupta Surendranath (1975) : *A History of Indian Philosohy*, Vol. II, Delhi: Motilal Banarcidas.

৭) Belvalkar S. K. & Ranade R. D. (1927) : *History of Indian Philosophy*, Vol. II, Poona: Bilvakunja Publishing House.

৮) Radhakrishnan S. (1971) : *Indian Philosophy, Vol. I*, New York: George Allen & Unwin LTD.

৯) Shankar Ganesh (2002) : *Classical and Modern Approaches to Yoga*, Delhi: Pratibha Prakashan.

৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ঋগ্বেদত একেলগ কৰা বা সংযোগ কৰা তথা অধীন বা গোলাম কৰা (Yoking) অর্থত যোগ শব্দটো সকলোতকৈ অধিকভাৱে ব্যৱহাৰ কৰা হৈছে।

২ নং প্রশ্নৰ উত্তৰ ঃ যৌগিক অনুশীলনত ধ্যানৰ বিষয় হিচাপে ওঁকাৰ উপাসনাৰ কথা পোনপ্রথমে ব্রাহ্মণ সাহিত্যত পোৱা যায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ বৈদিক সাহিত্যৰ অন্তর্গত অথর্ববেদত পোনপ্রথমে যম আৰু নিয়মৰ অন্তর্গত কিছু বিভাগৰ উল্লেখ পোৱা যায়। যমৰ অন্তর্গত অহিংসা, সত্য, অস্তেয় আদিৰ আৰু নিয়মৰ অন্তর্গত তপস্যা, স্বাধ্যায়, ঈশ্বৰ প্রণিধান আদিৰ উল্লেখ এই বেদত পোৱা যায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ উপায় বা মাধ্যম হিচাপে যোগৰ উল্লেখ মহাভাৰততে পোৱা যায় (একো হি

যোগ অস্য ভৱেদ্ বধায়, মহাভাৰত, ১২)। অৱশ্যে অমৰকোষতো যোগ শব্দটো উপায় অর্থত ব্যৱহৃত হৈছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গীতাত মূলতঃ 'যুজিৰ্ যোগে' অর্থত (অর্থাৎ মিলন অর্থত) যোগ শব্দটো ব্যৱহৃত হোৱা পৰিলক্ষিত হয়। শ্ৰীকৃষ্ণই ষষ্ঠাধ্যায়ত আত্মাৰ লগত পৰমাত্মাৰ মিলনেই প্ৰকৃত যোগ বুলি কৈছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মূল পুৰাণৰ সংখ্যা ওঠৰ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ কুৰ্মপুৰাণত যোগৰ বিভাগ হিচাপে সবীজ আৰু নিৰ্বীজ যোগৰ কথা কোৱা হৈছে। যি যোগত বীজ থাকে সেয়াই সবীজ যোগ। এই সবীজ যোগক সগুণযোগ বা ভক্তিযোগ বুলিও কোৱা হয়। কাৰণ এই যোগত বিষ্ণু, ৰুদ্ৰ, বিৰিঞ্চি (ব্ৰহ্মা) আদিৰ উপাসনাৰ কথা উল্লেখ কৰা হৈছে। যি যোগত বীজ নাথাকে সেই যোগেই নিৰ্বীজ যোগ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিষ্ণুপুৰাণত দহটা যম আৰু নিয়মৰ উল্লেখ কৰা হৈছে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ লিংগপুৰণাত পাঁচ ধৰণৰ যোগৰ কথা কোৱা হৈছে। সেয়া হ'ল— মন্ত্ৰযোগ, স্পৰ্শযোগ, ভাৱযোগ, অভাৱযোগ আৰু মহাযোগ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ তান্ত্ৰিক সাধনাৰ চাৰিটা পর্যায় হ'ল জ্ঞানপাদ, যোগপাদ, ক্ৰিয়াপাদ আৰু চর্যা পাদ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ত্ৰিদোষ বুলিলে বাত, পিত্ত আৰু কফৰ কথা বুজা হয়। চিকিৎসাশাস্ত্ৰৰ মতে শৰীৰত যাৰ অসমতুলতা দেখা যায় সেয়ে দোষ।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ পঞ্চমহাভূত হ'ল ক্ষিতি (পৃথিৱী), অপ (জল), তেজস্ (অগ্নি), মৰুৎ (বায়ু) আৰু ব্যোম (আকাশ)। আমাৰ দেহ এই পঞ্চমহাভৌতিক উপাদানেৰে গঠিত। আমাৰ শৰীৰৰ ত্ৰিদোষৰ সৃষ্টি হয় এই পঞ্চমহাভৌতিক উপাদানবোৰৰ এটাই আনটোৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিলে। যেনে ঃ বাতদোষৰ সৃষ্টি হয় বায়ু আৰু আকাশভূতৰ প্ৰাধান্য হ'লে, পিত্তদোষৰ সৃষ্টি হয় অগ্নিৰ প্ৰাধান্য হ'লে আৰু কফৰ সৃষ্টি হয় জল আৰু পৃথিৱীৰ প্ৰাধান্য হ'লে।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ আয়ুর্বেদৰ মতে দোষ, ধাতু আৰু মলৰ সমতুলতাৰ ওপৰত স্বাস্থ্য নির্ভৰ কৰে।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ সত্যবুদ্ধি হ'ল প্ৰকৃত সত্যৰ অনুধাবন বা উপলব্ধি। ই সকলো দুঃখৰ নিবৃত্তি কৰি মোক্ষৰ পথ প্ৰশস্ত কৰে। প্ৰকৃত আত্মোপলব্ধিয়েই হ'ল সত্যবুদ্ধি।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ কপালভাতি আৰু ভস্ত্ৰিকাৰ অনুশীলন কৰিলে বাত দোষ দূৰ হয়।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ বৌদ্ধমত অনুসৰি শ্ৰদ্ধা, শক্তি, বিচাৰ, একাগ্ৰতা তথা বুদ্ধি— এই পাঁচটা গুণ ধাৰণ কৰিলে যোগৰ লক্ষ্যপ্ৰাপ্তি কৰিব পাৰি।

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ অমৰকোষত যোগ শব্দটো ৰক্ষা, উপায়, ধ্যান, ঐক্যতা আদি অর্থত ব্যৱহৃত হৈছে (যোগ ঃ সন্নহনোপায় ধ্যান সংগতি যুক্তিযু, অমৰকোষ, ৩.৪.২৪)।



৫.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ঋগ্বেদ আৰু অথর্ববেদত উল্লেখিত যোগৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ ব্ৰাহ্মণ সাহিত্যত যোগৰ প্ৰভাৱ সম্পৰ্কে এটি চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ উপনিষদত যোগৰ অস্তিত্ব কিদৰে প্ৰতিফলিত হৈছে সেই বিষয়ে আলোচনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ মহাভাৰত আৰু গীতাত কি কি অর্থত যোগ শব্দটো ব্যৱহৃত হৈছে সেই বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ পুৰাণত উল্লেখিত যোগৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ আয়ুর্বেদত যোগৰ প্ৰভাৱ কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ বৌদ্ধ আৰু জৈন সাহিত্যসমূহত যোগৰ অস্তিত্ব কিদৰে বিদ্যমান চমুকৈ লিখক।

*** ***** ***



প্রসংগ পুথি

১) দাস, পৰিমল ভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); *ভাৰতীয় দর্শনত এভুমুকি;* গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।

৩) বন্দোপাধ্যায়, সুৰেশ চন্দ্র,ভট্টাচার্য্য,নাৰায়ণ চন্দ্র; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্রাইভেট লিমিটেড।

৪) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.

৫) Dasgupta, Surendranath (1999); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD.

৬) Radhakrishnan, S, (ed), (1953), *The Principal Upanisads*, London : George Allen and Unwin Ltd.

৭) Vedebar, V. M. and Palsule G. B. (trans.) (1970), *Sixty Upanisads*, (trans. from-German edn. of Paul Deussen, 1897)

৮) মজুমদাৰ, সুবোধচন্দ্র (১৯৭৩), *শ্রীমদ্ভগৱদ্গীতা,* কলকাতা ঃ দেৱ সাহিত্য কুটীৰ।

৯) ৰাধাকৃষ্ণণ, ড° সর্বপল্লী (১৩৯০ বংগাব্দ), *শ্রীমদ্ভগৱদ্গীতা,* কলকাতা ঃ মিশ্র ও ঘোষ পাৱলিচার্চ।

১০) Dasgupta S. N. (1974): *Yoga Philosophy,* Delhi: Motilal Banarsidass.

১১) Chattopadhyaya Debiprasad (1978) : *Studies in the History of Indian Philosophy*, Vol. I, Calcutta: KP Bagchi & Company.

১২) Durssen Paul (1967) : *The Philosophy of the Upanishads*, Calcutta: Educational Enterprises.

১৩) Ranade R. D. (1959) : *The Bhagavadgita as a Philosophy of God Realisation*, Poona: Dr. M. S. Modak.